জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**গুৰুবাণী**

শুনা সৰ্বজন তত্ত্ব ইটো মহা ভাগৱত
তিনিও লোকত সাৰোত্তৰ।
যত মহা যজ্ঞ দান কোটি কোটি তীৰ্থস্থান
কেহো আৰ নপাৰে ওচৰ।।
কৃষ্ণকথা যিবা ভণে যিবা শুনে একমনে
যমৰ ভাৱনা কৰৈ চুৰি।
পুৰুষ উদ্ধাৰ কৰি সংসাৰ সাগৰে তৰি
অন্তকালে যাইবে বিষ্ণুপুৰী।।
— কীৰ্ত্তন

# মণিকাঞ্চন

❐ Tech/RNP/GH-105/2012-14
❐ Regd. No. 63480/95

মাহেকীয়া বাৰ্তালোচনী

উনবিংশ বছৰ ঃ প্ৰথম সংখ্যা, ৫৬৫ শঙ্কৰাব্দ, ডিচেম্বৰ ২০১৩ চন, মূল্য ঃ ৫.০০ টকা, পঞ্জীয়ন নং ঃ ৬৩৪৮০/৯৫

## ৮৩ সংখ্যক অধিৱেশনৰ লাইখুটা স্থাপন



**তিতিচুকীয়া ঃ** প্ৰায় ৮ সহস্ৰাধিক ভকত-বৈষ্ণৱৰ হৰ্ষধ্বনি, আইসকলৰ উৰুলী আৰু দবা-কাঁহৰ মাঙ্গলিক ধ্বনিৰ এক বৈকুমঠ সদৃশ পৰিৱেশত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শিৰোমণি স্বৰূপ পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্ত বাপজনাই আগন্তুক শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৮৩ সংখ্যক বাৰ্ষিক অধিৱেশনৰ লাইখুটা স্থাপন কৰে তিনিচুকীয়াৰ মাকুম চহৰৰ 'শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ সমন্বয় ক্ষেত্ৰ'ত। পুৱা ৭ বজাত অধিৱেশনথলীৰ কাষত অস্থায়ী নামঘৰ প্ৰাঙ্গনত হোৱা নাম-

(২ পৃষ্ঠাত চাওক)

## শিৱসাগৰত 'শঙ্কৰদেৱৰ সাহিত্যৰ অধ্যয়ন' উন্মোচন



**শিৱসাগৰৰ পৰা অঞ্জন সাধনিদাৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শিৱসাগৰ জিলা শাখাৰ প্ৰায় দুটা বছৰৰ পৰিকল্পনা, কষ্ট আৰু ত্যাগৰ বিনিময়ত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সৃষ্ট ভাষা সাহিত্যৰ বস্তুনিষ্ঠ আলোচনা, ধৰ্ম, দৰ্শন, সংগীত, নাট্য, সাহিত্যৰ সম্পৰ্কত অসমৰ ৩৭ গৰাকী নবীন-প্ৰৱীণ লেখকৰ ৩৭টা বিষয়ত কৰা অধ্যয়নৰ এক সংকলিত ৰূপ যোৱা ২৬ নৱেম্বৰ তাৰিখে শিৱসাগৰ প্ৰেছ ক্লাৱত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্তবাপৰ সঞ্চালনাত অনুষ্ঠিত হোৱা এক গুৰুগম্ভীৰ অনুষ্ঠানত উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী প্ৰাধ্যাপক ড° জয়ন্ত কুমাৰ বৰাদেৱে।

(২ পৃষ্ঠাত চাওক)

## ড° ধৰ্মেশ্বৰ চুতীয়া বাপৰ দেহাৱসান

আজি ইং ২৯/১২/১৩ তাৰিখ দেওবাৰে শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ শাখা কাৰ্যালয়ত শ্ৰীকৈলাস দাসবাপৰ সভাপতিত্বত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখা সমিতিৰ সভাত যোৱা ২৩/১২/২০১৩ তাৰিখে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ একান্ত সেৱক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখা সমিতিৰ প্ৰাক্তন সম্পাদক, কামৰূপ অনুসন্ধান সমিতিৰ প্ৰাক্তন সভাপতি, সংস্কৃত মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, বিশিষ্ট পুৰাতত্ত্ববিদ, লিপিবিদ পণ্ডিত ড° ধৰ্মেশ্বৰ চুতীয়া বাপৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰা হয়। সভাত চুতীয়া বাপজনাই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দ্বাৰা প্ৰকাশিত শঙ্কৰদেৱ বাক্যামৃত, মাধৱদেৱ বাক্যামৃত, শ্ৰীমদ্ভাগৱত আদি গ্ৰন্থৰ সম্পাদনা কাৰ্যত লোৱা বিশিষ্ট ভূমিকাৰ কথা, মহাপুৰুষজ্যোতি জাৰ্ণেলৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে কামৰূপ অনুসন্ধান সমিতিৰ সভাপতি ৰূপে প্ৰাচীন অসমীয়া লিপিৰ উপৰি অন্যান্য পুৰাতাত্ত্বিক মূল্যৱান সমলসমূহ পুনৰ উদ্ধাৰ আৰু সংৰক্ষণত লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা স্মৰণ কৰা হয় আৰু বাপজনাৰ আত্মাৰ চিৰশান্তি বিচাৰি এভাগি ঘোষাৰে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়।◆



## সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে বক্তৃতানুষ্ঠান

অসমীয়া জাতিৰ দুৰ্যোগৰ মুহূৰ্তবোৰত যিসকল দেশপ্ৰেমী লোকে অসীম ত্যাগ, সাহস আৰু অধ্যাৱসায়েৰে জাতিটোক ৰক্ষা কৰাৰ সংগ্ৰামত মুখ্য ভূমিকা লৈছিল সেইসকলৰ ভিতৰত সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱ অন্যতম। বহুমুখী সাহিত্যিক প্ৰতিভাৰে অসমীয়া সাহিত্যৰ সকলো শাখাতে পথিকৃৎৰূপে বিশাল পৰিমাণৰ সাহিত্য ৰচনা কৰি বেজবৰুৱাৰ যুগ' বুলি অভিহিত কৰিব পৰা এটা যুগৰ সৃষ্টি কৰি থৈ যোৱা কেইগৰাকী সাহিত্যৰথীয়ে নিজৰ শক্তিশালী কলমটোৰেই জাতিটোৰ ত্ৰাণকৰ্তাৰ ভূমিকা পালন কৰিছিল। সমসাময়িক অসমীয়া জাতিটোৰ সমস্যাসমূহৰ বিষয়ে বুজিবলৈ আৰু

(৮ পৃষ্ঠাত চাওক)

## দেৱতাৰ দুৰ্গতি

**ঋষেশ্বৰ দলৈ**

অমৰাৱতীপুৰ। দেৱৰাজ ইন্দ্ৰই বহল সমাজ পাতি বহি আছে, সোণৰ সিংহাসনত। ওপৰত শ্বেতছত্ৰ। চন্দ্ৰতাপ। তাত থোপা থোপে মুকুতা আঁৰা আছে। দুয়ো পাশে শুকুলা চামৰে বিচি আছে। নানা অলঙ্কাৰ পিন্ধি শচী অৰ্দ্ধাসনত বহি আছে। সেইদৰেই নানা দিব্য বস্ত্ৰ অলঙ্কাৰ পিন্ধি আন আন দেৱতা সকলে সভাত যথাযথ যোগান ধৰি আছে। গন্ধৰ্ব্বই গীত গাইছে। সকলোৱেই নাচিছে। বিদ্যাধৰসকলে মৃদঙ্গ বজাইছে। সকলোৱেই ঘনে ঘনে দেৱৰাজ ইন্দ্ৰৰ জয় ঘোষিছে। ইন্দ্ৰই ত্ৰৈলোক্যৰ ঐশ্বৰ্য্য হাততে পোৱাদি পাই, বিলাস ভোগত মত্ত হৈ আপোন পাহৰা হৈ আছে।

**গুৰু অৱহেলা ঃ** এনেতে দেৱতা সকলৰ গুৰু বৃহস্পতি আহি

(২ পৃষ্ঠাত চাওক)

## এক ঈশ্বৰবাদৰ উৎস

**বিপিন চুতীয়া**

অনন্ত কোটি ব্ৰহ্মাণ্ডৰ সৰ্বময়কৰ্তা ঈশ্বৰ কৃষ্ণক বেদ, ভাগৱত, উপনিষদ, সংহিতা, ব্ৰহ্মসূত্ৰ, গীতা, মহাভাৰত, বেদান্ত আদি দৰ্শনসমূহে প্ৰতিপন্ন কৰি আহিছে। অধ্যাত্ম বিজ্ঞানেও ভগৱানৰ অস্তিত্ব স্বীকাৰ কৰিছে। সেই অনাদি-অনন্ত অসীম সত্তাক ঈশ্বৰ, পৰমব্ৰহ্ম, পৰমাত্মা, ভগৱান, ব্ৰহ্ম, কৃষ্ণ, হৰি, নাৰায়ণ, বিশ্বখনিকৰ, পুৰুষোত্তম, পৰমপুৰুষ আদি নামেৰে নামকৰণ কৰা হয়।

পৰম ঈশ্বৰক বেদত হিৰণ্য গৰ্ভসূক্ত আৰু পুৰুষ সূক্তত উল্লেখ কৰা হৈছে। ঋক্‌বেদৰ হিৰণ্য-গৰ্ভ সূক্ত ১০/১২১ আৰু পুৰুষ-সূক্তৰ ১০/৯০ত এক ভগৱানৰ অস্তিত্ব প্ৰকাশ পাইছে।

হিৰণ্য-গৰ্ভ সূক্ত ১২১ (ঋকবেদৰ দশম মণ্ডলৰ ১২১ নং সূক্ত)

(৬ পৃষ্ঠাত চাওক)

# লাইখুটা স্থাপন

(১ পৃষ্ঠাৰ পৰা)

প্ৰসঙ্গৰ পাছত দিনৰ ৯.৪৫ বজাত অগণন ভকত-বৈষ্ণৱৰ হৰ্ষোলাষৰ মাজত লাইখুটা স্থাপনস্থলীলৈ পদাধিকাৰ, প্ৰধান সম্পাদক, উপ-পদাধিকাৰ, প্ৰাতন প্ৰধান সম্পাদক বাপ প্ৰমুখ্যে কেন্দ্ৰীয় বিষয়ববীয়াসকলক জিলা সেৱাবাহিনীৰ জিলাধিনায়ক বদন গগৈ বাপৰ নেতৃত্বত মানৱ শৃঙ্খলৰ দ্বাৰা আদৰি অনা হয়। পদাধিকাৰ বাপে লাইখুটাৰ ওচৰত প্ৰথম চপৰা মাটি দি শুভাৰম্ভ কৰাৰ পিছত মূলসঙ্ঘ, জিলাৰ বিষয়ববীয়াসকলৰ লগতে আন আন সংগঠনৰ বহু বিষয়ববীয়াই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি অধিৱেশনখনিৰ সফলতা কামনা কৰে।

দুপৰীয়া ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি সভাখনিত সভাপতিৰ আসন গ্ৰহণ কৰে পদাধিকাৰ বাপে। প্ৰদান সম্পাদক শ্ৰীবাবুল বৰাবাপে কয় যে— বিভিন্ন ভাষা-ভাষী, জাতি-জনগোষ্ঠীৰে পৰিপূৰ্ণ তিনিচুকীয়া জিলাৰ অধিৱেশন এক অনন্য সুন্দৰ যে হ'ব তাৰ আগজাননী লাইখুটা স্থাপন অনুষ্ঠানলৈ অহা হাজাৰ হাজাৰ ভকত-বৈষ্ণৱেই প্ৰমাণ কৰে। লক্ষাধিক ভকতক আদৰিবলৈ সাজু হোৱা তিনিচুকীয়া জিলাবাসীক সেৱা আৰু ত্যাগেৰে জিলিকি উটিবলৈ আহ্বান জনায়। প্ৰাক্তন পদাধিকাৰ বৰ্তমানৰ মুখ্য উপদেষ্টা শ্ৰীকৰুণাকান্ত কলিতাবাপে অধিৱেশন সাফল্যমণ্ডিত হোৱাৰ কামনা কৰি চমু বক্তব্য আগবঢ়ায়।

সভাত যুটীয়া সম্পাদকদ্বয় শ্ৰীআনন্দ কুমাৰ বৰা, শ্ৰীকুশল ঠাকুৰীয়া প্ৰমুখ্যে ভালেকেইটা শাখাৰ বিষয়ববীয়া, কেন্দ্ৰীয় সেৱা-বাহিনী, কেন্দ্ৰীয় শিশু আৰু আই-মাতৃ কল্যাণ শাখা সমিতিৰ বিষয়ববীয়াসকলৰ লগতে শিৱসাগৰ, নাজিৰা, ডিব্ৰুগড় জিলা শাখাৰ সভাপতি-সম্পাদক, জিলাধিনায়ক তথা সঞ্চালনা সমিতিৰ সদস্যসকল উপস্থিত থাকে।◆

*প্ৰতিবেদক— অঞ্জন সাধনিদাৰ*

# শঙ্কৰদেৱৰ সাহিত্যৰ অধ্যয়ন

(১ পৃষ্ঠাৰ পৰা)

গুৰু দুজনাৰ সৃষ্টিৰাজিক প্ৰকৃত মৰ্যাদা প্ৰদান কৰি ৰসৰাস লক্ষ্মীনাথ বেজবৰুৱাই এক নতুন দৃষ্টিৰে অধ্যয়নৰ বাট মুকলি কৰে বুলি ভাষণ প্ৰসঙ্গত উল্লেখ কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ 'নাম-ধৰ্ম' মুখ্যপত্ৰৰ সম্পাদক মৰিগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক শ্ৰীজীৱকান্ত নাথবাপেও বক্তব্য ৰাখি কয় যে— শঙ্কৰদেৱে সাহিত্য সৃষ্টিৰ বাবে কোনো নিৰ্দ্দিষ্ট স্থান বাচি লোৱা নাছিল। সৰ্বসাধাৰণৰ বাবে সৃষ্ট সাহিত্যই সকলোৰে অন্তৰত চুব পাৰিছিল বুলি উল্লেখ কৰে। সভাপতি আসনৰ পৰা পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্তবাপে সাহিত্য শাখাৰ যোগেদি প্ৰকাশ কৰা গ্ৰন্থখনে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰি তুলিব উল্লেখ কৰে। সভাত শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি ড° প্ৰদীপ হাজৰিকা জিলা, জিলা সভাপতি শ্ৰীকিৰণ বৰদলৈ প্ৰমুখ্যে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটিৰ আঁত ধৰে শিৱসাগৰ জিলাৰ সাহিত্য শাখাৰ সম্পাদক শ্ৰীযুগল গগৈ বাপে।◆

# দেৱতাৰ দুৰ্গতি

(১ পৃষ্ঠাৰ পৰা)

সভাস্থলত ওলালহি। সভাৰ মাজত গুৰুক দেখি, আগবাঢ়ি গৈ সেৱা সৎকাৰ কৰি আগবঢ়াই আনকচাৰি, ইন্দ্ৰই আসনৰ পৰাই নুঠিল।

তাকে দেখি আন আন দেৱতাসকলেও আসনৰ পৰা নুঠিল আৰু গুৰুক কোনো সন্মান নেদেখুৱালে। শ্ৰীগৰ্ব্ব-মদত অন্ধ হৈ ইন্দ্ৰই গুৰু সেৱাও পাহৰিলে। গুৰু বৃহস্পতিয়ে শিষ্যসকলৰ সভাত পৰা ওলাই গুচি গ'লগৈ। গুৰু গুচি যোৱাৰ কিছু সময়ৰ পিছত ইন্দ্ৰই নিজৰ মূৰ্খামিৰ কথা বুজিব পাৰিলে আৰু ইয়াৰ পৰা তেওঁৰ নিশ্চয় দুৰ্গতি হ'ব বুলি ভাবি অনুতাপ কৰিবলৈ ধৰিলে। দেৱতাসকলক লগত লৈ অপৰাধ ভঞ্জনৰ বাবে বৃহস্পতিৰ ওচৰত উপস্থিত হ'লগৈ। পিছে গুৰু বৃহস্পতিয়ে ইন্দ্ৰক দেখাকে নিদিলে। হতাশ হৈ ইন্দ্ৰ অমৰাৱতীলৈ ঘূৰিল।

এই কথা অসুৰবিলাকে গম পালে। দেৱতা সকলক গুৰুৱে ত্যাগ কৰিলে যেতিয়া সিহঁতৰ ককাল ভাগিল দৈত্য-গুৰু শুক্ৰৰ সন্মতি লৈ, দেৱতা সকলক বুন্দামাৰ কৰোঁ বুলি ৰণচালি কৰি ওলাল।

**গুৰু অসন্তুষ্টিৰ পৰিণাম ঃ** অসুৰ আৰু দেৱতাৰ ঘোৰ যুদ্ধ হ'ল। যুদ্ধত দেৱতাসকলে চলুৰে চলুৰে পানী খালে। অমৰাৱতী এৰি ফৰিং-চিতিকা দি পলাল। দেৱতা সকলক সকলো সম্পদে এৰা দিলে। গুৰু অসন্তুষ্টিৰ এয়ে পৰিণাম।

কৃষ্ণ ভকতক যিটো কৰে তিৰস্কাৰ।
আত পৰে সংসাৰত দোষ নাহি আৰ।।
সকল পাতক হৰি ভজিলে এৰায়।
ভকতক নিন্দা পাপ কহিতো নেপায়।।

* * *

উপাই নেপাই ইন্দ্ৰ ব্ৰহ্মাৰ ওচৰ ওলালগৈ। ৰক্ষা কৰক বুলি ব্ৰহ্মাৰ চৰণত শৰণে পশিলেগৈ। দেৱতাৰ দুৰ্গতিৰ কথা শুনি ব্ৰহ্মাই ক'লে, 'গুৰুক অৱহেলা কৰি তোমালোক মহা বিপত্তিত পৰিলা। বৃহস্পতি বক্ৰ হ'ল যেতিয়া তোমালোকৰ ৰক্ষা হোৱাই টান। এতিয়া কৃষ্ণ বিনে তোমালোকক পৰিত্ৰাণ কৰোঁতা নাই। গতিকে কৃষ্ণ-কীৰ্ত্তন কৰা। আৰু এটা বুদ্ধি দিওঁ শুনা। ত্বষ্টাৰ পুতেক বিশ্বৰূপক তোমালোকে গুৰুবৰণ কৰাগৈ। তেওঁৰ পৰা নাৰায়ণ কৱচ লৈ দৈত্যক পৰাজয় কৰাগৈ।'

ব্ৰহ্মাৰ কথামতে দেৱতাসকল বিশ্বৰূপৰ ওচৰলৈ গৈ তেওঁক গুৰুৰূপে পাবলৈ প্ৰাৰ্থিলেগৈ। বিশ্বৰূপ একোপধ্যে দেৱতাৰ গুৰু হ'বলৈ মান্তি নহয়। পিছে দেৱতাসকলে পেৰি পেৰি লাগিলত তেওঁ গুৰু হ'বলৈ মান্তি হ'ল। দেৱতাসকলে যথানিয়মে বিশ্বৰূপক গুৰু বৰণ কৰিলে। বিশ্বৰূপে ইন্দ্ৰক নাৰায়ণ-কবচ দিলে। তাৰ বলতে অসুৰক পৰাজয় কৰি পুনৰ অমৰাৱতীৰ অধিকাৰ কৰিলে। দেৱতাসকলে নাৰায়ণ-কৱচৰ মহিমা বুজিলে। কিন্তু এটা কথা নুবুজিলে--

* * *

'এক কৃষ্ণ নামে তৰি দুৰ্গতিসকল।
কৱচতো কৰি কৃষ্ণ নাম সুমঙ্গল।।'

* * *

**কপটীয়া গুৰুৰ দুৰ্গতি ঃ** দেৱতাৰ গুৰু হৈ, বিশ্বৰূপে যজ্ঞৰ ভোগ খাবলৈ পাই, তেওঁও আচাৰভ্ৰষ্ট হৈ ভকতিত ব্যভিচাৰ ঘটালে। তেওঁৰ মুখ তিনিখন। এখন মুখেৰে সুৰা পান কৰে। এখনেৰে অমৃত পান কৰে আৰু আনখন মুখেৰে অন্ন খায়। বিশ্বদেৱৰ পিতৃপক্ষ দেৱতা। মাতৃপক্ষ দৈত্য। মাকৰ মৰমত যজ্ঞত ভাগ সদায় মনে মনে অসুৰ বিলাক পুনৰ শক্তিশালী হৈ উঠিল। এইদৰে কপট কৰি অভকতীয়া অসুৰ সকলৰ বল বঢ়োৱাৰ কথা ইন্দ্ৰই জানিব পাৰি অত্যন্ত খং উঠিল। খঙৰ কোবত বিশ্বদেৱৰ মূৰ তিনিটা কাটি পেলালে। তিনিটা মূৰ তিনিটা বেলেগে বেলেগ চৰাই হৈ উৰি গ'ল। যিখন মুখেৰে অমৃত খাইছিল, সেইটো 'কপিঞ্জল পক্ষী' হ'ল। যিখন মুখেৰে সুৰা পান কৰিছিল, 'সেইটো মূৰ 'কলবিঙ্ক পক্ষী' হ'ল আৰু যিখন মুখেৰে অন্ন খাইছিল সেইটো মূৰ 'তিত্তিৰি পক্ষী' হ'ল। এইদৰেই বিশ্বদেৱৰ পতন হ'ল।

**ইন্দ্ৰৰ আকৌ দুৰ্গতি ঃ** বিশ্বৰূপক কটাত ইন্দ্ৰৰ ব্ৰহ্মহত্যা পাপ লাগিল তেওঁ অস্থিৰ হ'ল। এবছৰ কাল ব্ৰত ধৰি থাকিল। এই ব্ৰহ্মহত্যা পাপক চাৰিভাগ কৰি; পৃথিৱী, জল, স্ত্ৰী, আৰু গছক একো একো ভাগ ল'বলৈ কাকুতি কৰিলে, কাকুতি এৰাব নোৱাৰি চাৰিও চাৰি ভাগ পাপ ল'লে। এইদৰে ইন্দ্ৰই পৰৰ গাত পাপ জাপি দি নিজৰ গাটো পাতলালে। ইফালে ইন্দ্ৰৰ হাতত পুত্ৰৰ মৰণ শুনি ত্বষ্টাৰ শোকত প্ৰাণ জ্বলি গ'ল। পুত্ৰ হত্যাৰ প্ৰতিশোধ ল'বলৈ বুলি, ইন্দ্ৰক বধিবৰ কাৰণে যজ্ঞ পাতি অভিচাৰ মন্ত্ৰেৰে আহুতি দিলে। 'ইন্দ্ৰ শত্ৰু বঢ়া' বুলি আহুতি দিয়া মাত্ৰে, প্ৰলয় কালৰ যমৰ দৰে অতি ভয়ঙ্কৰ, পৰ্ব্বতকায় এটা অসুৰৰ আবিৰ্ভাৱ হ'ল। হাতত ত্ৰিশূল আৰু চুলি, গোফ, ডাঢ়িৰে সৈতে লেলিহান জিহ্বা মেলি যেন সি তিনিও ত্ৰৈলোক্য গিলিহে পেলাব খুজিছে। ইয়াৰ নাম হ'ব বৃত্ৰাসুৰ। বৃত্ৰাসুৰে হাতত ত্ৰিশূল লৈ দেৱতা সকলক বধিবলৈ আগবাঢ়ি গ'লেই। বৃত্ৰাসুৰৰ সন্মুখীন হওক চাৰি দেৱতাসকল ছিটিকি পলাবলৈকো তত্ হেৰাল। 'ত্ৰাহি ত্ৰাহি কৃষ্ণ' বুলি বিষ্ণুত শৰণে পশিলেগৈ।

**কুকুৰৰ নেজত ধৰি সমুদ্ৰৰ পাৰ হোৱা ঃ** দেৱতাসকলে কৃতাঞ্জলি হৈ বিষ্ণুৰ ওচৰত দীঘলীয়া স্তুতি আৰম্ভ কৰিলে। স্তুতিত দেৱতাসকলে ঈশ্বৰৰ অপাৰ মহিমা কীৰ্ত্তন কৰিলে। 'হে প্ৰভু ! বৃত্ৰাসুৰৰ গ্ৰাসৰ পৰা দেৱতা সকলক ৰাখক। আপুনি কালৰ ঈশ্বৰ। আপোনাক শৰণে পশিলোঁ আমি মন্দমতি আপোনাৰ স্বৰূপ একো নেজানোঁ। আপোনাক ঈশ্বৰ মানি ভকতি নকৰোঁ। সেয়েহে অসুৰে আমাক বাৰে বাৰে নিকাৰ ভোগাইছে। আপুনিহে আমাৰ দুৰ্গতি দূৰ কৰিব। এই কথা নিশ্চয় বুজিছোঁ, মূৰ্খজনে আপোনাক নভজি আন দেৱতাকহে ভজে। তেনে মূঢ়জনে কুকুৰৰ নেজত ধৰি সমুদ্ৰ পাৰ হ'ব খোজে। হে ভকতৰ বন্ধু আমাক নিস্তাৰ কৰক।' দেৱতাসকলৰ স্তুতিত হৰি সন্তুষ্ট হৈ দেখা দিলে আৰু নিৰ্ভয় দি এইদৰে ক'লে-- 'তোমালোকৰ স্তুতিত সন্তুষ্ট হৈছোঁ। বৃত্ৰাসুৰ বধৰ উপায় দিওঁ শুনা। তোমালোক দধীচি ঋষিৰ ওচৰলৈ যোৱা। তেওঁৰ শৰীৰটো খুজি আনা। দধীচিৰ হাড়েৰে তৈয়াৰ কৰা বজ্ৰৰ সহায়তেই বৃত্ৰাসুৰক বধ কৰিব পাৰিবা। তেওঁ পৰম বৈষ্ণৱ ঋষি। অমৰ বিদ্যা জানে। মহা সত্যৱন্ত আৰু দাতাৱন্ত। বিশেষকৈ বৈষ্ণৱজনে দেহাৰ কাৰণে কোনো মমতা নকৰে। তেওঁৰ অস্থি নি বিশ্বকৰ্ম্মাক দিবাগৈ। তেওঁৱেই বজ্ৰ তৈয়াৰ কৰি দিব।

**কৃষ্ণ ভকতৰ জয় কৃষ্ণ বিমুখৰ ক্ষয় ঃ** দেৱতাসকলে তদনুযায়ী কাম কৰিলে। দেৱতাৰ দুৰ্গতি খণ্ডনৰ বাবে দধীচি ঋষিয়ে শৰীৰ ত্যাগ কৰিলে। দধীচিৰ হাড়েৰে বিশ্বকৰ্ম্মাই বিষ্ণু তেজ দি বজ্ৰ তৈয়াৰ কৰি ইন্দ্ৰৰ হাতত দিলে। বজ্ৰ লৈ ইন্দ্ৰই অসুৰক এইবাৰ মষিমূৰ কৰি নিলে। বৃত্ৰাসুৰৰ লগত যুদ্ধ আৰম্ভ কৰিলে। সন্মুখ যুদ্ধত ইন্দ্ৰক বৃত্ৰাসুৰে এই বুলি কৈ গৰ্জ্জিবলৈ ধৰিলে--

'শচীপতি ইন্দ্ৰ, তোৰ নিচিনা শত্ৰুক আগত পাই মোৰ মনত বৰ আনন্দ লাগিছে। মোৰ ভাই বিশ্বৰূপক আগেয়ে গুৰুমানি লৈ পিছত হত্যা কৰিলি। মোৰ ভাই এজন দীক্ষিত বামুণ। বিদ্যাত নিপুণ। আত্ম-জ্ঞানী। তাক হত্যা কৰি মহাপাতেক ল'বলৈকো সংশয় নকৰিলি। মোৰ ভাইৰ পৰাই বিদ্যাশিকি, শত্ৰুক জিনি স্বৰ্গৰাজ্য লাভ কৰিলি। শুন ব্ৰহ্মবধি দুৰাচাৰ, তোৰে সৈতে মই এতিয়াই সমস্ত দেৱতা গিলি পেলাব পাৰোঁ। পিছে নিগিলোঁ। জগতক অদৃশ্য নকৰোঁ। তোকহে পেটত ভৰাই থম।'

হাতত বজ্ৰ আছে যেতিয়া ইন্দ্ৰই বৃত্ৰাসুৰলৈ-- ভয় কৰিবনে? বৃত্ৰ বধৰ কাৰণেই বজ্ৰ তৈয়াৰ হৈছে। বৃত্ৰাসুৰৰ নানা নিন্দা বাক্য শুনি ইন্দ্ৰয়ো উত্তৰ দিলে, 'হেৰ নিশাচৰ, কোনো দোষ গুণ বিচাৰ নকৰাকৈ পৰম নিন্দা কৰাজনকে বৰ্ব্বৰ বোলে। বিৰাট কায়টো লৈয়েই তই জগতখন গিলিব পাৰোঁ বুলি ভয় খুৱাইছে। তোৰ ভায়েৰ বিশ্বৰূপ এটা পৰম কপটীয়া। নেজানিহে তাক গুৰু মানিলোঁ। অভকত দানৱক মাধৱক প্ৰসাদ খুৱাই আমাক মৰাবলৈ যত্ন কৰে সি। সি সকলো জানে হয়; কিন্তু তথাপি কুমন্ত্ৰক ভজে। কৃষ্ণক সি নভজে। হৰিত বিমুখ; কপট বৈষ্ণৱ তোৰ ভায়েৰক হত্যা কৰাত মোক মিছাতে নিন্দা নকৰিবি। মই কি বধিবৰ পাত্ৰ। কৃষ্ণহে সকলোৰে ঈশ্বৰ, তেওঁ যেনেকৈ কৰাইছে তেনেকৈ কৰিছোঁ।'

বৃত্ৰাসুৰে ক'লে-- ইন্দ্ৰ, তোৰ চতুৰ কথা মই নুবুজা নহওঁ। এজন ব্ৰাহ্মণক মাৰি ব্ৰহ্মহত্যা পাপ যি আৰ্জিলিয়েই আৰু এজন ব্ৰাহ্মণক মাৰি তেওঁৰ হাড়েৰে বজ্ৰ তৈয়াৰ কৰি তাৰেই মোক বধিবলৈ আহিছ? কিন্তু মোক বধিলেও মোৰ হে জয় হ'ব। বিষ্ণুতেজ দি বিষ্ণু ভকতৰ হাড়েৰে সজা বজ্ৰৰ আঘাতত মোৰ প্ৰাণ গ'লে, মোৰ পৰম গতি হ'ব। গতিকে মোৰ পৰম আনন্দ। পিছে তোৰ বজ্ৰৰ নো কিমান শকতি মই চাওঁ।' এই বুলি হুঙ্কাৰ কৰি ইন্দ্ৰৰ কপালতে ভালকৈ একোব বহুৱাই দিলে। একে কোবেই ইন্দ্ৰ পাক ঘূৰণি খাই মূৰ্চ্চা গ'ল আৰু হাতৰ বজ্ৰপাত উফৰি গৈ কৰবাত পৰিলগৈ। কিছু সময়ৰ পিছত ইন্দ্ৰ উঠিল। বজ্ৰপাত বুটলি আনি বৃত্ৰাসুৰৰ গালৈ মাৰি পঠিয়ালে। বৃত্ৰাসুৰৰ হাত এখন কাটি পেলালে। পৰ্ব্বত এটাৰ পৰা যেনিবা শৃঙ্গ দুটাহে খহি পৰিল। কোবত বৃত্ৰাসুৰে এইবাৰ ইন্দ্ৰক বাহনেৰে গিলি পেলালে। মহাসৰ্প এটাই যেনিবা হাতী এটাহে গিলিলে। দেৱতা সকলক ধাতু উৰিল। আনকি ব্ৰহ্মাৰো হাঁহাকাৰ লাগিল।

**মহন্তৰো বাক্য লৰে অভাগ্যৰ ফলে ঃ** চন্দ্ৰ, সূৰ্য্য, বায়ু, বৰুণ, কুবেৰ আৰু অষ্টবসু, আটাইবোৰৰ মুখত পানী নাইকিয়া হ'ল। বজ্ৰেৰে সৈতে ইন্দ্ৰ এতিয়া বৃত্ৰাসুৰৰ পেটত জাহ যায়। বৃত্ৰক বধিবৰ কাৰণে কৃষ্ণক চিন্তিলোঁ। তেওঁৰ বুদ্ধিমতে দধীচিৰ হাড়কো আনিলোঁ। সেই হাড়েৰে তৈয়াৰ কৰা বজ্ৰেৰে বৃত্ৰাসুৰৰ বাহু ছেদন কৰা হ'ল। কিন্তু তথাপি বৃত্ৰই ইন্দ্ৰক ব্ৰজেৰে সৈতে গিলি পেলায়, অভাগ্যৰ ফলত মহন্তৰো বাক্য লৰে।' এই বুলি দেৱতাসকলে পৰমেশ্বৰৰ বাক্যতো সন্দেহ কৰিবলৈ ধৰিলে।

**বৃত্ৰ বধ ঃ** বৃত্ৰাসুৰৰ সাগৰৰ সমান পেটটোত

(৬ পৃষ্ঠাত চাওক)

# পৰীক্ষিত ৰজাৰ জন্ম কথা আৰু মহাপুৰুষীয়া তত্ত্ব

সুহাগমণি বৰ্মন

কৃষ্ণদেৱক ইষ্টদেৱতা মানি একমাত্ৰ তেওঁতেই শৰণ লৈ তেওঁৰ নাম-গুণ লীলা শ্ৰৱণ-কীৰ্তন কৰাসকলেই মহাপুৰুষীয়া। এইমতে চালে কলিযুগৰ প্ৰথম মহাপুৰুষীয়া হ'ল পাণ্ডৱৰ নাতি মহাভাগৱত ৰজা পৰীক্ষিত। মহামুনি শুকে পৰীক্ষিতক মহাপুৰুষীয়া বুলি স্বীকৃতি দিছে। ভাগৱতত কোৱা হৈছে—

"পৰিনিষ্ঠিতোহাপ নৈৰ্গুণ্য উত্তম শ্লোক লীলয়া।
গৃহীত চেতা ৰাজৰ্য আখ্যানং যদধীতৱান।।
তদহং তেহবিধাস্যামি মহাপৌৰুষিকো ভৱান।
যস্য শুধতামাশুস্যা মুকুন্দে মতি সতী।।"

তাকে মহাপুৰুষ মাধৱদেৱে নাম-ঘোষাত লিখিছে—

"শুক নিগদতি পৰীক্ষিত/ যদি আমি নিৰ্গুণত স্থিত/ তথাপি উত্তম শ্লোকৰ মহিমা গুণে। কৰিলেক মোৰ বশ্য চিত্ত/ ভাগৱত গ্ৰন্থ বিপৰীত/ পৰম আনন্দে পঢ়িলো মই আপোনে।। তোমাত কহিবো সেহি শাস্ত্ৰ/ তুমি আক শুনিবাৰ পাত্ৰ/ মহাপুৰুষৰ সেৱক তুমি সম্প্ৰতি। ই শাস্ত্ৰত শ্ৰদ্ধা মাত্ৰকত/ মুকুন্দৰ পাদ পঙ্কজত/ অতিশীঘ্ৰে তাৰ হোৱে জানা সতী মতি।।"

শুকমুনিয়ে কৈছে— "হে ৰাজৰ্ষি পৰীক্ষিত, মই যদিও নিৰাকাৰ নিৰ্গুণ ব্ৰহ্মৰ উপাসক আছিলো, ভগৱান কৃষ্ণলীলাৰস ব্ৰহ্ম নিৰ্বাণকৈও শ্ৰেষ্ঠ বুলি জানি মোৰ চিত্ত উত্ৰাৱল হোৱাত পৰমানন্দ মনেৰে মই মহাভাগৱত শাস্ত্ৰৰ অধ্যয়ন কৰিলোঁ। তোমাৰ আগত সেই শাস্ত্ৰখনি এতিয়া কম। যিহেতুকে তুমি এতিয়া মহাপুৰুষৰ সেৱক মহাপুৰুষীয়া। এই শাস্ত্ৰ শ্ৰদ্ধা সহকাৰে শ্ৰৱণ কৰোতাসকলৰ চিত্ত নিৰ্মল হৈ শ্ৰীমুকুন্দৰ চৰণত তৎকালে ভকতি হয়।

পৰীক্ষিত আছিল পাণ্ডুবংশৰ অভিমুন্যৰ পুত্ৰ। তেওঁ শৌৰ্যে-বীৰ্য্যে অতি শ্ৰেষ্ঠ ৰজা আছিল। তেওঁ একান্ত কৃষ্ণৰ সেৱক আছিল। প্ৰজাপালক, মহাধাৰ্মিক, ধনুৰ্দ্ধৰ, সৰ্বগ্ৰাসী, মহাগম্ভীৰ, একান্ত ভকত আছিল। তেওঁ নিতিটা অশ্বমেধ যজ্ঞ কৰি সমুদায় জম্বুদ্বীপৰ অধীশ্বৰ হৈ পৰিছিল।

জম্বুদ্বীপৰ অধীশ্বৰ হৈ প্ৰজাবিলাকক পুত্ৰৰ দৰে অতি স্নেহেৰে শাসন কৰিছিল। অন্যান্য ৰজাসকল তেওঁৰ অধীনত চলিছিল। বৈষ্ণৱ-ভকতসকলৰ সঙ্গ লৈ হৰি ভক্তিৰ মহিমাৰে নাম-কীৰ্তনেৰে জম্বুদ্বীপ মুখৰিত কৰিছিল।

"ভৃত্য যেন খাটে পৃথিৱীৰ যত ৰাজা।
পুত্ৰতো অধিক কৰি পালিলন্ত প্ৰজা।।
ভকতৰ সঙ্গে সঙ্গে জম্বুদ্বীপ পতি।
লগাইলা লোকত মহা হৰিত ভকতি।।"

— ভাগৱত

মাতৃগৰ্ভত থাকোতে পৰীক্ষিত কৃষ্ণক দেখা পাইছিল। মাতৃ সুভদ্ৰা। সুভদ্ৰাৰ গৰ্ভত শিশু পৰীক্ষিতক ভগৱান কৃষ্ণই নিজৰ ৰূপটো প্ৰদৰ্শন কৰি দেখুৱাইছিল। এদিন শুভক্ষণত পাণ্ডৱৰ বংশধৰ পৰীক্ষিতৰ জন্ম হ'ল। মহামতি ব্যাসৰ উপদেশত পৰীক্ষিতৰ জাতকৰ্ম কৰোৱা হ'ল। ঋষিসকলে পৰীক্ষিতৰ জন্ম কথা কওঁতে ক'লে যে, পৰীক্ষিতে গৰ্ভতে যিহেতু ঈশ্বৰৰ সাক্ষাৎ লাভ হৈছিল, সেয়ে তেওঁৰ নাম বিষ্ণুৰাত হ'ব। আনকি এওঁ ৰামচন্দ্ৰৰ পূৰ্বপুৰুষ ইক্ষ্বকুৰ দৰে ৰজা হ'ব। দেৱ-দ্বিজ পুৰুষত ৰামচন্দ্ৰৰ দৰে আদৰ্শনীয় হ'ব। উশীনৰ দৰে শৰণাগতক আশ্ৰয় দিব আৰু ভৰত ৰজাৰ দৰে জগতত যশস্যা বাঢ়ি যাব। দুই অৰ্জুনৰ তুল্য বীৰ হ'ব। প্ৰতাপত সূৰ্যৰ দৰে আৰু ব্ৰহ্মাৰ দৰে পৰম ধৈৰ্যশীল আৰু প্ৰহ্লাদৰ দৰে কৃষ্ণৰ ভকত হ'ব। আনকি পৰীক্ষিতে অশ্বমেধ যজ্ঞ কৰিব। পাষণ্ডবোৰক নিষেধ কৰিব। তেওঁ ৰথেৰে জম্বুদ্বীপ ভ্ৰমণ কৰিব। বিশেষকৈ এই পৃথিৱীত অশান্তিকাৰী কলিক দমন কৰিব। অৱশেষত তক্ষক সৰ্পই দংশন কৰিবৰ কথা শুনি তেওঁ কৃষ্ণত শৰণ ল'ব। শুকমুনিয়ে পৰম জ্ঞান দিব। তেতিয়া পৰীক্ষিতে জ্ঞান আৰু ভক্তিৰ দ্বাৰা আপ্লুত হৈ কৃষ্ণৰ অভয় পদত স্থান পাব।

অনুক্ৰমে শিশু পৰীক্ষিত স্বভাৱতে মহত্তৰ দৰে ডাঙৰ-দীঘল হ'ল। ঈশ্বৰে পৰীক্ষিতক গৰ্ভতে পৰীক্ষা কৰিছিল কাৰণে মুনিসকলে তেওঁৰ নাম পৰীক্ষিত থ'লে।

দিন বাগৰিল। কুৰুক্ষেত্ৰৰ যুদ্ধৰ অৱসান ঘটিল। যুধিষ্ঠিৰে নাতি পৰীক্ষিতক ৰাজপাটত বহোৱালে। পৰীক্ষিত ৰজা হ'ল। তেওঁৰ ৰথৰ ঘোঁৰাই আকাশী পথেৰে বিজুলী সঞ্চাৰে জম্বুদ্বীপ জিনিলে আৰু ধৰ্মৰ সেতু বান্ধি কলিক নিগ্ৰহ (দমন) কৰিলে।

ৰজা পৰীক্ষিতে ইৰাৱতী নামৰ এগৰাকী কন্যাক বিয়া কৰালে। জন্মেজয় আদি কৰি চাৰিপুত্ৰৰ জন্মও হ'ল। কিন্তু তেওঁ তৰুণ কালতে প্ৰাণ ত্যাগ কৰিবলগা হ'ল। কাৰণ এবাৰ পৰীক্ষিত ৰজাই সসৈন্যে হাতত ধনু-কাঁড় লৈ মৃগয়া কৰিবলৈ গৈছিল। অৰণ্যত ঘূৰি ঘূৰি ক্ষুধা তৃষ্ণাত আতুৰ হৈ পানী বিচাৰি নাপাই শমীক ঋষিৰ আশ্ৰমত সোমাল। সেই সময়ত শমীক ঋষি ধ্যানত বহি আছিল। ৰজাই পিয়াহত আতুৰ হৈ ঋষিক পানী পানী বুলি চিঞৰিবলৈ ধৰিলে। ধ্যানত মগ্ন হৈ থকা ঋষিয়ে চকু নেমেলা দেখি ৰজাৰ খং উঠিল আৰু এটা মৰা সাপ ধনু-কাঁড়েৰে আনি শমীক ঋষিক ডিঙিত মেৰিয়াই দিলে। তাৰ পিছত ৰজা তাৰপৰা গুচি গ'ল।

পিছত শমীক মুনিৰ তেজস্বী পুত্ৰ শৃঙ্গীয়ে যেতিয়া শুনিবলৈ পালে যে পৰীক্ষিত ৰজাই তেওঁৰ পিতাকৰ ডিঙিত মৰা সাপ আঁৰিলে, তেতিয়া খঙত কমণ্ডলুৰ পানী চুই পৰীক্ষিত ৰজাক শাপ দিলে যে আজিৰ পৰা সাত দিনৰ মূৰত তক্ষক সাপে ৰজাক খুটি মাৰিব।

ধ্যানৰ অন্তত শমীক মুনিয়ে কথাটো জানি পুত্ৰ শৃঙ্গীক ব্যথিত হৈ পুত্ৰক তিৰস্কাৰ কৰি কৈছে যে পৰীক্ষিত বৰ ভাল ৰজা, তই অলপ দোষতে কিয় ইমান ডাঙৰ শাপ দিলি। এনেজন ৰজাৰ মৃত্যু হ'লে প্ৰজাবিলাকৰ বৰ কষ্ট হ'ব। ৰজা নাইকিয়া হ'লে খট-চোৰ-ডকাইতবোৰে গাঁও-দেশ সকলো লুটপাত কৰি সৰ্বনাশ কৰিব। তই অমোচন পাপ কৰিলি। তেওঁ যদি উলটি আমাকো তেনে পাপ দিলেহেঁতেন তেন্তে আমাৰ প্ৰায়শ্চিত হ'লহেঁতেন। কিন্তু কৃষ্ণৰ দাস পৰীক্ষিতে তেনে কাম নকৰে। গতিকে আমাৰ এইটো মচিব নোৱাৰা পাপ হৈ ৰ'ল।

শমীক ঋষিয়ে ভগৱন্ত কৃষ্ণক মিনতি কৰি কৈছে— হে প্ৰভু ভগৱন্ত। এই দুৰাশয়টোৱে তোমাৰ ভকতক শাপ দিলে। হে প্ৰভু। এই অজ্ঞানীটোৰ দোষ মৰিষণ কৰক।"

ইফালে শৃঙ্গী মুনিৰ শাপৰ বাতৰি পোৱাৰ আগতেই ৰজাৰ মনত অনুশোচনা উপজিছিল। শাপৰ বাতৰিত পৰীক্ষিতে কৈছে— 'মই মহাপাপীৰ উচিত দণ্ড হৈছে।' পৰীক্ষিতে ভাবিলে—

"কৃষ্ণৰ চৰণে সেৱা মোক্ষতো অধিক।
চিত্তত দঢ়াইলা অতি হৰি ভকতিক।।
জন্মেজয় পুত্ৰক কৰিলা অভিষেক।
দিলা ৰাজ্যভাৰ তেজি আছিলা যতেক।।"

—ভাগৱত

কৃষ্ণৰ চৰণ সেৱা মোক্ষতকৈ অধিক। গতিকে পৰীক্ষিত ৰজাই জন্মেজয়ৰ ৰাজ অভিষেক কৰি নিজৰ মন দৃঢ়ভাৱে হৰি ভক্তিত অৰ্পণ কৰিলে। যেতিয়া ৰজাই মৰণৰ কথা চিন্তা কৰি কৃষ্ণৰ চৰণত একান্ত শৰণ লৈ গংগাৰ পাৰত কুশাসন পাৰি বহিল। পৰীক্ষিতৰ কাষলৈ আহিল জগত পৱিত্ৰকাৰী ঋষি-মুনিসকল। যথাক্ৰমে—

"জগচ পৱিত্ৰকাৰী সৱে মহামূৰ্ত্তি।
শুনা তাসম্বাক লেখ দিওঁ প্ৰতি প্ৰতি।।
অগস্তি অংগিৰা ভৃগু গৌতম সগৰ।
বশিষ্ঠ অৰিষ্ট নেমী ৰাম পৰাশৰ।।
পিপ্পল্লাদ মৈত্ৰেয় নাৰদ ঋষিৰাজ।
বিশ্বামিত্ৰ মৈত্ৰেয় উতয্য ঔৰ্ব্বন্যাস।।
অত্ৰি ইন্দ্ৰ প্ৰমদ নাৰদ ঋষিৰাজ।
গাধি মেধাতিথি ইধ্যাৰাহু ভৰদ্বাজ।।
পুলহ পুলস্তি পূণ্য প্ৰভু জাম্বৱন্ত।
চ্যবন সবন অস্তিযেন সৰদন্ত।।
উতংক নিশংক শংখ দুৰ্বাসা দুৰ্মতি।
কন্ব কালকুঞ্জ ক্ৰুত কুশীল সুমতি।।
দেৱঋষি ৰাজঋষি ব্ৰহ্মঋষি যত।
অৰুণ প্ৰমুখ্যে আদি ভৈলা উপগত।।
দেখি পৰীক্ষিত গাৱ চালি সচকিতে।
সাদৰে আসন পাৰি বসাইলা তহিতে।।
পাদ্য অৰ্ঘে ধূপে পূজি পুৰি মনকাম।
সবাকো কৰিলা শিৰে নৃপতি প্ৰণাম।।"

ঋষি-মুনিসকলক গংগাৰ পাৰত আসন পাৰি বহুৱাই সকলোকে পাদ্য-অৰ্ঘ-ধূপে-দ্বীপে পূজি ৰজাই শিৰেৰে প্ৰণাম কৰিলে আৰু ক'লে—

"গৃহ অন্ধকোপত কৰিলো মই পাপ।
কৃষ্ণৰেহে প্ৰসাদত পাইলো ঋষিশাপ।।
জানন্ত বিফলে মৰে ভৃত্যৰ সন্ততি।
শাপ দিয়াই ওপজাইলা মোৰ বিৰকতি।।"

—ভাগৱত

ঋষিৰ শাপে পৰীক্ষিতৰ বিষয়ৰ প্ৰতি বিৰকতি ওপজালে। ভাগৱত শাস্ত্ৰই কৈছে—

"ভয় যেৱে নুপজে বৈৰাগ্য নুহি তাৱে।
বিৰকতি নভৈলে নভজে হৰি পাৱে।।"

পৰীক্ষিতে কৈছে— এইটো শাপ নহয়, পৰম প্ৰসাদহে। এই শাপে গৃহ সংসাৰৰ অন্ধকূপত থকা মোৰ শৰীৰটো মুকলি হ'ল। হে ঋষিসৱ, আপোনাসৱে মোৰ ওপৰত দিয়া ঋষিৰ শাপ ব্যৰ্থ নকৰে যেন। আপোনাসৱে মোৰ কেনেকৈ একান্তভাৱে হৰিৰ স্মৰণ হয়, সেই কথাহে কওক। মোৰ নিজ কৰ্ম অনুসৰি য'তেই জন্ম হওক, ত'তেই যেন কৃষ্ণৰ সংগত ৰতি হয়, আপোনাসৱে মোক সেই আশীৰ্বাদ দিয়ক। ঋষিসৱে পৰীক্ষিতক সাধু সাধু বুলি প্ৰশংসা কৰিবলৈ ধৰিলে। হে ঋষিসৱ, আপোনাসৱ মূৰ্তিমন্ত দেৱগণ, আপোনাসৱ মোৰ উপকাৰত আহি উপস্থিত হ'লহি। গতিকে আপোনাসৱক সোধো— "মানুহৰ মহাধৰ্ম কি? মানুহৰ কৰ্তব্য কি? কেনেকৈ মানুহ সৰ্বপাপত উদ্ধাৰ হয়? কোন কৰ্ম কৰিলে মানুহে সংসাৰৰ সীমা পায়? বিশেষকৈ ম্ৰিয়মান লোকে কি কাম কৰিব লাগে মোক সেই কথা বুজাই কওক।

পৰীক্ষিতৰ এই কথা শুনি কোনোৱে ক'লে— তপ কৰিলে পৰম গতি পায়, কোনোৱে ক'লে যজ্ঞ কৰিলে মহাসিদ্ধ হয়, কোনোৱে ক'লে তীৰ্থ স্নান কৰিলে পৰম মুক্তি পায়, কোনো ক'লে মহাযজ্ঞ কৰিলে সংসাৰ তৰিব পাৰি, কোনোৱে ক'লে মহাজ্ঞানৰ পৰা নৰক এৰাব পাৰি। এইদৰে ঋষিসকলে নিজ নিজ মত অনুসৰি নানা সমাধান দিলে যদিও ৰজাৰ মনটো শান্ত নহ'ল।

এইমতে ঋষিসকল সমন্বিতে সকলো বহি থাকোঁতে ব্যাসসুত শুকদেৱ ভ্ৰমণ কৰি কৰি তাত উপস্থিত হ'লহি। দেখাত যোল্ল বছৰীয়া কুমাৰৰ দৰে চেহেৰা, শ্যাম বৰণীয়া, শৰীৰৰ অংগবিলাকৰ ৰূপ-লাৱণ্য বৰ তেজাল। সদায় হাস্য বদন। ঋষিসকলে তেওঁক দেখি থিয় হৈ হৰি হৰি ধ্বনি দিলে আৰু আদৰ-সাদৰ কৰি স্বাগতম জনালে। ৰজাই সুৱৰ্ণত আসনত বহিবলৈ দি সেৱা জনালে।

ৰজাই কৰযোৰে ক'লে— "আমি অন্তকালত দেৱৰো দুৰ্লভ আপোনাক দৰ্শন পালোঁ। হে প্ৰভু, আমাৰ মৰণৰ সময়ত আপোনাৰ চৰণত এই প্ৰশ্ন সোধো যে, ম্ৰিয়মানলোকে বা মৰণৰ আগন্তুক হোৱাজনে সদায় কি কৰ্ম কৰা উচিত? মানুহে কাৰ কথা শুনিব লাগে, কাক জপ কৰিব লাগে আৰু কোন দেৱতানো ভজিবৰ যোগ্য। সেই সকলো কথা মোক শীঘ্ৰে কওক বুলি কওঁতে ৰজাৰ চকুৱেদি প্ৰেমৰস নিগৰি আহিল।

শুকমুনিয়ে ৰজাৰ প্ৰেম-ভক্তি দেখি তুষ্ট হ'ল আৰু ৰজাক সাধু সাধু বুলি প্ৰশংসা কৰি উত্তৰ দিলে।

"শুনিয়োক সভাসদ মহাভাগৱত পদ
কৃষ্ণ কথা পৰম অমৃত।
ভুকুতি মুকুতি যজ্ঞ সৱে হোৱে উপগত
ইহ পৰলোক মহাহিত।।
পূৰ্বতে নজানে কেৱে পৃথিৱীত শুকদেৱে
কলি যুগে কৰিলা প্ৰচাৰ।
বিচাৰি নিশ্চয় কৰি পিয়া আৰু কৰ্ণ ভৰি
মহা মহা ভাগ্য আছে যাৰ।।
সমস্ত শাস্ত্ৰৰ মত বেদ বেদান্তৰ তত্ত্ব
কৃষ্ণেওসে পৰম ইষ্টদেৱ।
পূজে যাক ব্ৰহ্মাহৰে কোননো পামৰ নৰে
তাকে আসি নকিৰব সেৱ।।"

কৃষ্ণৰ কথা ভাবিলে ভক্তি-মুক্তি ইত্যাদি সকলোবিলাক আহি অনায়াসে উপস্থিত হয়হি আৰু মানুহৰ ইহলোক-পৰলোক আদি সকলো কালৰ কাৰণে মহাহিত সাধন হয়। পূৰ্বতে এই কথা কেৱে জনা নাছিল। কলিযুগত শুকদেৱে আনি পৃথিৱীত প্ৰচাৰ কৰিলেহি। যিসকলৰ মহাভাগ্য আছে তেওঁলোকে ইয়াক কৰ্ণ ভৰি পান কৰক। সমস্ত শাস্ত্ৰৰ মত আৰু বেদ বেদান্তক তত্ত্ব এয়ে যে কৃষ্ণহে (আত্মা) মানুহৰ পৰম ইষ্টদেৱতা। যিজনক ব্ৰহ্মা আৰু হৰয়ো পূজা কৰে, সেইজনক সেৱা নকৰাবোৰ পামৰ বা নীচ, অধম আৰু অজ্ঞানী। ঘোৰ কলিযুগত পাপমতি মানুহৰ হৰি কীৰ্তনৰ বাহিৰে অন্য ধৰ্ম নাই। স্ত্ৰী, বাল্য, বৃদ্ধ সমস্ত লোকৰে হৰিনামত অধিকাৰ আছে। হৰিনাম লোৱাৰ লগে লগেই চণ্ডালকো নামে উদ্ধাৰ কৰে। জ্ঞানীসকলৰো মোক্ষৰ পথ হৈছে কেৱল নামহে। নামৰ বাহিৰে কাৰো একো মঙ্গল নহয়। পৰীক্ষিত, চাৰিও বেদৰ এয়ে সাৰতত্ত্ব বুলি জানি তোমাৰ মনৰ সকলো সংশয় দূৰ কৰা। অৱশেষত মহাজ্ঞান পাই পৰীক্ষিতে প্ৰাণ তেজি কৃষ্ণপদ পালে।◆

মণিকাঞ্চন

## সম্পাদকীয়

// অষ্টাদশ বছৰ ঃ দশম সংখ্যা Ð গুৱাহাটী Ð
অক্টোবৰ ২০১৩ — ৫৬৪ শঙ্কৰাব্দ ।।

ইংৰাজী চন, তাৰিখ হিচাপে ডিচেম্বৰ মাহ বছৰৰ শেষৰ মাহ যদিও মণিকাঞ্চনৰ চৰকাৰী অনুমোদন হিচাপে ডিচেম্বৰ মাহটোত প্ৰকাশিত সংখ্যাটোকে বছৰৰ প্ৰথম সংখ্যা বুলি ধৰা হয় আৰু সেই অনুসাৰে মণিকাঞ্চনৰ ডিচেম্বৰ মাহৰ সংখ্যাটি ঊনবিংশ বছৰৰ প্ৰথম সংখ্যা হৈছে। বয়স হিচাপে মণিকাঞ্চন যৌৱনৰ দিশত অগ্ৰসৰ। এজন সন্তানৰ পৰিয়ালৰ প্ৰতি বহু দায়িত্ব আৰু কৰ্তব্য থাকে। মণিকাঞ্চন শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সন্তানৰ দৰেই। সেই সূত্ৰে মণিকাঞ্চনৰো দায়িত্ব আৰু কৰ্তব্য আছে। সেই দায়িত্ব আৰু কৰ্তব্য মণিকাঞ্চনে পালন কৰি আহিছে আৰু ভৱিষ্যতলৈও পালন কৰি যাব নিশ্চয়। মন কৰিবলগা কথাটো হ'ল— এজন সন্তানৰে কেৱল পৰিয়ালৰ প্ৰতি দায়িত্ব থাকে এনে নহয়, পৰিয়ালৰো সন্তানৰ প্ৰতি দায়িত্ব থাকে। উভয়ৰে সহাৱস্থান আৰু সহযোগিতাৰ যোগেদিহে পৰিয়াল টনকীয়াল হ'ব পাৰে। গতিকে উভয়ৰে দায়িত্ব গধূৰ। দুয়ো লগলাগি আন্তৰিকতাৰে কাম কৰি গ'লে প্ৰগতি অনিবাৰ্য। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘই তেনে এক প্ৰগতিৰ মেছেজ মণিকাঞ্চনৰ যোগেদি সমাজক দিবলৈ অহৰহ অহোপুৰুষাৰ্থ কৰি আহিছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে যিখন শ্ৰেণী বৈষম্যহীন সমাজ নিৰ্মাণ কৰি গৈছিল, সেইখন সমাজ আজি সেই অৱস্থাত নাই। মহাপুৰষ শ্ৰীশঙ্কৰে বন্ধা পৱিত্ৰ প্ৰেম অমৃতৰ নদী চতুৰলোকৰ চতুৰালিত, দুষ্ট দুষ্টালিত আৰু কেলেহুৱাৰ এলাহত কলুষিত হ'ল। কালৰ গঢ়া খহনীয়াৰ কবলত পৰি নদীৰ চিন হেৰুৱাৰ উপক্ৰম। তাতে যেনিবা চিন্তাশীল ব্যক্তিসকলে বহু চিন্তা-চৰ্চা কৰি শঙ্কৰী ধাৰাটো শুদ্ধ ৰূপত ধৰি ৰাখিবলৈ চেষ্টা কৰি আহিছে। তাৰ ভিতৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ ভূমিকাও লেখত ল'বলগীয়া।

সমাজত সংবাদ পত্ৰৰ ভূমিকা অপৰিসীম। এখন সংবাদ পত্ৰ হিচাপে মণিকাঞ্চন বহুদিনীয়া পুৰণি নহয়। কেৱল মাত্ৰ বিশটা বছৰহে অতিক্ৰম কৰিছে মাথোন। এইখিনি কম সয়মতে মণিকাঞ্চনে সঠিক দিশেৰে আগবাঢ়িছে বুলিয়ে বিশ্বাস কৰিব পাৰি। অনাগত দিনত মণিকাঞ্চন কেনেদৰে আগবাঢ়িব তাৰ গতি-বিধি সময় সাপেক্ষে নিৰ্ণয় কৰা হ'ব। মূলসঙঘ তথা ৰাইজে ইয়াৰ গতি নিৰ্ণয় কৰাত দিহা-পৰামৰ্শ আগবঢ়াই সঠিক বাটত খোজ দিয়াত সহায় কৰিব বুলি আমাৰ বিনম্ৰ অনুৰোধ।

মণিকাঞ্চন এখন বাৰ্তালোচনী। বিভিন্ন বাৰ্তা যোগান ধৰাৰ লগতে এখন আলোচনীৰ কামো কৰি আহিছে। অৱশ্যে ইয়াক বাতৰি কাকতৰ লগত ৰিজাব নোৱাৰি। সাধাৰণ বাতৰি কাকতৰ চৰিত্ৰৰ পৰা মণিকাঞ্চন কিছু বেলেগ, কাৰণ মণিকাঞ্চনক শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ নীতি-আদৰ্শৰ পৰিসীমাৰ ভিতৰত ৰাখি প্ৰকাশ কৰা হয়।

আমি আশা কৰিম মণিকাঞ্চনে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ মেছেজ অসমৰ জাতি-উপজাতি, শিক্ষিত-অনাখৰী সকলোৰে কাষলৈ লৈ যাবলৈ সমৰ্থ হ'ব আৰু এইক্ষেত্ৰত অসমৰ চিন্তাশীল লোক আৰু বিদ্বৎ সমাজে উৎকৃষ্ট সমলেৰে মণিকাঞ্চনক সকলো প্ৰকাৰে সমৃদ্ধ কৰি তুলিব তাকে আহ্বান কৰি কৰপুতে সেৱা ধৰা হ'ল।

এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি

## পদাধিকাৰৰ কলম

।। ৰজনীকান্ত দত্ত।।



এটা বছৰ চকুৰ আগতে পাৰ হৈ গ'ল। এটা সৰীসৃপৰ দৰে বগাই বগাই আতৰি গ'ল। মহাকালৰ বুকুত ১টা বছৰ, ১২ টাকৈ মাহ, ৩৬৫ টাকৈ দিন জাহ গ'ল। ২০১৩ বৰ্ষটো ইতিহাস হ'ল। বছৰটো আমি বিদায় দিয়া নাই। আমাক বছৰটোৱে নিষ্ঠুৰভাৱে এৰি অনন্ত সময়ৰ মাজত নিজে লুকাই থাকিল, হেৰাই গ'ল। এই সময় অনন্ত কালৰ গৰ্ভত লীন গ'ল। কিন্তু সকলোৰে বাবে সময় হেৰাই নাযায়। চিন্তাহীন, অলস জীৱনৰ বাবে সময়বোৰ দুঃসময়লৈ ৰূপান্তৰ ঘটে। কৰ্মযোগী, সাধকসকলৰ বাবে সময়ে কঢ়িয়াই আনে মণি-মুকুতাভৰা সফল ভৱিষ্যত।

সময়ক ধৰি ৰাখিবৰ বাবে পৰিকল্পনা কৰা হয়। ইয়াক ধৰি ৰাখিব পাৰে কৰ্মসাধনাৰ যোগেদি। ব্যক্তিতাত জীৱনেই হওক, কিম্বা সামাজিক জীৱনেই হওক সময়ক ধৰি ৰাখিবৰ বাবে কৰ্মসূচী সম্বলিত পৰিকল্পনাৰ প্ৰয়োজন। পাৰ হৈ যোৱা পাঁচ হাজাৰ বছৰীয়া ঐতিহ্যমণ্ডিত ভাৰতীয় ইতিহাসক ধৰি ৰাখিছে মহাভাৰতীয় ৰামায়ণী সাহিত্যৰ সুবিশাল, সুগভীৰ বুকুত। বেদ-বেদান্তৰ বুকুৰেদি সাৱলীল ৰূপত প্ৰবাহিত হৈ আছে অনন্ত গতিৰে পুৰাতন সভ্যতাৰ ফল্গুধাৰা। এই ধাৰা গতিময়, ৰসময়, শাশ্বত, অতি জীৱন্ত।

দিন-বাৰ, মাহ-বছৰ, যুগ-যুগান্তৰৰ ৰূপত সময়ে বাগৰ সলাইছে। একেই গতি, একেই ৰূপ। অতীতে সামৰি থোৱা এটা গতি, এই ৰূপ। এই সময়ৰ গতিক প্ৰাণৱন্ত কৰি তোলে মানুহৰ মহান প্ৰচেষ্টাৰ দ্বাৰাই। এই ৰূপক জীৱন্ত, মূৰ্তিমন্ত কৰি তোলে মানুহৰ চিন্তা, মানুহৰ কৰ্ম প্ৰেৰণাই। তাৰ বাবে সময়ৰ হাত বাউলিৰ প্ৰতি সজাগ দৃষ্টিৰে মনোনিৱেশ কৰিব পৰা মানুহ লাগে আমাক। মানুহ, সময় সচেতন, জীৱন জিজ্ঞাসাৰে উন্মুক্ত মনৰ মানুহ। সেই মানুহবোৰে সপোন দেখিব লাগিব, স্বপ্নাতুৰ প্ৰাণৰ আকুতিৰে মাগ দৰ্শনৰ জিজ্ঞাসা সেয়া।

একোজন মানুহৰ জীৱন সুন্দৰ হৈ উঠে। তেওঁৰ জীৱনৰ শ্বাস-প্ৰশ্বাস, গতি-গোত্ৰ, মাত-কথা, চিন্তা-চেতনাৰ ছন্দময় প্ৰকাশত। তেওঁ কি ৰূপে জীৱনৰ প্ৰতিটো মুহূৰ্ত সুচিন্তিত ৰূপত ব্যৱহাৰ কৰিব পাৰিছে, কি ৰূপে প্ৰতিটো পল, প্ৰতিটো অনুপল জগতৰ কল্যাণৰ বাবে ব্যয় কৰিছে-- এই মহৎ দৰ্শনৰ আঁৰত লুকাই আছে এক মানবীয় প্ৰমূল্যৰ ইতিহাস। এই ধৰিহাসে কঢ়িয়াই আনে সঁচা জীৱনৰ সম্ভাৱনাৰে ভৰা অতুল বৈভৱ। ব্যক্তি জীৱনৰ ব্যাপ্তিৰ প্ৰাচুৰ্যত জীৱনে নতুন মোৰ লয়, সমাজে নতুন গতি লাভ কৰে। এই গতিয়ে কঢ়িয়াই আনে এক অনাবিল প্ৰেৰণাৰ বন্যা, ঢৌৱাই নিয়ে জীৱন বিধ্বংসী কলুষতা। সমাজ জীৱনৰ পৰিপূৰ্ণতাৰ সঁচাৰ কাঠিয়েই হ'ল জগতক ভাল পাবলৈ শিকাৰ প্ৰৱণতা, আপোন কৰি কাষ চপাই আনিব পৰা হৃদয় শক্তি, অনুৰাগী আবেগ। সমাজ জীৱন উজলি উঠিব লাগিব, জোনাকী জ্যোৎস্নাৰে প্ৰতিভাত হব লাগিব। এই পোহৰৰ জোৰবাতি জ্বলাবলৈ আমাক লাগে মনৰ বিপ্লৱ, হৃদয়ৰ আবেদন, ৰূপ ৰসৰ। পৰিবৰ্তিত ৰূপান্তৰ। এই ৰূপান্তৰত আৱিৰ্ভাৱ হব জোন জোনালীৰ সভা, আলোকিত হব জোনাকী মেলৰ ফৰিংফুটা পোহৰ।

সময়ক ধৰি ৰখা হয় কামেৰে। 'কৰ্মন্যেৱাধিকাৰস্তে মা ফলেষু কদাচন'। জীৱনটো দৰাচলতে কৰ্মৰেই সমষ্টি। কৰ্মৰ তালিকা যাৰ যিমান দীঘল। আকঙ্খিত ফলো তেনে দীঘলীয়া আৰু মধুৰ হ'বই।

পাৰ হৈ যোৱা বছৰটো শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বাবে এটা ফলদায়ক, আশাব্যঞ্জনক বৰ্ষ। ইতিমধ্যে ঘোষিত লক্ষ্যৰ উদ্দেশ্য ৰাখি বহুলাংশে ৰূপায়ণ কৰা হৈছে। আবাল, বৃদ্ধ বনিতাক লৈ যাত্ৰাৰম্ভ কৰা এই উত্তৰ-পূৱ ভাৰতত সুবৃহৎ ধৰ্মীয়-সাংস্কৃতিক, জাতীয় অনুষ্ঠানভাগে ইতিমধ্যে, মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱনাদৰ্শেৰে মানৱতাবাদৰ মহান আদৰ্শসমূহ জনজীৱনৰ প্ৰতিটো ক্ষেত্ৰত ৰূপায়নৰ বাবে কৰা যাত্ৰা এয়া। এই যাত্ৰাৰ পথ যিমানেই কণ্টকাকীৰ্ণ নহওক কিয়ঃ তাক অতিক্ৰম কৰিবই লাগিব, সফলতাৰ সেন্দুৰী আলি সৃষ্টি কৰিবই লাগিব। এই প্ৰতিশ্ৰুতিৰে আৰম্ভ কৰা যাত্ৰাৰ সফলতাৰ আৰত লুকাই আছে এখন ৰসাল, জীপাল মানুহৰ পৃথিৱী। ল'ৰাৰ পৰা বুঢ়ালৈ, সৰুৰে পৰা বৰলৈ, সকলোৱে এই যাত্ৰাৰ যাত্ৰীৰূপে আগবাঢ়িবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়' বিল আইনলৈ পৰিবৰ্তন ঘটাই অসম চৰকাৰে অনুমতি প্ৰদান কৰিছে এই বছৰতে জুলাই মাহৰ গ্ৰীষ্মকালীন অধিৱেশনত। মূল কাৰ্যনিৰ্বাহক সভাই যুদ্ধকালীন ক্ষিপ্ৰতাৰে বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ল'বলগীয়া বিভিন্ন ব্যৱস্থাপনা ইতিমধ্যে হাতত লৈ ৰূপায়নৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই প্ৰসঙ্গত বিশেষ প্ৰতিনিধি সভা, বিশেষ বৰ্দ্ধিত মূল কাৰ্যনিৰ্বাহকৰ বৈঠকত লোৱা সিদ্ধান্তসমূহ প্ৰণিধানযোগ্য। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ইতিমধ্যে আৰম্ভ কৰা হৈছে জাগৰণ সভা। এখনৰ পিছত এখনকৈ জিলাসমূহত এনে জাগৰণ সভাৰ যোগেদি গুৰুজনাৰ নামত প্ৰতিষ্ঠিত এই বিশ্ববিদ্যালয়খন যাতে সকলো দিশৰ পৰা সুউপযোগীৰূপে সৰ্বাঙ্গসুন্দৰ কৰি গঢ়ি তুলিব পৰা যায় তাৰ বাবে সকলো পক্ষলৈ আন্তৰিক আবেদন জনোৱা হৈছে। আমাৰ আবেদনঃ জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলোৱে সক্ৰিয় সহযোগিতাৰ আবেদন। আমাৰ নিবেদন এই বিশ্ববিদ্যালয়খনক জাতীয় বিশ্ববিদ্যালয়ৰূপে গঢ় দিবৰ বাবে প্ৰয়োজনীয় ধন-জন, বুদ্ধি-ভাৰষা, আঁচ-বাব, ঘৰ-দুৱাৰ সা-সঁজুলি আদি সকলো ক্ষেত্ৰতে ৰাজহুৱা কিম্বা ব্যক্তিগত সহায়ৰ হাত উজান দিয়া। ইতিমধ্যে মূল কাৰ্যনিৰ্বাহক সভাই এই বিশ্ববিদ্যালয়খনত আন্তঃগাঁথনি উন্নয়নৰ অৰ্থে দিশপুৰৰ পৰা দিল্লীলৈকে বিভিন্ন অৰ্থৰ উৎসৰ সন্ধান কৰিছে। ২০১৪ বৰ্ষৰ শিক্ষাবৰ্ষৰ পৰা সম্ভৱস্থলত পাঠ্যক্ৰম আৰম্ভৰ বাবে সকলো কাৰ্যক্ৰম আগুৱাই নিয়াৰ প্ৰচেষ্টাও ইতিমধ্যে হাতত লোৱা হৈছে। আমি এই প্ৰসঙ্গতে জাতীয় চেতনাসম্পন্ন সকলো পক্ষলৈকে এই জাতীয় অনুষ্ঠানভাগত আন্তৰিক সহযোগিতা বিচাৰি আন্তৰিক আবেদন জনাইছো।

এই বছৰতে ৰূপনগৰ সাংস্কৃতিক প্ৰকল্পত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘই কেন্দ্ৰীয় ডনাৰ মন্ত্ৰালয়ৰ আৰ্থিক অনুদানেৰে এটি আটকধুনীয়া কেইবা মহলীয়া ঘৰ নিৰ্মাণৰ কামো হাতত লৈ আগবঢ়া হৈছে। ৯.৩০ কোটি টকাৰে নিৰ্মীয়মান এই প্ৰকল্প সম্পূৰ্ণ হ'লে অনুষ্ঠানৰ ইতিহাসত এটি মাইলৰ খুটি ৰূপে চিহ্নিত হোৱাৰ লগতে অসমৰ দুৱাৰমুখ ৰূপে চিহ্নিত গুৱাহাটীৰ দৰে মহানগৰখনত যুগৰ বাবে প্ৰয়োজনীয় বহুতো অভাৱৰো পূৰণ হব বুলি আমাৰ একান্ত বিশ্বাস। পাৰ হৈ যোৱা বছৰটোতে শঙ্কৰী সঙ্গীতৰ কেইবাখনো মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি তাৰ বাবে প্ৰয়োজনীয় সকলো তথ্য জোৰা মাৰি গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অনুমোদনৰ বাবে প্ৰস্তুত কৰি তোলা হৈছে।

পাৰ হৈ যোৱা বছৰটো মায়ানগৰী মোম্বাই চহৰত মোম্বাইস্থিত প্ৰবাসী অসমীয়াসকল তথা মোম্বাইৰ বিদ্বৎ সমাজৰ সহযোগিতাত গুৰুজনাৰ ৫৬৫ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱৰ লগত সংহতি ৰাখি নতুন মুম্বাই আৰু পুৰণি মুম্বাই দুখনকৈ ৰাষ্ট্ৰীয় আলোচনাচক্ৰ অনুষ্ঠিত কৰি গুৰুজনাৰ ধৰ্ম নীতি আদি আদৰ্শৰাজি বিদ্বৎ সমাজৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(১৯ পৃষ্ঠাত চাওক)

# কীৰ্ত্তন-ঘোষাৰ ধ্যান বৰ্ণনৰ তাত্ত্বিক আলোচনা

**যোগেন ভূঞা**

কীৰ্ত্তন-ঘোষাৰ একাদশ নম্বৰ ঘোষা সম্বলিত 'ধ্যান বৰ্ণন' খণ্ডটি লেখত ল'বলগীয়া তথা বহুমূলীয়া ৰত্ন। ধ্যান বৰ্ণন খণ্ডৰ অংশ দুটা প্ৰথম খণ্ডত বৈকুণ্ঠৰ ছবি দাঙি ধৰা হৈছে আৰু দ্বিতীয় কীৰ্ত্তনত পৰমপুৰুষ কৃষ্ণৰ স্থূলৰূপৰ বৰ্ণনা দিয়া হৈছে। প্ৰভু ভগৱন্তই নিজৰ কাৰণে এনে এখন ঠাই নিৰ্মাণ কৰিছে যি ঠাই ব্ৰহ্মাণ্ড বিলাকৰ বাহিৰত আৰু তাত তাৰাৰ ভক্ত সমস্তই ভগৱন্তৰ গুণানুকীৰ্তনত মতলীয়া হৈ আনন্দ সিন্ধুত মজি থাকে। বৈকুণ্ঠ এনে এখন ঠাই য'ত চন্দ্ৰ সূৰ্য পোহৰ নোহোৱা কৈয়ে আলোকিত হৈ থাকে। যাতায়তৰ বিমানসমূহ বৈদুৰ্য্য হীৰা আৰু মৰকত মণিৰে নানা কাৰুকাৰ্য খচিত। তাত এটা ধুনীয়া সৰোবৰ আছে আৰু সেইটো নিৰ্মল পানীৰে পৰিপূৰ্ণ বুলি কোৱা হৈছে। সেই নিৰ্মল পানীত ৰাজহাঁহবিলাকে পদুমৰ গুৰি কুচৰ মৃণাল উভালি তৃপ্তিৰে ভক্ষণ কৰা দৃশ্য অৱতাৰণা কৰিছে। পখীবিলাকে সুললিত গীত গাইছে আৰু ভোমোৰাবিলাকেও হৰি গীত গাই মতলীয়া হৈ ফুৰিছে। এনে মনোমোহা বৈকুণ্ঠত এটা ওখ মন্দিৰ আছে তাৰ খুটাবিলাক বৈদুৰ্য মণি খচিত স্ফটিকৰ দ্বাৰা নিৰ্মিত আৰু দুৱাৰ-খিৰিকীবিলাক বৈদুৰ্য মণি খচিত স্ফটিকৰ দ্বাৰা নিৰ্মিত আৰু অতি মনোমোহা। ভগৱন্তৰ গৃহ ইমান ধুনীয়া যে কোটি সূৰ্যৰ জ্যোতিয়েও তাৰ সমকক্ষ হ'ব নোৱাৰে। প্ৰভু ভগৱন্তৰ সিংহাসনৰ ওপৰত বিচিত্ৰ চন্দ্ৰ তাপ লগোৱা আছে আৰু সেই সিংহাসনত প্ৰভু উপবিষ্ট হৈ আছে। পাৰিষদবিলাকে মুক্তা নিৰ্মিত ছত্ৰ ধৰি আছে আৰু দুফালৰ পৰা বগা চোঁৱৰেৰে বিচি আছে আৰু তাৰ বতাহত কুসুম ফুলৰ সুবভি ভাহি ফুৰিছে। মহাপুৰুষৰ ভাষাত—

"এক মনে শুণা হৰিৰ ধ্যান।
বৈকুণ্ঠ নামে আথে মহা মান।।
চন্দ্ৰ সূৰ্য্য যেন প্ৰকাশে আতি।
নজানি জাত পশি দিন ৰাতি।।
আছে ৰাজহংস সমূহে ৰঞ্জিত।
ভ্ৰমৰে গণে গাৱৈ হৰি গীত।
বৈষ্ণৱ গণ শুনি আনন্দিত।।" আদি

দ্বিতীয় ঘোষাত ভগৱন্ত প্ৰভুৰ মস্তকৰ পৰা পাদ পৰ্যন্ত সম্পূৰ্ণ বিৱৰণ অঙ্কন কৰা হৈছে। ভকত সমস্তই তাৰাৰ সেই মনোমোহা ৰূপ হৃদিস্থিতি কৰিব পাৰিলেই আজন্মৰ পাপ হৰণ হয়। ভগৱন্তৰ ৰূপ ধ্যান প্ৰসঙ্গত কোৱা হৈছে পদতল আৰুণ বৰণৰ আৰু চৰণ দুখানি পদুম ফুলৰ লগত তুলনা কৰা হৈছে। পদৰ তলত ধ্বজ, বজ্ৰ, যৱ, অঙ্কুশ আৰু পঙ্কজ প্ৰতিবিম্বিত হৈছে। ভৰিৰ আঙুলি পদুম ফুলৰ পাহিৰ লগত আৰু কোমল নখবিলাক ৰত্নৰ পাকৰি সম বোলা হৈছে। উৰু দুই হাতীৰ শুঁৰৰ লগত তুলনা কৰা হৈছে। ভৰি দুখনত ৰত্নৰ অলঙ্কাৰে শোভাবৰ্দ্ধন কৰাই নহয় শক্তিবৰ্দ্ধনৰ ইঙ্গিতো দিয়া হৈছে। সুঠাম আদৰ্শনীয় শ্যাম বৰণীয়া শৰীৰত পীত বৰণীয়া বস্ত্ৰেৰে শোভাবৰ্দ্ধন কৰিছে। বহল বক্ষ স্থলত মুকুতাৰ হাড় পৰিধানেৰে চিকমিকাই আছে আৰু আপাদলম্বী বনমালাই মনোমোহা ৰূপ অঙ্কিত কৰিছে। মালাৰ মধুময় গোন্ধত বিভূৰ হৈ মৌ-মাখিয়ে গুণগুণ কৰি কোৢাল কৰি ৰূপ আকৰ্ষণীয় কৰি তুলিছে। সুঠাম বাহু চাৰিখন নীল বৰণৰ লগত তুলনা কৰা হৈছে তাত কেৰুৰ কঙ্কন বলয়াই অতি আকৰ্ষণীয় কৰি তুলিছে। হাতৰ আঙুলিবিলাক ৰত্নৰ শলাকাৰ লগত তুলনা কৰা হৈছে আৰু প্ৰতিটো আঙুলিতে ৰত্নৰ আঙঠি পিন্ধাৰ বৰ্ণনা দিয়া হৈছে। আটকধুনীয়া সুঠাম চাৰিখন হাতত শঙ্খ, চক্ৰ, গদা আৰু পদ্মই শান্ত, সৌম্য, মূৰ্তিৰ প্ৰকাশ ঘটাইছে। এইদৰে দ্বিতীয় কীৰ্তনত প্ৰভুৰ সুন্দৰ অপৰূপ ৰূপ-লাৱণ্যৰ এটি ৰূপ বৰ্ণনা কৰাত গুৰু শ্ৰীমন্ত শঙ্কৰদেৱ সাৰ্থক হোৱাই নহয় কলিৰ মলমতি মনুষ্যৰ সমস্ত পাপ হৰণ কৰে। দ্বিতীয় কীৰ্ত্তনৰ দহটা শাৰীয়ে বহন কৰা তত্ত্বহে ধ্যান বৰ্ণনাৰ সাৰ—

"হেন মনোহৰ ৰূপ নিৰীক্ষি।
থাকিব সমস্ত অষ্টক দেখি।।
সমস্তকৰ পৰা পাদ পৰ্য্যন্তে।
নমাইবে মনক দুনাই দেখন্তে।।
ধ্বজ বজ্ৰকুশ পঙ্কজ যৱে।
প্ৰদক্ষিণে নমি তড়িব পাৰে।।
এতেকে হৈবেক পৰম সিদ্ধি।
হৰিসি জানা জগতৰ নিধি।।
হেলায়ে সংসাৰ তৰিবা পুনু।
নকৰা বিফল মনুষ্য তনু।।"২৭।।

পৰমপুৰুষ কৃষ্ণৰ এই মনোমোহা ৰূপ মূৰৰ পৰা ক্ৰমশঃ পাদ পৰ্যন্ত স্মৰণ কৰিলে পৰম সিদ্ধি লাভ হয় আৰু লগতে মনুষ্য জীৱন সাৰ্থক হয়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম ভক্তিবাদী। এই ভক্তিবাদী ধৰ্মৰ লগত নৃত্য, গীত, বাদ্য আদি সুকুমাৰ কলাবোৰ ধৰ্ম সাধনৰ প্ৰধান অঙ্গ। কলাৰ লগত সৌন্দৰ্য ওতঃপ্ৰোত সম্পৰ্ক। সৌন্দৰ্যৰ পৰা সুন্দৰ চেতনা জাগৃত হয়। ভগৱন্ত প্ৰভুৰ সৰ্বাঙ্গ সুন্দৰ যি অপৰূপ ৰূপ হৃদয়ত অঙ্কন কৰিলে হৃদয় সুন্দৰ প্ৰয়াসী কৰি তোলাত সহায় হয়। কলিৰ অল্পমতি তথা কলিৰ মলিন লোকৰ হৃদয় আৰু মনৰ অসুন্দৰখিনি দূৰ কৰি সুন্দৰ চেতনা জগাই তোলাৰ উদ্দেশ্যেই এই ব্যৱস্থা। কাৰণ—

"কলিত লোকৰ ধৰ্ম্ম নাহিকে আচাৰ।
নিতে নিতে বাঢ়ে পাপ পৰ্ব্বত আকাৰ।।
কলিত পাতকে লোক হৈবে জৰ্জ্জৰিত।
নুপজিবে পাতকীৰ ভকতি কিঞ্চিত।।
দোষৰ সাগৰ কলি পৰম দুৰ্জ্জন।
পাপ নকৰন্তা আত নাহি একোজন।।"

— ১২শ স্কন্ধ, ৯৬

গতিকে পাপৰ সাগৰ কলিযুগৰ মানৱে যাতে ভগৱন্তৰ এই ৰূপ চিন্তনৰ জৰিয়তে সুন্দৰ প্ৰয়াস উপলব্ধিৰে সংসাৰ তৰণৰ উপায় পাই তাৰ বাবেই এই ব্যৱস্থা তথা উপায়। জীৱশ্ৰেষ্ঠ মানৱৰ মন, কাণ, চকুৱে নৰকগামীও কৰিব পাৰে, বৈকুণ্ঠগামীও কৰিব পাৰো। হৃদয়ত সুন্দৰ চেতনা জাগৃত হ'লে যি শুনিম সদায় ভাল কথাহে শুনিম, চকুয়ে যি দেখা সদায় সদায় যাতে ভালহে দেখা হয়, যি কেইদিন সংসাৰত জীয়াই থকা হয় আৰু সুস্থ শৰীৰে যেন সবাৰো কল্যাণ সাধিব পৰা হয়। গতিকে মহাপুৰুষজনাৰ ধ্যান বৰ্ণনা অধ্যায় অতি গুৰুত্বপূৰ্ণ। ইয়াৰ জৰিয়তে কলিৰ লোক যাতে সুন্দৰ স্বাস্থ্যৱান হয়, সুন্দৰ দৰ্শী আৰু সুন্দৰ শ্ৰী হয় এই শিক্ষা দিয়া হৈছে। লোকৰ কাৰণে ধৰ্ম কৰিব নালাগে, নিজৰ কাৰণেহে ধৰ্ম সাধন কৰিব লাগে। সেয়ে বেদে ঘোষণা দিছে— "মৃত্যু সংহিতো কৰ্তব্য ধৰ্ম সংগ্ৰহ'। অৰ্থাৎ মৃত্যুৰ আগমুহূৰ্তত ধৰ্ম সংগ্ৰহ কৰি লোৱা। পৰীক্ষিতে তাকেই কৰিলে মৃত্যুৰ বিয়লি বেলাত ধৰ্ম সংগ্ৰহ কৰি পৰম গতি পালে। হৃদয় সুন্দৰ কৰিলে পৰম গতি লভিলে।

মহাপুৰুষীয়া সাধন পদ্ধতিত মূৰ্তি পূজাৰ স্থান নাই।

"অন্য দেৱ-দেৱী নকৰিবা সেৱ
মূৰ্তিকো নচাইবা তাৰ" বোলা হৈছে। আনকি পৰমপুৰুষ কৃষ্ণৰ মূৰ্তিও আৰাধনা নিষেধ। গুৰুজনাই কীৰ্ত্তন ঘোষাত—

"ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।।"

ইয়াত মুখে ভগৱন্তৰ নাম হৃদয়ত তেওঁৰ ৰূপ (নাম-ৰূপ) চিন্তন কৰিবলৈ কোৱা হৈছে। ভগৱান নামৰ মাজতেই অন্তৰ্নিহিত হৈ থাকে। ভগৱানৰ নাম লৈ ভকতে পৰমানন্দ লাভ কৰে। ইয়াৰ জৰিয়তে ভকতৰ চতুৰ্বৰ্গ সাধন হয়। ভগৱন্তৰ নামৰ মাজতেই ভকতে ভগৱন্তক পায়। নামৰূপ চিন্তন মহাপুৰুষীয়া ধৰ্মৰ প্ৰধান অঙ্গ। স্মৰণী যে নামৰূপ চিন্তন মানসহে নৈযগিক প্ৰতীক ৰূপ নহয়। ই হৃদয়ৰ অভ্যন্তৰতহে বিৰাজমান। শ্ৰীধৰ স্বামীৰ মতে 'অনুভাৱয়েৎ ধ্যায়েৎ'। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ভাষাত—

"হেন ৰূপে দামোদৰ। হৃদয়ৰ অভ্যন্তৰ।
আছন্ত জগত বাপ। দৰশনে হৰে পাপ।।
তত্ত্বৱাণী হেন জানি। চিন্তিয়োক চক্ৰপাণি।।"

— কীৰ্ত্তন-ঘোষা

সিদ্ধকামী ভকতে এই ধ্যান ৰূপ স্থিৰ বুদ্ধিৰে জপ কৰে। হৰিৰ চৰণ তলৰ পৰা মস্তকলৈ প্ৰতি অঙ্গকে চিন্তে। মনোহৰ মানস ৰূপ (হৃদয়ত) প্ৰত্যক্ষ কৰাৰ অন্তত পুনঃ পাৰে পৰি মানসিকভাৱে সেৱা কৰে।

"ধ্বজ বজ্ৰ পদ্ম অঙ্কুশ সৰে।
প্ৰদক্ষিণে নমি পৰিব পাৰে।।"

ভগৱন্তৰ দেহত ধাৰণ কৰা বস্ত্ৰ-অলংকাৰৰ যি চিত্ৰ অঙ্কন কৰা হৈছে সেই সকলো ভাগৱতৰ বিবিধ বৰ্ণনাৰ অনুৰূপ। আনহাতে 'কেশৱাদি চতুবিংশতি মূৰ্তি' বিষয়ক শাস্ত্ৰবোৰৰ বৰ্ণনাৰ লগটো মিলে। কৃষ্ণই চাৰি হাতত বহন কৰা আয়ুধ কেইপদ ক্ৰমত সজালে শঙ্খ, চক্ৰ, গদা, পদ্ম।

ধ্যান বা একাগ্ৰতাৰ আৱশ্যকতা হ'ল চঞ্চল মনক আনি আত্মাত প্ৰতিষ্ঠা কৰা—

"স্বভাৱে চঞ্চল মন নুহি স্থিৰতৰ।
বিষয় বাসনা আছে অনেক জন্মৰ।।
আত্মাত ৰহিয়া মন বহিব নিশ্চলে।
ব্ৰহ্ম স্পৰ্শ পাপ ভস্ম হৈবেক সকলে।।"

আত্মাক মনক প্ৰতিষ্ঠা নকৰিলে মন দৌৰি দৌৰি কু-চিন্তনমুখী হয়। ফলত মনক বেয়া অভ্যাসবোৰে আৱৰি ধৰি জীৱক নৰকগামী কৰে—

"তাকে বুলি জীৱ মন একে ভিন্ন নুই।
একে ভিন্ন ভৈলে যেন লোহা অগ্নি দুই।।"

— ভাগৱত

কৰ্ণ, ত্বক, চকু, জিভা আৰু নাসিকাই সদায় নিজৰ ফালে টানি মনক বিষয়াসক্ত কৰি তোলে। মনে সেই সেই বিষয়ৰ প্ৰতি সন্মতি দিয়াৰ লগে লগে মন ইন্দ্ৰিয়তকৈ আগতে গৈ সেই ঠাই পাইগৈ আৰু বিপদও তাতেই। চঞ্চল মনক আত্মাত প্ৰতিষ্ঠা কৰি ঈশ্বৰ চিন্তনত বান্ধিব নোৱাৰিলে অমূল্য মানৱ জীৱন নষ্ট ভ্ৰষ্ট হয়।

চিত্তৰ বৃত্তিসমূহ নিৰোধ কৰি আত্মাত প্ৰতিষ্ঠা কৰাই ধ্যান। মন, বুদ্ধি, অহংকাৰ আৰু অন্তকৰণ— এই চৰিতকে চিত্তচতুষ্টয় বোলা হয়। এই চাৰিটাৰ সমষ্টিয়েই চিত্ত। এই চাৰি অসংযমী হ'লে দুষ্ট চিত্ত আৰু সংযমী হ'লে শুদ্ধ চিত্ত। চিত্ত হ'ল ভাৱনা আৰু জ্ঞানৰ জন্মভূমি। পঞ্চ জ্ঞানেন্দ্ৰিয়ৰ আক্ৰমণ যেতিয়া চিত্তৰ ওপৰত পৰে তেনে অৱস্থাত অনুভূতিৰ জন্ম হয় আৰু অনুভূতিকেই চিত্তৰ বৃত্তি বোলা হয় হয়। গতিকে ধ্যান বা একাগ্ৰতাৰ যোগেদি অনুভূতি আত্মাত প্ৰতিষ্ঠা হ'লে জীৱ সংসাৰ তৰণৰ উপায় নাই। এয়ে মহাশক্তি। মানৱৰ যে অফুৰন্ত শক্তিৰ উৎস সেই কথা সিদ্ধ এনে ধৰণেই হয়। গতিকে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰভুজনাৰ কীৰ্ত্তনৰ আধাৰৰ ধ্যান বৰ্ণন কলিৰ মলিন লোকৰ সংসাৰ তৰণৰ এক মহৌষধ তথা বৈজ্ঞানিক চিন্তাৰ ঔষধ।

ভীষ্মদেৱৰ ধ্যানৰ দেৱতা আছিল চতুৰ্ভুজী নাৰায়ণ। তেওঁৰে ভক্তিৰ গুণতেই মৃত্যুৰ সময়ত চিন্ময়ৰূপে চতুৰ্ভুজ হৈ দেখা দিছে। সেই ৰূপ অতি ওচৰতে হাকা সত্ত্বেও স্বয়ং কৃষ্ণৰ উপস্থিতিত নৰদেহা ত্যাগ কৰাৰ সুযোগটো এৰাই যাবলৈ নিদি কৃষ্ণৰ ওচৰত কাতৰ নিবেদন জনাইছে, এনেদৰে—

"দেৱদেৱো ভগৱান প্ৰতীক্ষতাং।
কলেৱৰং যাবদিদং হিনোম্যহম।।
প্ৰশন্নহাষা অৰুণলোচনোল্লাস।
ন্মুখম্বুজে ধ্যানপথ চতুৰ্ভূজঃ।।"

— ভাগৱত, ১/৯২৪

অৰ্থাৎ মোৰ প্ৰভু, যাৰ নবোদিত সূৰ্যৰ দৰে ৰক্তিম নয়ন যুগল, প্ৰফুল্ল হাঁহিৰে সুশোভিত, যাৰ মুখ পদ্ম, যিজন মোৰ ধ্যানৰ দেৱতা চতুৰ্ভূজ নাৰায়ণ কৃপা কৰি মোৰ এই জড় দেহ পৰিত্যাগ নকৰালৈকে মোৰ বাবে প্ৰতীক্ষা কৰক। মৃত্যুৰ সময়ত মুখত কৃষ্ণ নাম আৰু হৃদয়ত চতুৰ্ভুজ ৰূপ অত্যাৱশ্যক নাম-ঘোষাত মাধৱপুৰুষৰ ভাষাত—

"কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি যিটো/ অন্তকালে নিজ প্ৰাণ তেজে/ আদ্যৰ শৰদে মুকুতি তাঙ্ক দিবয়। আৰ আক কিবা দিবো বুলি/ আউৰ দুই পদে লজ্জা হুয়া/ ঋণী ভৈলো বুলি নমাইয়া মাথা থাকয়।।"৬৪১

দেহ অভ্যন্তৰৰ হৃদয় মণিকোঠাত দ্ৰষ্টাৰ ভূমিকাত 'আত্মাৰাম' বহি আছে। অজ্ঞানবশতঃ পঞ্চভৌতিক দেহকে আত্মা বুলি জীৱ ভ্ৰমত পৰি সংসাৰ জীৱচক্ৰত ভ্ৰমি দুখ-কষ্ট ভোগ কৰিবলগা হয়।

"তুমিসে কেৱলে আত্মা মোৰ।
হৰি হৰি তুমিসে পৰম আত্মা মোৰ।।
তোমাক নজানি জড় মিছা শৰীৰক মই
প্ৰণা বন্ধু পীতাম্বৰ এ
আত্মা বুলি ভৈলো সেৱা চোৰ।
প্ৰাণ বন্ধু কিনো মই অজ্ঞানী দুৰ্ঘোৰ হৰি এ।।"

— নাম-ঘোষা, ৭৫১

দেহকে আত্মা জ্ঞান কৰি আত্যন্তিক সুখ, প্ৰভুৰ চৰণ সেৱাৰ পৰা বঞ্চিত হোৱাই নহয়, মায়াময়

(৮ পৃষ্ঠাত চাওক)

# দেৱতাৰ দুৰ্গতি

(২ পৃষ্ঠাৰ পৰা)

সোমাই ইন্দ্ৰ ঐৰাৱতৰ ওপৰত উঠি, কৃষ্ণক চিন্তি ওলাবলৈ বাট বিচাৰি ফুৰিছে। কৃষ্ণৰ কৃপাত যেনিবা পেটটো ফালি হাতীৰে সৈতে ওলাই আহিল। ওলাই আহিয়েই পুনৰ বৃত্ৰাসুৰৰ ডিঙিটো কাটি পেলালে। এইবাৰ বৃত্ৰাসুৰ নিধন হ'ল। দেৱতাসকলৰ মুখলৈ পানী আহিল। সকলোৱেই হৰি সুমৰি, জয় কৃষ্ণ বুলি আনন্দত উত্ৰাৱল হ'ল।

* * *

হৰিৰ প্ৰসাদে দেৱতাগণৰ
মনোৰথ পূৰ্ণ ভৈল।।

* * *

'দেৱৰ দুৰ্গতি ঘনে ঘনে কেনে দেখা।
আন সামান্যৰ আপদৰ কোন লেখা।।
হেন জানি বান্ধৱ কৃষ্ণত এৰা হেলা।
কৃষ্ণেসে ৰাখন্তা মহা দুৰ্গতিৰ বেলা।।'❑

# ঈশ্বৰবাদৰ উৎস

(১ পৃষ্ঠাৰ পৰা)

মন্ত্ৰ-১ ঃ

হিৰণ্যগৰ্ভঃ সমবৰ্ততাগ্ৰে তৰস্য
জাতঃ পতিবেক আসীৎ।
স দাধাৰ পৃথিৱীং দ্যামুতেমাং কস্মৈ
দেবায় হবিষা বিধেম্।

অৰ্থ ঃ সৰ্বপ্ৰথমে হিৰণ্যগৰ্ভই কেৱল বিদ্যমান হৈ আছিল। তেওঁ জন্ম হোৱাৰ লগে লগে সকলো প্ৰাণীৰ অধিকৰ্তা হ'ল। তেৱেঁই এই পৃথিৱীক আকাশত নিজ স্থানত স্থাপন কৰিলে। কোন দেৱতাক হব্যৰ দ্বাৰা পূজা কৰিব?

মন্ত্ৰ - ২ ঃ

য আত্মদা বলদা যস্যবিশ্ব উপাসতে
প্ৰশিষং যস্যদেৱাঃ।
যস্যছায়ামৃতং যস্য মৃত্যু কস্মৈ
দেবায় হবিষা বিধেম্।।

অৰ্থ ঃ যি জীৱাত্মা দিছে, বল দিছে, যাৰ আজ্ঞা সকলো দেৱতায়ে মানে, যাৰ ছাঁয়া অমৃত স্বৰূপ, মৃত্যু যাৰ অধীন, কোন দেৱতাক ... পূজা কৰিব।

মন্ত্ৰ - ৩ ঃ

যঃ প্ৰাণতো নিমিষতো মহিত্বৈক
ইদ্ৰাজা জগতো বভূব।
য ঈশে অস্য দ্বিপদশ্চতুষ্পদঃ কস্মৈ...।।

অৰ্থ ঃ যি নিজ মহিমাৰ দ্বাৰা যাৱতীয় দৰ্শনেন্দ্ৰিয় সম্পন্ন, গতিশক্তিযুক্ত জীৱবোৰৰ অদ্বিতীয় ৰজা হৈছে, যি এইসকল দ্বিপদ-চতুষ্পদৰ প্ৰভু, কোন...।

মন্ত্ৰ - ৪ ঃ

য সোমাঃ প্ৰদিশো যস্য বাহু কস্মৈ... বিধেম্।।

অৰ্থ ঃ যাৰ মহিমাৰ দ্বাৰা এইসকল হিমাচ্ছন্ন পৰ্বতৰ উৎপত্তি হৈছে, সসাগৰা ধৰা যাৰ সৃষ্টিৰ বলত উল্লিখিত হৈছে, এইসকল দিক্‌বিদিক যাৰ বাহু স্বৰূপ, কোন দেৱতাক....।

মন্ত্ৰ - ৫ ঃ

যেন দ্যৌৰুগ্ৰা পৃথিৱী চ দৃঢ়হা যেন
স্বঃস্তভিতং যেননাকঃ।
যো অন্তৰিক্ষে ৰজস্যে বিমানঃ
কস্মৈ.... বিধম্।।

অৰ্থ ঃ সমুন্নত আকাশ আৰু পৃথিৱীক যি স্বস্থানে দৃঢ়ৰূপে স্থাপন কৰিছে, যি স্বৰ্গলোক আৰু নৰকলোকৰ স্তম্ভিত কৰি ৰাখিছে, যি অন্তৰীক্ষ লোকক সমান কৰিছে। তেনে দেৱক ....।

মন্ত্ৰ - ৬ ঃ

যং ক্ৰন্দসী অৱসা তস্তভানে অভ্যৈক্ষেতাং
মনসা বেজমানে।
যন্ত্ৰাধি সুৰ উদিতো। বি ভাতি
কস্মৈ... বিধেম।।

অৰ্থ ঃ দ্যাবা পৃথিৱী সশব্দে যাৰ দ্বাৰা স্তম্ভিত আৰু উল্লিখিত হৈছে আৰু সেই দীপ্তিমান দ্যাবা পৃথিৱীয়ে যাক মনে মনে মহিমান্বিত বলেৰে বুজিব পাৰে, যাক আশ্ৰয় কৰি সূৰ্য উদয় আৰু দীপ্তিযুক্ত হয়, কোন দেৱতাই .... পূজা কৰিব।

মন্ত্ৰ - ৭ ঃ

আপোহ বদ্বুহতী বিশ্বমায়ন গৰ্ভং
দধানা জনয়ন্তীৰগিম্।
ততো দেবানাং সমবৰ্ততোসুৰেকঃ
কস্মৈ দেবায় হবিষা বিধেম্।।

অৰ্থ ঃ ভূৰি পৰিমাণ জল সমস্ত বিশ্বভূৱন আচ্ছন্ন কৰিছিল, তাৰ গৰ্ভ ধাৰণ পূৰ্বক অগ্নিক উৎপন্ন কৰিলে তাৰ লগত দেৱতাসকলৰ একমাত্ৰ প্ৰাণ স্বৰূপ যি তেওঁ আৱিৰ্ভূত হ'ল, কোন দেৱতাক... পূজা কৰিব।

মন্ত্ৰ - ৮ ঃ

যশ্চিদাপো মহিনা প্ৰৰ্বপশ্যম্‌দক্ষং
দধানা জনয়ন্তীৰগ্নিম।
ততো দেবানাং সমবৰ্ততাসুৰেকঃ
কস্মৈ দেবায় হবিষা বিধেম্।।

অৰ্থ ঃ যেতিয়া জনগণ বল ধাৰণপূৰ্বক অগ্নিক উৎপন্ন কৰিলে, তেতিয়া যিজনে নিজ মহিমাৰে জলৰ ওপৰত সকলো পিনে নিৰীক্ষণ কৰিছিল, যি দেৱতাগণৰ ওপৰত অদ্বিতীয় হ'ল, কোন দেৱতাক...।

মন্ত্ৰ - ৯ ঃ

মা নো হিংসীজ্জনিতা যঃ পৃথিব্যাঃযো
বা দিবং সত্যধৰ্মা জজান।
যশ্চাপশ্চন্দা বৃহতীৰ্জজান কস্মৈ... বিধেম্।।

অৰ্থ ঃ যি পৃথিৱীৰ জন্মদাতা, যাৰ ধাৰণ ক্ষমতা যথাৰ্থ আৰু প্ৰতিহত, যি আকাশক জন্ম দিছে, যি আনন্দবৰ্দ্ধনকাৰী, ভূৰি পৰিমাণ জল যি সৃষ্টি কৰিছে, তেওঁ যেন আমাক হিংসা নকৰক। কোন দেৱতাক ... পূজা কৰিব।

মন্ত্ৰ - ১০ ঃ

প্ৰজাপতেন ত্বদেতানান্যো বিশ্বা
জাতানি পৰিতা বন্দুৰ।
যৎকামাস্তে জুহুমন্তস্নো অস্তু বয়ং
স্যাম পতায়া বয়ীনাম্।

অৰ্থ ঃ 'হে প্ৰজাপতি তুমি ব্যতিত অন্য আৰু কোনোৱে এই সমস্ত উৎপন্ন বস্তুক আয়ত্ত কৰি ৰাখিব নোৱাৰে। যি কামনাৰে আমি তোমাৰ হোম কৰিছোঁ। সেইটো যেন আমাৰ সিদ্ধ হয়, আমি যেন ধনৰ অধিপতি হওঁ।

উক্ত দহটি মন্ত্ৰ যোগেদি এক অদ্বিতীয় পৰম সত্তাৰ অস্তিত্ব প্ৰতিভাত হৈছে আৰু সেই অদ্বয় পৰম ব্ৰহ্মৰ ওচৰত প্ৰাৰ্থনা জনোৱা হৈছে। এনে এক ঈশ্বৰ উদ্ভাৱনা।

বেদৰ পুৰুষ সূক্ততো সেই অদ্বয় পৰমাত্মাৰ প্ৰতিচ্ছবি পৰিস্ফুট হৈছে।

**পুৰুষসূক্ত** - ৯০—

মন্ত্ৰ - ১ ঃ

সহস্ৰশীৰ্ষা পুৰুষাঃ সহস্ৰাক্ষ সহস্ৰপাৎ।
স ভূমিং বিশ্বতো বৃহাত্যতিষ্ঠতিষ্ঠন্দশাঙ্গলম্।।

অৰ্থ ঃ পুৰুষৰ সমস্ৰ মস্তক, সহস্ৰচক্ষু আৰু সহস্ৰ চৰণ। তেওঁ পৃথিৱীক সৰ্বত্ৰ ব্যাপ্ত কৰি দশ আঙ্গুলি পৰিমাণ অতিৰিক্ত হৈ অৱস্থিত থাকে। সেই বিৰাট পুৰুষৰ সহস্ৰ শিৰ, সহস্ৰ চৰণ। তেওঁ সমস্ত জগত ব্যাপি আছে আৰু তৎ অতিৰিক্ত দশাঙ্গুল অতিক্ৰম কৰিয়ো অৱস্থিত। তাৰ এক পাদে জগত আৰু অমৃত স্বৰূপ ত্ৰিপাদ জগতৰ উৰ্দ্ধে। দশাঙ্গুল শব্দটিয়ে ইয়াত এক পৰিমাণৰ কথাহে বুজাইছে। দশাঙ্গুলে পৰিমাণৰ অধিক বা অতীত বুজাইছে। অৰ্থাৎ তেওঁ অনন্ত, অব্যক্ত, অচিন্ত্য, অজ্ঞেয়, মন-বুদ্ধিৰ অগোচৰ নিৰঞ্জন, নিৰাকাৰ, নিৰ্বিশেষ। তেওঁ মায়া স্বীকাৰ কৰি স্বোপাধিক হৈয়ো সসীম নহয়। তেওঁ বিশ্বানুগ হৈয়ো বিশ্বতিগ অৰ্থাৎ বিশ্বৰ ভিতৰত আৰু বিশ্বৰ বাহিৰত তেওঁ বিৰাজমান। প্ৰপঞ্চ বা মায়াৰে আবৰা ব্ৰহ্মাণ্ডৰ বাহিৰত তেওঁ থাকে যদিও মায়া সংসাৰত তেওঁ প্ৰবিষ্ট হৈ থাকে।

মন্ত্ৰ - ২ ঃ

পুৰুষ এবেদং সৰ্বং যদ্ভূতং বচ্চ ভব্য।
উতামৃতত্ব সোশানু যদন্নেনাতিৰোহতি।।

অৰ্থ ঃ যি হৈ আছে বা হ'ব সকলোৱেই সেই পুৰুষ মাত্ৰ। তেওঁ অমৰত্ব লাভ কৰাৰ অধিকাৰী হওক, তেওঁ কেনেকৈ অন্নৰ দ্বাৰা অতিৰোহণ কৰে।

মন্ত্ৰ নং - ৩ ঃ

এতাবানস্য মহিমাতো জায়াংশ্চ পুৰুষঃ।
পাদো হস্য বিশ্ব ভূতানি ত্ৰিপাদস্যামৃতং দিবি।।

অৰ্থ ঃ তেওঁৰ মহিমা অতি বৃহৎ। বিশ্ব জীৱসমূহ তেওঁৰ এক পদত অৱস্থিত, আকাশ আৰু উদ্ধৰ অমৰ অংশ তিনি পদত বিভক্ত।

মন্ত্ৰ - ৪ ঃ

ত্ৰিপাদুৰ্ধ্ব উদৈৎ পুৰুষঃ পাদোহ-
সোহাভবৎ পুনঃ।
ততো বিত্বঙ্‌বাক্ৰামৎ সাশনানশনে অভি।।

অৰ্থ ঃ (সেই) পুৰুষে তিনিপাদ ওপৰলৈ উঠিল আৰু চতুৰ্থ অংশ এই ঠাইত ৰ'ল। তেওঁ তাৰ পাছত ভোজনকাৰী আৰু ভোজনৰহিত। অৰ্থাৎ চেতন আৰু অচেতন সকলো বস্তুতে ব্যাপ্ত হ'ল।

মন্ত্ৰ - ৫ ঃ অৰ্থ ঃ তেওঁৰ পৰাই বিৰাট জন্মিলে বিৰাটৰ পৰা পুৰুষৰ উদ্ভৱ হ'ল। তেওঁৰ পাচ আৰু আগভাগে পৃথিৱীক অতিক্ৰম কৰিলে।

মন্ত্ৰ - ৬ ঃ অৰ্থ ঃ যেতিয়াই পুৰুষক হব্যৰূপে গ্ৰহণ কৰি দেৱতাই যজ্ঞ কৰিলে, তেতিয়া বসন্ত ঘিঁউ হ'ল, কাঠ গ্ৰীষ্ম হ'ল আৰু শৰৎ হব্য হ'ল। ইত্যাদি। এই সূক্তত ১৬টা মন্ত্ৰ আছে। তাৰে ৬টা অৰ্থহে ওপৰত উল্লেখ কৰা হ'ল।

ঋক্ আৰু যজুঃ (শুক্ল যজু) বেদৰ কিছুমান মন্ত্ৰত সৰ্বব্যাপী, সৰ্বশক্তিমান, ভূতাত্মা-জীৱাত্মা একেশ্বৰ তত্ত্ববোধক। ঋকৰ হিৰণ্যগৰ্ভ ১০/১২১, পুৰুষ সূক্ত ১০/৯০ প্ৰভৃতি সূক্তই একেশ্বৰবাদ ঘোষণা কৰিছে। পুৰুষ সূক্তৰ সৃষ্টিৰ সূচনাত পুৰুষে কেনেকৈ নিজকে নিজে আহুতি দি স্থাৱৰ জঙ্গম আদি পুৰুষ সূক্তৰ দ্বিতীয় মন্ত্ৰত কোৱা হৈছে যে যিকোনো সৃষ্ট পদাৰ্থ— এই সকলোবোৰেই পুৰুষ। তৃতীয় মন্ত্ৰত এই কথাকেই দেখুওৱা হৈছে যে তেওঁৰ সৃষ্টি ব্ৰহ্মাণ্ড আৰু পুৰুষৰে মহিমা মাত্ৰ। বিশ্বব্ৰহ্মাণ্ডৰ সকলো পদাৰ্থ তেওঁৰে এটা অংশ মাত্ৰ। তেওঁৰ বাকী তিনি অংশ দ্যুলোকত অমৃত হৈ বিৰাজ কৰিছে। পুৰুষ যেনেকৈ বিশ্বৰ উৎস আৰু বিশ্বময় তেনেকৈ একেলগে তেওঁ বিশ্বক অতিক্ৰম কৰি অৱস্থান কৰি আছে।

উপনিষদত একেশ্বৰবাদৰ উল্লেখ ঃ পুৰুষ সূক্তৰ এই তত্ত্ব উপনিষদ বাঙ্ময়তো উল্লেখ হৈছে— 'একোহহং বহু স্যাম', 'তদৈক্ষত বহু স্যাং প্ৰজায়েয়', অৰ্থাৎ একৰ পৰা বহু হোৱাৰ এই তত্ত্বই এক ঈশ্বৰবাদৰ প্ৰমাণ দাঙি ধৰিছে। এই সূক্তৰ তৃতীয় মন্ত্ৰটোও উপনিষদত কীৰ্তিত ব্ৰহ্ম যে একে সময়তে বিশ্বৰ প্ৰাণকেন্দ্ৰ বিশ্বৰ উৎস, বিশ্বময় (imanent) আৰু বিশ্বাতিগ্ (Transcendent) এই পৰম তত্ত্বৰ বী স্বৰূপ।

গীতাত নিম্নোক্ত শ্লোকত এই তত্ত্বই ধ্বনিত হৈছে—

"বিষ্টভ্যামহমিদং কৃৎস্নমেকাংশেন স্থিতো জগৎ। ১০-৪২

('অহং ইদং কৃৎস্নংজগত' অৰ্থাৎ এই সমস্ত জগত, 'একাংশেন' মানে এক অংশেৰে মাত্ৰ, বিষ্টভ্য মানে— ধাৰণ কৰি, 'স্থিত' মানে ৰৈছোঁ।)

অৰ্থ ঃ মই মোৰ একাংশৰ দ্বাৰা সমগ্ৰ জগত ব্যাপ্ত কৰি অৱস্থান কৰিছোঁ বা ধাৰণ কৰিছোঁ।

বেদতো অৰ্থাৎ পুৰুষসূক্তৰ মন্ত্ৰত ব্ৰহ্ম বা ঈশ্বৰক অসীম তত্ত্ব হিচাপে ব্যক্ত কৰিছে—

"ন তত্ৰ বাক গচ্ছতি ন চক্ষুৰ্গচ্ছতি।
যতোবাচ নিৰ্বতন্তে অপ্ৰাপ্তমনসা সহ।।"

"অবিজ্ঞাতং বিজানতাং বিজ্ঞাতম্ অবিজানতাম্।।"

তৈত্তিৰীয় উপনিষদত কৈছে— এই কথাকেই

"যাতোবাচো নিৰ্বত্তন্তে অপ্ৰাপ্যমনসা সহ।
আনন্দং ব্ৰহ্মণো বিদ্বান ন বিভেতি কদাচন।।"

অৰ্থাৎ— যাক ধৰিব নোৱাৰি বাক্য আৰু মন উভতি আহে, সেই আনন্দ স্বৰূপ ব্ৰহ্মক জানিলে আৰু একোতে ভয় নাথাকে।

গীতাৰ 'পুৰুষোত্তম' তত্ত্ব হৈছে এক ঈশ্বৰ, যি প্ৰকৃতি পুৰুষতকৈ শ্ৰেষ্ঠ। ৭/৭ শ্লোকতো কৃষ্ণই অৰ্জ্জুনক কৈছে—

"মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদস্তি ধনঞ্জয়।
ময়ি সৰ্ব্বামিদং প্ৰোক্তং সূত্ৰেমনি গনাইব।।"

ভাগৱতৰ ১ম স্কন্ধৰ ৩য় অধ্যায়ৰ ২৮ নং শ্লোকত কৃষ্ণকেই স্বয়ং ভগৱান বোলা হৈছে— 'কৃষ্ণস্তু ভগৱান স্বয়ং'। কীৰ্ত্তনতো ব্ৰহ্মৰূপী সনাতনক এক ঈশ্বৰ বোলা হৈছে, যি সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ। মহাপুৰুষ শঙ্কৰদেৱে ভক্তি-ৰত্নাকৰত কৃষ্ণৰ মহিমা বৰ্ণাই কৈছিল—

"কৃষ্ণৰ মহিমা শুকে ৰাজাত কহন্ত।
নাহি যাৰ প্ৰমাণ নিৰ্গুণ ভগৱন্ত।।
গুণৰ নিয়ন্তা কৃষ্ণ অব্যয় ঈশ্বৰ।
ভৈলা ব্যক্ত নিস্তাৰ কাৰণে জগতৰ।।
অখিল জীৱৰ আত্মা কৃষ্ণ কৃপাময়।
জগতৰ হিত অৰ্থে জানিবা নিশ্চয়।।
মায়া মনুষ্য যেন প্ৰকাশ কৰন্ত।
জগতৰ কাৰণ কৃষ্ণ দেৱ ভগৱন্ত।।"

মাধৱদেৱে ঘোষাতো এক ঈশ্বৰ হিচাপে কৃষ্ণক চিনাক্ত কৰিছে। ৫৮৭ ঘোষাত কৈছে— "নিত্য নিৰঞ্জন, নাৰায়ণ শিৱ সনাতন, অনাদি অনন্ত নিৰ্গুণ গুণ নিয়ন্তা, পৰম পুৰুষ ভগৱন্ত, নাহি পূৰ্ব্বাপৰ আদি অন্ত, সমস্ত ভব ভাৱন্তা।

এক ঈশ্বৰৰ অস্তিত্ব থকাৰ কথা বেদাদি শাস্ত্ৰই স্বীকাৰ কৰিছে আৰু পুৰাণ, দৰ্শন শাস্ত্ৰ আদিয়ে সেই ঈশ্বৰৰ বাসস্থান সম্পৰ্কে তিনিটা মত দাঙি ধৰিছে।

(১) অতিবৰ্তী বা বিশ্বাতীত বা বিশ্বাতিগ্ (Transcandent) মত।

(২) অৰ্ন্তৱৰ্তী বা বিশ্বগত বা বিশ্বানুগ (Imanent) মত।

(৩) অতিৱৰ্তী-অন্তৱৰ্তী বা বিশ্বাতিগ-বিশ্বগত বা সবেশ্বৰবাদ (Ominiseient, Pantheism)

(১) অতিবৰ্তী ঃ এই মতানুসৰি ঈশ্বৰ জগতৰ বাহিৰত অৱস্থিত। অসংখ্য জীৱ আৰু জগতক লৈ তেওঁ বাস কৰে। জগত আৰু ঈশ্বৰৰ মাজত

(৮ পৃষ্ঠাত চাওক)

# গুৰুজনাৰ সান্নিধ্য বিচাৰি মুম্বাইত তিনিদিন

**বীৰেন্দ্ৰনাথ পাঠক**

এই বছৰৰ জুলাই মাহত জানিব পাৰিলো যে এইবাৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬৫ সংখ্যক গুৰু জয়ন্তীতভাগি মুম্বাইত অনুষ্ঠিত কৰা হ'ব। আমাৰ মন আনন্দত নাচি উঠিল। আমি অসমৰ বাহিৰত অনুষ্ঠিত কৰা গুৰু জয়ন্তীত নিজৰ গাঁথিৰ ধন ভাঙিও যাবলৈ নাপালে বেয়া লাগিব। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই বিগত বৰ্যসমূহত দিল্লী, কলকাতা, আহমেদাবাদ আদিত শঙ্কৰী দৰ্শন, সংস্কৃতি প্ৰচাৰ-প্ৰসাৰ কৰাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি, বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি গুৰু জয়ন্তী উদ্‌যাপন কৰি আহিছে। এইবাৰ মুম্বাই অসম এছ'চিয়েচন আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ যৌথ প্ৰচেষ্টাত পোনপ্ৰথম বাৰৰ বাবে জগৎগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬৫ সংখ্যক জয়ন্তীভাগি মুম্বাইত ২০১৩ চনৰ ২৬ আৰু ২৭ অক্টোবৰত অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰিছে। সেয়েহে মোৰ সহধৰ্মী মূলৰ সদস্যা তথা শিশু আৰু আই-মাতৃ কল্যাণ শাখাৰ উপ-সমিতিৰ উপদেষ্টা শ্ৰীগীতা পাঠক আৰু মই যাবলৈ সাজু হ'লো। ভকতবৃন্দৰ লগতে মুম্বাইলৈ যোৱা ট্ৰেইনত দুটা টিকত কাটিবলৈ তিনিমাহ আগতেই ট্ৰেইনৰ যাতায়াতৰ নেতৃত্ব লোৱা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ যুটীয়া সম্পাদক শ্ৰীআনন্দ কুমাৰ বৰাবাপক টকা জমা দিওঁ। সময় আগবাঢ়িল। বৰাবাপে আমাক জনাই দিলে ২৩ অক্টোবৰত সকলো ভকতে গুৱাহাটীৰ ৰে'লষ্টেচনত আবেলি ৩ বজাত লগলাগি ৪.৪৫ বজাত ৰে'ল যাত্ৰা কৰা হ'ল। সময়মতে আমিও বৰপেটাৰ পৰা আহি গুৱাহাটীৰ ৰে'ল ষ্টেচনত উপস্থিত হওঁ। উক্ত দিনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰায় ৩০০জন ভকত মুম্বাই অভিমুখে ৰাওঁনা হ'বৰ বাবে গুৱাহাটীত সমবেত হয়। আনন্দ বৰা বাপে নেতৃত্ব লোৱা দলটিক ষ্টেচনত শুভেচ্ছা জ্ঞাপন কৰিবলৈ উপস্থিত হয় পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্ত বাপ আৰু প্ৰধান সম্পাদক শ্ৰীবাবুল বৰাবাপ। তেওঁলোকে কয় যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক বিশ্বত প্ৰতিষ্ঠা কৰিবৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ প্ৰতিজ্ঞাবদ্ধ। বিগত বৰ্যসমূহৰ দৰে মুম্বাইলৈকে নিজৰ গাঁঠিৰ ধন ভাঙি ওলোৱা সমূহ ভকত-বৈষ্ণৱক কৃতজ্ঞতা জনাই ট্ৰেইনৰ এৰাৰ সময়লৈকে ৰৈ থাকিল। আমি যোৱা ট্ৰেইনখনৰ নাম— লোকমান্য তিলক। সময়মতেই ৰে'ল চলিল। আমি জয় জগৎগুৰু শঙ্কৰদেৱ—, জয় একশৰণ হৰি নাম ধৰ্ম— জয়, জয় শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ— জয় ধ্বনি দি পদাধিকাৰ বাপ, প্ৰধান সম্পাদক বাপ আৰু আমাক আগবঢ়াই থ'বলৈ অহা বাপ-বান্ধৱ, আই-মাতৃসকলৰ পৰা বিদায় ল'লোঁ।

ভকত-বৈষ্ণৱসকলে যাতে ৰে'লত কোনো অসুবিধা নাপায় তাৰ বাবে প্ৰত্যেক ৰেলৰ ডবাত একোজন আৰু প্ৰত্যেক ছয়জন যাত্ৰীৰ দায়িত্বত একোজনক নেতৃত্বৰ দায়িত্ব অৰ্পণ কৰে। আমাৰ ৰেল ডবাটো নম্বৰ ২৬১৯। ডবাটোৰ দায়িত্বত কুল হাজৰিকা আৰু ছজনৰ দায়িত্বৰ থাকিল পূৰ্ণ কুমাৰ শইকীয়া। আমি ছজন হ'লো পূৰ্ণ কুমাৰ শইকীয়া, দীপক কাচা, বনমালী হাজৰিকা, টুৰাৰাম কলিতা, বীৰেন্দ্ৰনাথ পাঠক আৰু শ্ৰীচাংমা। আমাৰ ওচৰৰ কোঠাকেইটাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সংস্কৃতি শাখাৰ সম্পাদক শ্ৰীপৰিত্ৰপ্ৰাণ বৰাবাপৰ নেতৃত্বত ২০জন শিল্পী। ডবাৰ ভিতৰতে তেওঁলোকে গীত-মাত, থিয়নাম গাই ৰজন-জনাই ঠায়ে ঠায়ে বাটৰুৱাবোৰক চমক খুৱাই আহিছে। তাল-নাগাৰা-খোলৰ শব্দই তেওঁলোকক শ্ৰীমন্ত শঙ্কৰদেৱৰ সাংস্কৃতিকৰ কথা জনাই দিছে।

গুৱাহাটীৰ পৰা লোকমান্য তিলক ষ্টেচনলৈ মুঠ ৪৮টা ষ্টেচন/ জংচন অতিক্ৰম কৰি ২৫ অক্টোবৰৰ নিশা ১০ বজাত মুম্বাইৰ লোকমান্য তিলক ষ্টেচনত নামিলো। লগে লগে অসম এছ'চিয়েচনৰ কৰ্মকৰ্তাই আমাক বাছেৰে ভৱনলৈ লৈ যায় আৰু থকা-খোৱা সুবন্দবস্ত কৰি দিয়ে। থকাৰ সুবিধাৰ কাৰণে ৫০ জনক অসম ভৱনত থকাৰ বাবে আৰু বাকীসমূহ ভকত-বৈষ্ণৱক নভী মুম্বাই এছ'ছিয়েচনৰ এটা মন্দিৰত থকাৰ ব্যৱস্থা কৰি দিয়ে।

২৬ অক্টোবৰৰ পুৱা ৯ বজাৰ পৰা নাম-প্ৰসঙ্গৰে দুদিনীয়া কাৰ্যসূচীৰ পাতনি মেলে। সময়মতে যাতে ভকতবৃন্দই একেলগে অনুষ্ঠানবোৰত সঙ্গবদ্ধ হ'ব পাৰে তাৰ বাবে মুম্বাইবাসীৰ নেতৃত্বই আমাক অনা-নিয়াৰ বাবে বাছৰ সুব্যৱস্থা কৰি দিয়ে। আমি বেছি আচৰিত হৈ পৰিছোঁ যে যোৱা ৫৬৩ সংখ্যক গুৰুজয়ন্তীভাগি অনুষ্ঠিত কৰি অহা গুজৰাটৰ আহমেদাবাদৰ পৰা আহি প্ৰায় ৫০গৰাকী বাপ-বান্ধৱে আমাৰ মুম্বাইৰ এই অনুষ্ঠানত অংশগ্ৰহণ কৰি আমাক সকলোকে আপ্লুত কৰি তোলে।

নভী মুম্বাই JUI নগৰত অৱস্থিত Bunt's Centreত প্ৰথম কাৰ্যসূচী নাম-প্ৰসঙ্গভাগি আৰম্ভ হয়। ইয়াত প্ৰায় ৫ শতাধিক ভকত-বৈষ্ণৱে অংশগ্ৰহণ কৰে। নাম-প্ৰসঙ্গৰ পিছতে অনুষ্ঠিত হয় নাম সমাৰোহ। মুঠ ৬টা দলে এই কাৰ্যসূচীত ভাগ লয়। মুম্বাইৰ নিচিনা এখন ব্যস্ততাপূৰ্ণ মহানগৰত থাকি গুৰুজনাৰ সাংস্কৃতিক চৰ্চা কৰি এনেদৰে নাম প্ৰদৰ্শন কৰাটোৱে উপস্থিত দৰ্শকসকলৰ মন মোহিত কৰি তোলে। দুপৰীয়া ২ বজাৰ পৰা Bunt's Hallৰ আটুকধুনীয়া প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় প্ৰথমখন আলোচনা-চক্ৰ। আলোচনা-চক্ৰৰ বিষয় আছিল— "বিশ্ব ভাৰতীয় প্ৰেক্ষাপটত শ্ৰীমন্ত শঙ্কৰদেৱৰ স্থান"। আলোচনা চক্ৰত সঞ্চালনাৰ দায়িত্বত থাকে পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্ত বাপ। উদ্বোধন কৰে মুম্বাইৰ এখন আগশাৰীৰ বাতৰি কাকতৰ জ্যেষ্ঠ সাংবাদিক শ্ৰীযুত অম্লান হাজৰিকাই। আদৰণী ভাষণ প্ৰদান কৰে প্ৰধান সম্পাদক শ্ৰীযুত বাবুল বৰাবাপে। মুখ্য আলোচক হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নগেন শইকীয়াদেৱে কয় যে— সাহিত্য, সংস্কৃতি, নাটক, গীত আদি সকলোতে পৰম্পৰাগত মহাপুৰুষজনাৰ সমকক্ষ কোনো গুৰু সমগ্ৰ পৃথিৱীত বিৰল। বিশেষকৈ একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰ-প্ৰসাৰ বাবে সাহিত্য, সংস্কৃতিৰ সহায় লোৱাৰ উপৰি নাট, ভাওনাৰ যোগেদি সকলো শ্ৰেণীৰ লোকক আকৰ্ষিত কৰাৰ ব্যৱস্থাৰে সমগ্ৰ বিশ্বত এক বিৰল নিদৰ্শন দেখুৱাই থৈ গৈছে বুলি তেওঁ ভাষণ প্ৰসঙ্গত উল্লেখ কৰে। ভাটখাণ্ডে সংগীতৰ আন এজন বিশাৰদ গৱেষক ড° বসন্ত শইকীয়াদেৱে কয় যে— শ্ৰীমন্ত শঙ্কৰদেৱৰ মহান প্ৰতিভাক অসমৰ বাহিৰলৈ উলিয়াই আনি জগত সভাত প্ৰতিষ্ঠা কৰিব নোৱাৰাটো প্ৰতিজন অসমবাসীৰ বাবে দুৰ্ভাগ্যজনক বুলি বক্তব্য ৰাখ প্ৰদান কৰে। শঙ্কৰী সাহিত্যৰ আন এজন গৱেষক শ্ৰীপ্ৰভাত দাসে আলোচক হিচাপে অংশগ্ৰহণ কৰি গুৰুজনাৰ একক সৃষ্টি খোলবাদ্যৰ বোলেসমূহে যি কৃষ্ণধ্বনি ব্যক্ত কৰে বিশ্বৰ কোনো স্থানতে কোনো ধৰ্ম গুৰুৱে তাক সৃষ্টি কৰিব পৰা নাই বুলি মন্তব্য কৰে। অসম ভৱন মুম্বাইৰ আৱাসিক সঞ্চালক শ্ৰীদেৱাশীষ শৰ্মাদেৱে শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়ৰ পাঠ্যক্ৰমৰ বাবে সহায়ক হোৱাকৈ প্ৰস্তুত কৰা 'শঙ্কৰদেৱ ষ্টাডিজ' নামৰ গ্ৰন্থখন উন্মোচন কৰি লগতে কয় যে— এইখন বিভিন্ন ভাষাত অনুবাদৰ ব্যৱস্থা কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক আহ্বান জনায়। সঞ্চালকৰ আসনৰ পৰা পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্তবাপে গুৰুজনাক বিশ্বত অনন্য সুন্দৰ ৰূপত দাঙি ধৰিবৰ বাবে সকলোৱে কৰণীয় আছে বুলি ভাষণ দিয়ে। আলোচনা চক্ৰৰ পিছতে এটি চমু অন্তৰংগ আলাপ অনুষ্ঠিত হয়। মুম্বাই এছ'ছিয়েচনৰ লগত জড়িত সকলো বিষয়ববীয়া কেবাগৰাকীয়ে এই অনুষ্ঠানভাগিৰ লগত জড়িত হোৱাৰ যোগেদি প্ৰথমবাৰৰ বাবে মুম্বাইত এক অনন্য দৃষ্টিৰে শঙ্কৰদেৱক দাঙি ধৰিবলৈ সক্ষম হ'ল বুলি উল্লেখ কৰে। সন্ধিয়া ৬ বজাৰ পৰা ১০ বজালৈ এক আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। শ্ৰীপৰিত্ৰপ্ৰাণ বৰাৰ নেতৃত্বত শিল্পীদলৰ শিল্পীসকলে 'পাৰিজাত হৰণ' নাট প্ৰদৰ্শন কৰি দৰ্শকৰ ভূয়সী প্ৰসংশা লাভ কৰে।

২৭ অক্টোবৰৰ পুৱা ৮ বজাত অসম ভৱনত এভাগি নাম-প্ৰসঙ্গৰ কাৰ্যসূচী সমাপ্ত কৰি ৯.৩০ বজাত এক আকৰ্ষণীয় ভাগৱত শোভাযাত্ৰাৰ বাবে সকলো সাজু হয়। এই সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে ড° নগেন শইকীয়াদেৱে। এক সুসজ্জিত সাতটা ঘোঁৰাৰ ৰথত ভাগৱতখন গুৰুআসনত স্থাপন কৰি প্ৰায় ৮ কিলোমিটাৰ জুৰি অনুষ্ঠিত হোৱা শোভাযাত্ৰাত গায়ন-বায়নৰ দল, বিহু, মিচিং, নেপালী, বড়ো, ৰাভা আদি বাৰেবৰণীয়া অসমৰ কৃষ্টি সংস্কৃতি প্ৰদৰ্শন কৰি মুম্বাইবাসীক আনন্দ দিয়। ভাগৱত ভ্ৰমণত অসমৰ পৰা অহাসকলৰ উপৰি মুম্বাইৰ বিভিন্ন অঞ্চলত বসবাস কৰা অসমীয়াসকল, সুদূৰ গুজৰাট আৰু আহমেদাবাদৰ পৰা আহি অসমীয়াসকলে হৰি নাম-কীৰ্তনত নিজকে বিলীন কৰি দিয়ে। দিনৰ ১২ বজাৰ পৰা অসম ভৱনৰ নিজা প্ৰেক্ষাগৃহত আন এখন ইংৰাজী ভাষাত আলোচনা চক্ৰ অনুষ্ঠিত হয়। বিভিন্ন কাকতৰ সাংবাদিক, বিভিন্ন ভাষাৰ পণ্ডিতমণ্ডলীক আমন্ত্ৰণ কৰি অনুষ্ঠিত কৰা এইভাগি আলোচনা চক্ৰত ভালেকেইজন বৰেণ্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে। এই আলোচনা চক্ৰখন আৰম্ভ কৰে এটি ঝুমুৰ নৃত্যৰে আৰু সামৰণি মৰা হয় এটি বিহুনৃত্যৰে।

বিয়লি ৩ বজাত অসম ভৱনৰ পৰা দক্ষিণ মুম্বাইৰ জগেশ্বৰীত Manglaya Sadanত আন এটি বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই বক্তৃতা অনুষ্ঠানত অংশগ্ৰহণ কৰে ড° প্ৰদীপ হাজৰিকা, সঙ্ঘৰ উপ-পদাধিকাৰ শ্ৰীভৱেন্দ্ৰনাথ ডেকা আৰু আন এজন প্ৰখ্যাত সাহিত্যিক শ্ৰীমহেশ চাহাদেৱে। ৫ বজাৰ পৰা অনুষ্ঠিত হয় সাংস্কৃতিক অনুষ্ঠান। দৰ্শকৰ দাবীত 'পাৰিজাত হৰণ' নাটভাগি শিল্পীসকলে পুনৰ মঞ্চস্থ কৰে এইখন মঞ্চতো। খাৰঘৰবাসী বহুকেইজনে পৰৱৰ্তী বৰ্যত পুনৰ মুম্বাইত এইবাৰতকৈও আৰু ভালকৈ গুৰু জয়ন্তী অনুষ্ঠিত কৰিবৰ বাবে প্ৰস্তুতি চলোৱা হ'ব বুলি উল্লেখ কৰে। শেষত গুৰু বন্দনাৰে দুদিনীয়া কাৰ্যসূচীৰ সামৰণি পৰে।

পিছদিনা ২৮ অক্টোবৰত মুম্বাইবাসী অৰ্থাৎ অসম এছ'চিয়েচন আৰু অসম ভৱনৰ মুম্বাইৰ আৱাসিক সঞ্চালক দেৱাশিষ শৰ্মাদেৱৰ সহযোগত অসমৰ পৰা যোৱা ভকতসকলক চাৰিখন বাছেৰে গোটেই মুম্বাই মায়ানগৰীখন চোৱাৰ সু-ব্যৱস্থা কৰি দিয়ে। মুম্বাইবাসীৰ এই আতিথ্যত আমি নথৈ আনন্দিত হৈছোঁ। মুম্বাইবাসীৰ পৰা বিদায় লৈ ২৯ অক্টোবৰত ৰাতি ২ বজাৰ পৰাই অসমলৈ ঘূৰি অহাৰ বাবে ভকত-বৈষ্ণৱসকলে সাজু হয়। অসম ভৱনৰ ওচৰতে এটি সৰু ষ্টেচন আছে। তালৈ অসম ভৱনত থকা ভকতবৃন্দই বাছেৰে আহি ষ্টেচনটোত সমবেত হয়। তাৰ পৰা স্থানীয় ৰেলেৰে প্ৰায় ১২ টা ষ্টেচন অতিক্ৰম কৰি মুম্বাইৰ শেষ জংচন নাগপুৰত পশ্চিমবঙ্গৰ হাওৰালৈ অহা হাওৰা এক্সপ্ৰেছত উঠি পুৱা ৫.৪৫ বজাত অসম অভিমুখে যাত্ৰা আৰম্ভ কৰা হয়। এই ৰেলখনে মুখ্য কেইটিমান জংচনতহে ৰয়। ৰায়পুৰ, চক্ৰধৰপুৰ, কনকেল্লা, টাটা নগৰ, খৰকাপুৰ আৰু হাওৰা জংচনত। গধুলি ৫.৪৫ বজাত হাওৰাৰ পৰা কামৰূপ এক্সপ্ৰেছত অসমলৈ আহোঁ। আহোতে একেটা ৰেলৰ ডবাতে শিল্পীৰ দলটোৰ লগতে অহাৰ সুবিধাকণ পালো। আমাৰ কোঠাটোত বিনোদ গগৈ, ৰূপজ্যোতি শইকীয়া গগৈ, বনমালী হাজৰিকা, পূৰ্ণ কুমাৰ শইৰীয়া, টুৰাৰাম কলিতা আৰু মই। ডবা আৰু কোঠাৰ দায়িত্বত থাকিল আগৰ দুজনেই। মুম্বাইলৈ যাওঁতে যেনেকৈ শিল্পীৰ দলৰ লগত গীত-মাত, দিহানাম গাই ৰজনজনাই গৈছিলো সেইদৰে অসমলৈ আহোঁতেও তেনেকৈ আনন্দ মনেৰে ঘৰলৈ আহিলো। ভকত-বৈষ্ণৱসকলে সুবিধামতে নিজৰ ষ্টেচনবিলাকত নামি যায়। আমি ৩১ অক্টোবৰত প্ৰায় ২ বজাত বৰপেটাৰোড ষ্টেচনত ভকতবৃন্দৰ পৰা বিদায় ল'লো। বাছেৰে প্ৰায় ৩ বজাত বৰপেটাৰ নিজ ঘৰ পাওঁ।

**অসমৰ বাহিৰত শ্ৰীমন্ত শঙ্কৰদেৱ জয়ন্তী অনুষ্ঠিত কৰাৰ ফলত মনৰ অনুভৱ ঃ** বৰ্তমান মানৱ সমাজত বিশ্বমানৱে ইতিহাসৰ এক সংকটময় অৱস্থাৰ মাজেৰে গতি কৰিব লাগিছে। বিশ্বৰ বিভিন্ন প্ৰান্তত সংগঠিত হৈ থকা সংঘাত আৰু সংঘৰ্ষবিলাকে হাজাৰ হাজাৰ বছৰীয়া সভ্যতা-সংস্কৃতিৰ প্ৰতি গভীৰ সংকট মাতি আনিছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই পৃথিৱীৰ সভ্যতাক যিদৰে আগবঢ়াই নিছে আনফালে ৰাজনীতি, সমাজনীতি আৰু ধৰ্মনীতিৰ বিভ্ৰান্তই বিশ্বমানৱক কোনফালে গতি কৰিছে চিন্তাৰ বিষয় হৈ পৰিছে। ৰাজনীতি আৰু সমাজনীতিৰ কথা বাদ দিলো। ধৰ্মনীতিলৈ আহিলো। মানুহৰ সমাজখনে সুস্থভাৱে, সুশৃঙ্খলতাৰে আৰু শান্তিৰে চলি যোৱাটোকে বিচাৰে আৰু তাতে ধৰ্ম নিহিত হৈ থাকে। যিবোৰ নিয়ম-নীতি আমাৰ দৈনন্দিন জীৱন প্ৰক্ৰিয়াক আগবঢ়াই লৈ যাবলৈ ধাৰণা কৰে সেয়ে ধৰ্ম। সকলো মানৱ জাতিয়ে বিচাৰে পৃথিৱীত শান্তি বিৰাজ কৰক। শান্তি আনিব লাগিলে ধৰ্মৰ আশ্ৰয় ল'ব লাগিব। ধৰ্মৰ মূল

(১২ পৃষ্ঠাত চাওক)

# ঈশ্বৰবাদৰ উৎস

(৮ পৃষ্ঠাৰ পৰা)

ব্যৱধান আছে। সৰ্বগুণৰ অধিকাৰী হৈয়ো তেওঁ নিৰ্গুণ নিজ শক্তি মহিমাৰে তেওঁ বিৰাজি থাকে আৰু সেই শক্তিৰে তেওঁ জগত সৃষ্টি কৰি নিজ শক্তিৰে জগত পৰিচালনা কৰে। জীৱ, জগতে তেওঁক হস্তক্ষেপ কৰিব নোৱাৰে। ভক্তৰ আহ্বানত তেওঁ অৱতাৰ গ্ৰহণ কৰে।

(২) অন্তৰ্বৰ্তী ঃ এই মত অনুসৰি তেওঁ বিশ্ব জগতত ব্যাপ্ত হৈ থাকে। তেওঁ অন্তয্যামী, অন্তঃসঞ্চালক, প্ৰাণশক্তি নিয়ামক, প্ৰেৰক, সঞ্চালকৰূপে জীৱাত্মা আৰু জগতত বাস কৰে। শুদ্ধ চৈতন্য, জীৱাত্মা, পৰমাত্মা একেই। ঈশ্বৰ বহুত্ব নহয়, নানাত্ব নহয়; ঈশ্বৰ এক সত্য ব্ৰহ্মহে। জগত আৰু জীৱক ঈশ্বৰৰ মায়াকে আগুৰি থাকে। মায়া বা অবিদ্যাৰ বাবে জীৱই নিজক পৃথক বুলি ভাৱে।

(৩) অতিবৰ্তী-অৰ্ন্তবৰ্তী ঃ এই মত অনুসৰি ঈশ্বৰ অতিবৰ্তী-অন্তৰ্বৰ্তীৰ সমন্বয়, বাহিৰে-ভিতৰে দুয়ো স্থানতে থাকে। জগতখন তেওঁৰ আত্মপ্ৰকাশ মাথোন আৰু ইয়াৰ মাজেদি তেওঁ আত্মা প্ৰকাশ কৰে। জগতৰ সকলোতে তেওঁ আছে আৰু জগত অতিক্ৰম কৰিও আছে। জগতৰ পৰা এহাতে তেওঁ ভিন্ন আৰু আনহাতে অভিন্ন। সেই বাবে তেওঁ সৰ্বেশ্বৰ।

ব্ৰহ্ম বা ঈশ্বৰ আমাৰ দেহত আত্মাৰূপে থাকে। পঞ্চভূতেৰে তৈয়াৰী শৰীৰত তেওঁ বিৰাজমান হৈ থাকে। পঞ্চপ্ৰাণ + দহ ইন্দ্ৰিয় + মন + বুদ্ধিৰে তৈয়াৰী দেহক সূক্ষ্ম শৰীৰ বা লিঙ্গ শৰীৰ বোলা হয়। পঞ্চ ভূতেৰে তৈয়াৰী পৰিদৃশ্যমান দেহক স্থূল শৰীৰ আৰু তিনি গুণ মায়াৰে আবৰা শৰীৰক কাৰণ দেহ বোলা হয়। তিনিগুণ দূৰ কৰিব পাৰিলেহে পৰমাত্মাক জানিব পাৰে। অবিদ্যা বা মায়া দূৰ কৰাৰ প্ৰশস্ত উপায় হৈছে ভক্তি। ভক্তিৰ দ্বাৰা পৰমাত্মাক উপলব্ধি কৰিব পাৰি।❑❑

# ধ্যান বৰ্ণনৰ তাত্ত্বিক

(৫ পৃষ্ঠাৰ পৰা)

সংসাৰৰ মহা যাতনাকে পৰম সুখ বুলি ভাবি জীৱৰ মন, চিত্ত মগ্ন হৈ ৰয়। মায়াত মুগ্ধ হয়। আত্ম চেতনাৰ দ্বাৰা চিত্তচতুষ্টয় শুদ্ধিকৰণ কৰিলে মায়া কুহেলিকা আঁতৰি যায়। ইয়াকে আত্মতত্ত্ব উপলব্ধি বা বিজ্ঞানম্ অনুভৱ বোলে। এনে অৱস্থা প্ৰাপ্তিত বুদ্ধিক সন্তুষ্ট কৰি চিত্তক নিৰোধ কৰি হৃদয়ত ভক্তি জ্ঞানৰ শলিতা জ্বলাব পাৰিলেই সেই পোহৰতে আত্মাত শঙ্খ, চক্ৰ, গদা, পদ্মধাৰী পৰমপুৰুষ বিষ্ণু কৃষ্ণ ৰূপত দৰ্শন হ'ব। শ্ৰীমন্ত শঙ্কৰ গুৰুৱে ইয়াকে ভক্তি-প্ৰদীপ বুলিছে আৰু মাধৱপুৰুষ এখোজ আগবাঢ়ি বিজ্ঞান প্ৰদীপ বুলিছে—

"অজ্ঞান তিমিৰ নাশিয়া বিজ্ঞান
প্ৰদীপ প্ৰভু দিয়োক।
..........................
চৈতন্য আদিত্য ঈশ্বৰ যাহাৰ
হিয়াত ভৈল প্ৰৱেশ।
কাল মেঘ প্ৰায় অবিদ্যা আন্ধাৰ
তাহাৰ হোৰে বিনাশ।।"
— নাম-ঘোষা

অজ্ঞান আন্ধাৰ বিনাশী, পাপ বিনাশী ভগৱন্তৰ এই ৰূপ সম্ভৱ যদিহে ভকত স্থিৰ বুদ্ধি হয়। যথাযতে কৃষ্ণ অৰূপ যদিও ধ্যানৰ বাবে চৈতন্যময় শুদ্ধ ৰূপ কীৰ্ত্তনত দাঙি ধৰা হ'ল। ইয়াত চৈতন্যহে ঘাই কথা, জড় নহয়; পৰম আনন্দময়, পৰম জ্যোতিময় এই ৰূপ। চৰণৰ পৰা মস্তক পৰ্যন্ত চৈতন্য কৃষ্ণৰ ৰূপ বৰ্ণিত হৈছে যদিও চৰণ সেৱাৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰা হৈছে, অৰ্থাৎ প্ৰদক্ষিণে নামি পড়িব পাৰে।◆

# মায়ানগৰীত তিনিদিন

(৭ পৃষ্ঠাৰ পৰা)

উদ্দেশ্য সত্য উদ্ধাৰ। তাৰ বাবে লাগে বিপ্লৱ। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘও এটি গণতান্ত্ৰিক ধৰ্মীয় বিপ্লৱী অনুষ্ঠান। এই বিপ্লৱৰ অতি দীঘলীয়া, অতি গতিশীল। যাৰ দৃষ্টান্ত বুৰঞ্জীত বিৰল। পণ্ডিত জৱাহৰলাল নেহৰুৰ ভাষাত পুৰণি যুগটো আছিল কোনো প্ৰশ্ন নকৰাকৈ অন্ধভাৱে বিশ্বাস কৰাৰ যুগ। সেই সময়ত জনসাধাৰণ আছিল ৰাজন্যবৰ্গ আৰু ব্ৰাহ্মণ্যবৰ্গৰ হাতৰ পুতলা। শাসন চলিছিল ধৰ্মীয় শাসন। তেওঁলোকে জানিছিল যে ধৰ্মৰ মাজতে সকলো দিশ নিহিত হৈ আছে। ধৰ্মৰ দোহাই দি সৰ্বসাধাৰণৰ উপৰি খোদ ৰাজবংশকেই শাসন কৰিছিল ব্ৰাহ্মণবৰ্গই। জাত্যাভিমান তথা উচ্চ-নীচৰ প্ৰাচীৰখন আছিল অতি কটকটীয়া। উদাহৰণ হিচাপে দ্ৰোণাচাৰ্যই শিক্ষা নিদিয়া একলব্যৰ কাহিনী। বুৰঞ্জীৰ পাতত ৰাজন্যবৰ্গৰ অমানুষিকতাই কলংকৰ চেকা পেলাই থোৱাৰ কথা আমি পঢ়িবলৈ পাওঁ। অন্ধবিশ্বাসৰ কবলত পৰি নিজৰ সন্তানকো দেৱীৰ আগত বলি দিছিল স্বৰ্গ প্ৰাপ্তিৰ আশাত। এনে ধৰণৰ ব্যভিচাৰে অসমবাসীকো আগুৰি ধৰিছিল। ফলত অসম হৈ পৰিছিল এখন তন্ত্ৰ-মন্ত্ৰ, পূজা-পাতলৰ ৰাজ্য।

"ত্ৰিভুৱন বন্দন দৈৱকী নন্দন
যোহাৰি মাৰল কংস।
জগ জন তাৰণ দেৱ নাৰায়ণ
শঙ্কৰে তাকেৰি অংশ।।"

এইবিলাক দূৰ কৰিবৰ বাবে অৱতাৰ স্বৰূপে শ্ৰীমন্ত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ হয় বৰ্তমান নগাঁও জিলাৰ আলিপুখুৰীত ১৪৪৯ শকৰ আহিন মাহৰ শুক্লা দশমী তিথিত। শ্ৰীমন্ত শঙ্কৰদেৱৰ একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰ-প্ৰসাৰ কৰিবলৈ সহায়ক হ'ল তেখেতৰ প্ৰপন্ন শিষ্য মাধৱদেৱ, হৰিদেৱ, দামোদৰদেৱৰ মহাপুৰুষসকল আৰু শ্ৰীৰাম আতা, নাৰায়ণ দাস ঠাকুৰ আতা, ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, গোপাল আতা, ভট্টদেৱ, পুৰুষোত্তম ঠাকু, চতুৰ্ভুজ ঠাকুৰ আদি আতাপুৰুষসকল। কিন্তু এওঁলোকেও গুৰুজনাৰ আদৰ্শ, মূলতত্ত্বক বাদ দি নিজৰ নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে চাৰি সংহতিত ভাগ হ'ল— ব্ৰাহ্মণ, নিকা, পুৰুষ আৰু কাল সংহতি। যিবিলাক থান-সত্ৰ স্থাপিত হ'ল, তাতো গুৰুজনাৰ মূল আদৰ্শ আৰু তত্ত্বক বাদদি তথাকথিত কিছুমান সত্ৰাধিকাৰে নিজাববীয়াকৈ ধৰ্মপ্ৰচাৰত লাগিল। তাৰ ফলত সৃষ্টি হ'ল ১৯৩০ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ। এই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই বৰ্তমান বিশ্ব দৰবাৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক উপস্থাপন কৰাৰ সিদ্ধান্তলৈ লাহে লাহে আগবাঢ়ি আহিছে। ইতিমধ্যে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে, ড° মহেশ্বৰ নেওগৰ লিখনিৰ মাজেৰে বৰ অসমৰ ভক্তপ্ৰাণ ৰাইজ আৰু সাধাৰণ ৰাইজক গুৰুজনাৰ একশৰণ হৰিনাম ধৰ্মৰ কথা বহুলভাৱে দাঙি ধৰিছে। অসমৰ মাটিৰ গোন্ধ বিচাৰি পোৱা কলাৰ সাধক ত্ৰিমূৰ্তি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু অসম ৰত্ন ড° ভূপেন হাজৰিকা আদি কৰি গুণী-জ্ঞানী লোকসকলে মহাপুৰুষজনাৰ অৱদানৰ কথা বহি ৰাজ্যত প্ৰচাৰ কৰি গুৰুজনাৰ ভাৱমূৰ্তি বিশ্বদৰবাৰত দাঙি ধৰিছে।

আমিও শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰচেষ্টাত গুৰুজনাক বিশ্ব দৰবাৰত উপস্থাপন কৰাৰ আগতে নিজৰ দেশ ভাৰতবৰ্ষতো ঠায়ে ঠায়ে গুৰুজনাৰ জয়ন্তী অনুষ্ঠিত কৰি গুৰুজনাৰ ভাৱ-চিন্তা, দৰ্শন, সংস্কৃতি, সাহিত্য, গীত-মাত, নৃত্য আদি প্ৰচাৰ-প্ৰসাৰ কৰি থকা হৈছে। মুম্বাইৰ নিচিনা মুম্বাই অসম এছ'চিয়েচন আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, অসমৰ যৌথ প্ৰচেষ্টাত শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬৫ সংখ্যক গুৰু জয়ন্তীভাগি অনুষ্ঠিত কৰি কিমান যে আনন্দিত আৰু সন্তুষ্টি লাভ কৰিছোঁ প্ৰকাশ কৰিবলৈ আমাৰ নিচিনা অভাগাৰ ভাষা নাই। যেতিয়া মুম্বাইৰ অসম ভৱনত উপস্থিত হৈ ভৱনৰ পদূলিতে শ্ৰীমন্ত শঙ্কৰদেৱৰ নিৰ্মাণ কৰা প্ৰতিকৃতি আমাৰ দৃষ্টিগোচৰ হয়, তেতিয়া আমাৰ চকুলো ওলাই আৰু ওচৰতে বীৰ চিলাৰায়ৰ প্ৰতিকৃতি দেখি অভিভূত হওঁ। যিবিলাক মুম্বাইবাসী, গুজৰাট আৰু আহমেদাবাদৰ পৰা আহি আমাৰ লগত গুৰুজনাৰ ৫৬৫ সংখ্যক জয়ন্তী পালন কৰাত সহযোগ কৰিলে তেওঁলোকক শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ভকত-বৈষ্ণৱ বৃন্দই কিহেৰে ধন্যবাদ জনাব ভাৱিবই পৰা নাই। মাত্ৰ আশা ৰাখিছোঁ গুৰুজনাৰ উদ্দেশ্যলৈ মুম্বাইত মাটি লৈ নামঘৰ সাজি গুৰুজনাৰ শুদ্ধ ধৰ্ম প্ৰচাৰ আৰু গুনাণুকীৰ্তন কৰাৰ সুব্যৱস্থাখিনি কৰিলেহে মুম্বাইত গুৰুজয়ন্তী অনুষ্ঠিত কৰাৰ সাফল্য হ'ব বুলি ভাবিব পাৰিম। এয়েই আমাৰ ভকত-বৈষ্ণৱসকলৰ অনুৰোধ।❑❑

# লক্ষ্মীনাথ বেজবৰুৱাৰ

(১ পৃষ্ঠাৰ পৰা)

সেইবোৰ আঁতৰাবলৈ আন্তৰিকতাৰে প্ৰচেষ্টা চলোৱা বেজবৰুৱাদেৱে সঠিকভাৱে অনুধাৱন কৰিব পাৰিছিল যে মানৰ আক্ৰমণ, বৃটিছৰ অপশাসন আৰু বাঙালীৰ আগ্ৰাসনে চেপি খুন্দি পেলোৱা জাতিটোক পুনৰুদ্ধাৰ কৰাৰ চাবি-কাঠি আছে জাতিটোৰ জনক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বৰপেৰাত। সেইবাবেই আধুনিক শিক্ষাৰে শিক্ষিত, অসমীয়া সাহিত্যলৈ আধুনিক চিন্তা আদৰ্শৰ টৌ বোৱাই অনা জোনাকী আন্দোলনৰ জন্ম দিব পাৰিছিল। প্ৰাচ্য-পাশ্চাত্যৰ সংঘাতত বিব্ৰত অসমীয়া জাতিটোক জাগ্ৰত স্বদেশানুৰাগ, সুগভীৰ মানৱতাবাদ আৰু যুক্তিবাদী চিন্তাৰে এক সুস্থ পথৰ সন্ধান দিয়া এইগৰাকী মহান অসমীয়া মহত্বপূৰ্ণ কৃতিসমূহৰ বিষয়ে অৱগত কৰোৱাৰ উদ্দেশ্যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখা সমিতিয়ে বছৰটোত চাৰিটা বক্তৃতানুষ্ঠানৰ আয়োজন কৰিছে। এই বক্তৃতামালাৰ দ্বিতীয় বক্তৃতা যোৱা ২২ ডিচেম্বৰ, ২০১৩ (৬ পুহ ৫৬৫ শঙ্কৰাব্দ) দেওবাৰে শিৱসাগৰ নাট্যমন্দিৰত অনুষ্ঠিত হৈ যায়। সঙ্ঘৰ শিৱসাগৰ জিলা শাখাৰ আতিথ্যত আৰু পদাধিকাৰ শ্ৰীযুত ৰজনীকান্ত দত্ত বাপৰ সঞ্চালনাত অনুষ্ঠিত এই বক্তৃতানুষ্ঠান 'শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱনবৃত্ত চৰ্চাত বেজবৰুৱাৰ অৱদান' শীৰ্ষক বক্তৃতা প্ৰদান কৰে দেৰগাঁও কমলদুৱৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট সাহিত্যিক শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ বৰাদেৱে আৰু 'বেজবৰুৱাৰ দৃষ্টিত শঙ্কৰদেৱৰ ব্যক্তিত্ব আৰু দৰ্শন' শীৰ্ষক বক্তৃতা প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট সাহিত্যিক, সাংবাদিক, প্ৰাক্তন সাংসদ ড° নগেন শইকীয়াদেৱে। নিজৰ বক্তৃতাত অধ্যাপক বৰাদেৱে প্ৰসঙ্গক্ৰমে অসমীয়া চৰিত পুথিসমূহৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি বেজবৰুৱাদেৱে ৰচনা কৰা মহাপুৰুষ দুজনাৰ জীৱনীগ্ৰন্থ দুখনৰ সূক্ষ্ম বিশ্লেষণ দাঙি ধৰে। ড° শইকীয়াদেৱে নিজৰ বক্তৃতাত বেজবৰুৱাই নৱ্য শঙ্কৰদেৱ আন্দোলনলৈ যোগোৱা মহত্বপূৰ্ণ অৱদান, গুৰুধৰ্মৰ প্ৰতি বেজবৰুৱাৰ নিষ্ঠা আৰু গুৰুজনাৰ ব্যক্তিত্ব আৰু দৰ্শন সম্পৰ্কে বেজবৰুৱাৰ ধাৰণা আদি বিষয়ে গভীৰ বিশ্লেষণ আগবঢ়ায়। এই বক্তৃতানুষ্ঠান উদ্বোধন কৰি দিয়া ভাষণত সম্বন্ধত বেজবৰুৱাৰ নাতি, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহকাৰী পঞ্জীয়ক শ্ৰীযুত পৰন বেজবৰুৱাদেৱে বেজবৰুৱা বংশত গুৰুধৰ্ম পালনৰ পৰম্পৰাৰ ইতিহাস দাঙি ধৰে। আদৰণি ভাষণত সঙ্ঘৰ প্ৰধান সম্পাদক শ্ৰীযুত বাবুল বৰাবাপ আৰু শিৱসাগৰ জিলা শাখাৰ সভাপতি শ্ৰীযুত কিৰণ বৰদলৈ বাপে বেজবৰুৱাদেৱলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বক্তৃতানুষ্ঠানটো পৰিচালনাত সামগ্ৰীকভাৱে আঁত ধৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখাৰ সম্পাদক ড° জগত চন্দ্ৰ কলিতা বাপে।❑

# শৰণ অনুষ্ঠান

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ গুৱাহাটী মহানগৰী জিলা শাখাৰ নাৰায়ণ দাস ঠাকুৰ আতা আঞ্চলিক শাখাৰ অন্তৰ্গত গোকুল চান্দ প্ৰাথমিক শাখাৰ উদ্যোগত ৰূপনগৰ নামঘৰত ৯ গৰাকী বাপ-আইয়ে শৰণ গ্ৰহণ কৰে। শৰণ প্ৰদান কৰে গুৱাহাটী মহানগৰী জিলা শাখাৰ শৰণ সদস্য শ্ৰীবৈকুণ্ঠপ্ৰসাদ দুৱৰা বাপে।◆

# ডক্টৰেট উপাধি লাভ

**গুৱাহাটী মহানগৰী ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, গুৱাহাটী মহানগৰী জিলা শাখাৰ শ্ৰীৰাম ঠাকুৰআতা আঞ্চলিক শাখাৰ অন্তৰ্গত গোপাল আতা প্ৰাথমিক শাখাৰ একনিষ্ঠা সেৱিকা শ্ৰীৰেখা দেৱী বৰা



আইক তেওঁৰ "A Comparative Study of Extraversion, Neuroticism and Locus of Control in Persons with Diabetes and Cardiovascular Disordess from the Urban Middle Class." শীৰ্ষক গৱেষণাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে পি.এইচ.ডি. ডিগ্ৰী প্ৰদান কৰিছে। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ মনোবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা আৰু প্ৰফেচাৰ ড° ইন্দ্ৰাণী ফুকন বৰুৱাৰ তত্ত্বাৱধানত গৱেষণা সম্পন্ন কৰে। শ্ৰীৰৰা দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ গাৰ্হস্থ্য বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা আৰু গোপাল আতা প্ৰাথমিক শাখাৰ একনিষ্ঠ সেৱক ইউনাইটেড বেংক অৱ ইণ্ডিয়াৰ অৱসৰপ্ৰাপ্ত বিষয়া শ্ৰীঅতুল বৰা বাপৰ সহধৰ্মিনী। এওঁ যোৰহাট বাহনাৰ বিশিষ্ট শিক্ষাবিদ প্ৰয়াত গোলাপ চন্দ্ৰ দাস আৰু যোগেশ্বৰী দাসৰ কনিষ্ঠা কন্যা আৰু কাজিৰঙা বচাগাঁও আঞ্চলিকৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত দণ্ডীধৰ বৰা বাপ আৰু দুৰ্গেশ্বৰী বৰা আইৰ বোৱাৰী।◆

# মনুষ্য শৰীৰত মনৰ আধিপত্য

**প্ৰফুল্ল কোঁৱৰ**

ঈশ্বৰৰ সৃষ্টি স্থুল দেহধাৰী চাৰিবিধ জীৱৰ ভিতৰত গমন প্ৰজাতিৰ অন্তৰ্গত মনুষ্য অন্যান্য প্ৰজাতি জীৱৰ তুলনাত শ্ৰেষ্ঠ জীৱ, কাৰণ মানুহ ধ্যান-ধাৰণাৰে ভাল-বেয়া বিচাৰ কৰিব পৰা মানসিক সত্তাটো অন্য জীৱৰ তুলনাত অধিক শক্তিশালী। তীৰ্যক প্ৰাণীবোৰৰ মন কেৱল নিজৰ ভোগায়তন বিশিষ্ট জীৱ দেহক ভৰণ-পোষণ ৰক্ষণ কৰাতেই সীমাবদ্ধ থাকে। কিন্তু মানুহৰ মনৰ পৰিধিবিহীন বাসনাই জগতৰ সকলো জীৱৰ ওপৰত অধিপত্য প্ৰদান কৰাইছে ঈশ্বৰেই, জীৱশ্ৰেষ্ঠ মানৱৰ এটা মাত্ৰ মানসিক সিদ্ধান্তই পৃথিৱীৰ জীৱজগতক চিৰকালৰ বাবে বিলুপ্তি কৰিব পাৰে।

প্ৰগতিৰ হেতুৰূপে চিহ্নিত হোৱা মানৱ দেহস্থ মন এক প্ৰাকৃতিক উপাদান। অহংকাৰৰ তিনি অৱস্থা ক্ৰমে সাত্ত্বিক, ৰাজসিক আৰু তামসিক। সাত্ত্বিক অহংকাৰৰ অন্যতম পৰিণামেই হ'ল মন। মনে কেৱল নিজৰ নিমিত্তেহে কাম কৰে। সংসাৰখন জীৱৰ কৰ্মক্ষেত্ৰ, এই ক্ষেত্ৰত জীৱৰ পূৰ্ব জন্মৰ ইচ্ছা অনুযায়ী ক্ষেত্ৰ, এই জীৱ শৰীৰৰ জৈৱিক প্ৰবৃত্তিবোৰ প্ৰকৃতিৰ দ্বাৰা পূৰ্ব নিদ্ধাৰিত। আহাৰ, নিদ্ৰা, ভয় আৰু মৈথুন— এই চাৰি প্ৰবৃত্তিক জোৰা মাৰিবৰ বাবে মনে সদায় চেষ্টা কৰি থাকে। মনৰ তিনিটা বৃত্তি আছে— জাগন বা জাগ্ৰত অৱস্থা (consciousness) স্বপ্ন অৱস্থা (Sub-consciousness) আৰু নিদ্ৰা বা সুষুপ্তি অৱস্থা। নিদ্ৰা বা সুষুপ্তি অৱস্থা হৈছে মনৰ আত্মাচেতনহীন, যত মনে অৱচেতন হৈ কেৱল দেহৰ ভোগৰ অৰ্থেই কাম কৰে, তেনে অৱস্থাকে নিদ্ৰা বা সুষুপ্তি অৱস্থা বোলা হয়। সুষুপ্তি অৱস্থা মানুহ আৰু ইতৰ প্ৰাণীৰ মনৰ মাজত একো পাৰ্থক্য নাই। মনৰ বৃত্তিয়েই প্ৰকৃততে চেতনহীন বা সুষুপ্তি অৱস্থা। মনৰ এনে অৱস্থাৰ কাৰণে জীৱ প্ৰভাৱিত হৈ আত্মচেতনা বিলুপ্তি ঘটে।

স্বপ্ন অৱস্থা মনৰ জাগ্ৰত আৰু নিদ্ৰা অৱস্থাৰ মধ্যস্থল। গভীৰ নিদ্ৰাত প্ৰাণশক্তিৰ বাহিৰে দেহৰ সকলো ইন্দ্ৰিয় মন সম্পূৰ্ণৰূপে নিষ্ক্ৰিয় অৱস্থাত থাকে। অৰ্দ্ধনিদ্ৰা অৱস্থাত ইন্দ্ৰিয়সমূহ নিদ্ৰাৰ দ্বাৰা প্ৰভাৱিত; কিন্তু তেনে অৱস্থাতত মন প্ৰায় জাগ্ৰত অৱস্থাত থাকে। তেনে অৱস্থাতে মানুহৰ স্বপ্ন দৰ্শন হয়। অদ্ধচেতন অৱস্থাত ইন্দ্ৰিয় সূক্ষ্মশক্তিয়েও মনক স্বপ্ন দৰ্শনৰ প্ৰভাৱ যোগায়। (প্ৰশ্নপনিষদৰ মন্ত্ৰ ৪-৫-৬) অন্যহাতে ঈশ্বৰ ভক্তজনে সৎসঙ্গত বা শাস্ত্ৰ অধ্যয়নৰ জৰিয়তে ঈশ্বৰ ভক্তিত ৰতি হয়, তেনে অৱস্থাত মনৰ বৃত্তিয়ে ক্ৰমাত জাগন বা জাগ্ৰত অৱস্থা লাভ কৰি মানৱ দেহটোক সাৰ্থক কৰি তোলে। কিন্তু পৰম্পৰাগত ধাৰাত নিজকে ঈশ্বৰ চেতনাৰ পৰিৱৰ্তে বস্তুবাদী ভোগ চেতনাত পুনৰ নিমজ্জিত হ'লে, সংসাৰৰ কালৰ গতিয়ে সকলো চেতন-অচেতন ভাবনাক বোৱাই লৈ যায়।

মনৰ জাগ্ৰত অৱস্থা স্বপ্ন ভাগিলে যিদৰে মানুহ সাৰ পাই উঠে, সেইদৰে আত্মজ্ঞান হ'লে নাইবা সংসাৰৰ জৰা-মৃত্যু প্ৰত্যেক কৰি সমষ্যা ভীত হ'লেই প্ৰতিকাৰৰ উপায় হিচাপে ঈশ্বৰ অনুভৱ হয়। এইয়ে হ'ল মনৰ জাগ্ৰত অৱস্থা।

মনৰ চাৰিটা অৱস্থা ক্ৰমে মন, বুদ্ধি, অহংকাৰ আৰু চিত্ত। শ্ৰীমদ্ভাগৱতৰ তৃতীয় স্কন্ধত অনাদি-পাতনত মনৰ এই চাৰি অৱস্থা সুন্দৰ বৰ্ণা দিছে—

**মন ঃ**

"নানা কৰ্ম্ম কৰিবাক কৰে আলোচন।
একো কৰ্ম্ম স্থিৰ নোহে তাকে বুলি মন।।"

**বুদ্ধি ঃ**

"সংকল্প বিকল্প কৰ্ম্ম কৰে আলোচন।
বুদ্ধি নাম বুলি তাক জানিবা লক্ষণ।।"

**অহংকাৰ ঃ**

"সমস্ত কৰ্ম্মক মই কৰো বুলি মানে।
অহংকাৰ বুলি তাক জানিবা আপোনে।।"

**চিত্ত ঃ**

"নানা সদ কৰ্ম্মক কৰয় নিতে নিত।
নিশ্চয়ে জানিবা ৰাজা তাৰ নাম চিত্ত।"

মন, বুদ্ধি, অহংকাৰ আৰু চিত্ত— এই চাৰি অন্ত ইন্দ্ৰিয়ৰ দ্বাৰাই জীৱই কৰ্ম সম্পাদন কৰে। মনৰ উৰ্মিত বিভিন্ন লৌকিক-অলৌকিক ভাব বা ধাৰণা কৰিলেও মনে কোনো কৰ্ম সম্পাদন কৰিব নোৱাৰে মনৰ ভাব বা ধাৰণাবোৰ পঞ্চ বিষয়ৰ ভোগৰ বাবে পঞ্চ জ্ঞানেন্দ্ৰিয় লগত সংযোগ ঘটে, এই সংযোগ মনৰ দ্বাৰাইহে সম্ভৱ হয়। জীৱ জাগ্ৰত অৱস্থাত পঞ্চ জ্ঞানেন্দ্ৰিয় দ্বাৰাই মনেৰে সৈতে পঞ্চ বিষয়ত সংযোগ ঘটে, তেতিয়া সেই বিষয়বোৰ বুদ্ধিত স্থিৰকৃত হয় আৰু চিত্তত সুদৃঢ়ীকৃত হৈ অহংকৰ্তা এনে জ্ঞানৰ দ্বাৰাই কৰ্মত প্ৰবৃত্তি জন্মাই আৰু পিছত পঞ্চ কৰ্মেন্দ্ৰিয়ৰ দ্বাৰাই কৰ্ম সম্পাদন হয়।

বুদ্ধিয়ে ভাল-বেয়া বিশ্লেষণ কৰি নিৰপেক্ষ যুক্তি নিৰ্ণয় কৰে, সেয়েহে মনৰ উন্নত পৰ্যায়টো হৈছে বুদ্ধি। কালিলৈ কৰিবলগা কৰ্মৰ আজিয়ে ভাবি তাৰ ব্যৱস্থা গ্ৰহণ কৰা জন বুদ্ধিমান। তেওঁতকৈ অধিক বুদ্ধিমানজনে অনাগত কালৰ বিষয়ে চিন্তা কৰি যথোপযুক্ত কাৰ্য ব্যৱস্থা গ্ৰহণ কৰে। এই সকলোবোৰৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ বুদ্ধিমানজনে কাল অতিক্ৰম কৰি সৰ্বকালৰ কুশলৰ অতিক্ৰম কৰি স্বৰূপ পৰমাত্মাক

(১০ পৃষ্ঠাত চাওক)

# দধীচিৰ দেহ দান

**তিলেশ্বৰ বৰা**

মই সদায় অফিচলৈ যাওতে "নমস্কাৰ কুটীৰ"ৰ আগেদি খোজ কাঢ়িয়ে যাওঁ। আমাৰ ঘৰৰ পৰা কাৰ্যালয়লৈ দূৰত্ব মাত্ৰ আধা মাইল। 'নমস্কাৰ কুটীৰ"ৰ অধিকাৰী অশীতিপৰ পৰীক্ষিত বৰুৱা। যিজন মোৰ দূৰ সম্বন্ধীয় বৰদেউতা। সন্মুখৰ বাৰাণ্ডাৰ একাষত ৰখা আৰামী চকীখনত; যিখন একালত তেখেতৰ দেউতাকৰ আছিল; তাত হেলান দি কাষত ওলমাই ৰখা পিঞ্জৰাটোলৈ চাই চাই বিভোৰ হৈ থকা প্ৰায়ে দেখিছিলো। একালত হেনো সেই পিঞ্জৰাৰ সৰু চৰাইকেইটাক লৈ বৰদেউতাই কবিতা লিখিছিল; গান ৰচিছিল আৰু এটি গল্পও লিখিছিল। এইকথাখিনি সুবিধা পালেই মোক বৰদেউতাই প্ৰায়ে কৈছিল। ঘৰখনত এহাটী পৰিয়াল আছিল যদিও বৰদেউতাৰ ৰচনাসমূহৰ পাঠক আৰু শ্ৰোতা বুলিবলৈ মইহে ৰৈছিলোগৈ।

আজি বৰদেউতাৰ পদূলিমুখত মই থমকি ৰ'লো। আন দিনৰ দৰে বৰদেউতা আৰামী চকীত বহা নাই অথবা আৰামী চকীত হেলানদি বহি সন্মুখৰ প্লাষ্টিকৰ টুলখনত কুটকুটাই থকা ভৰিদুখন উটাই পিঞ্জৰালৈ তধা লাগি চাই থকাও নাই। বৰং আজি মই দেখিলো বৰদেউতাই আৰামী চকীখনৰ ভঙা পায়াটো ৰচি এডালেৰে পকাই পকাই বান্ধি তাৰ পূৰ্ব্বৰ সঠিক আকাৰ আৰু স্থানলৈ অনাৰ চেষ্টা কৰিছে। এই দৃশ্য দেখি বৰদেউতা যোৱাকালি প্লাষ্টিকৰ টুলত বহা কাৰণ কি বুজিবলৈ বাকী নাথাকিল মোৰ। মই নঙলামুখৰ পৰা ভিতৰ সোমাই গ'লো; জানোচা কিবা সহায়ৰ হাত আগবঢ়াব পৰা যায়। বৰদেউতাই মোক তেখেতৰ কাষতে বহিবলৈ দিলে। এনেতে বৰদেউতাৰ বৰপুত্ৰ ৰঞ্জনে গেৰেজৰ পৰা মাৰুতী কাৰখন উলিয়াই অফিচ যাবলৈ প্ৰস্তুত হৈ দেখে গাড়ীখনে ষ্টাৰ্ট নলয়। সি গাড়ীৰ চেলফ্ মাৰি মাৰি অতিষ্ঠ হৈছে। এনেতে পত্নী দীপাই তাক উদ্দেশ্যি কৰ্কশ স্বৰত কোৱা কথাখিনি মোৰ কাণত থল-থলকৈ পৰিল। বুজিলো, বৰ্তমান বৰদেউতাৰ যত্ন লওতাৰ অভাৱ হৈছে। গাড়ীখন ভালকৈ গেৰেজত নেদেখুৱাৰ বাবে ৰঞ্জনক ঘৈণীয়েকে এথুকুচা দি ক'লে, 'দেউতাৰ আবদাল কৰোতে কৰোতে তোমাৰ গাড়ীখনৰ কথা ভাবিবলৈ সময় নোহোৱা হ'ল। অফিচৰ কামত গাড়ীখন তোমাৰ কিমান যে দৰকাৰ নাজানানে? আজি গাড়ী ভালকৈ দেখুৱাইহে আহিবা। দেওবাৰে মামাৰ ঘৰৰ অন্নপ্ৰাশনলৈ যাব লাগিবঃ নাপাহৰিবা।' এইখিনি কথা কৈ শহুৰেকলৈ ভ্ৰূক্ষেপ নকৰি ভিতৰ সোমাল বোৱাৰী। শহুৰেকেনো কিহৰ লগত যুঁজ দি আছে, তালৈ বোৱাৰীৰ কাণসাৰ নিদিয়া কথাটোৰ পৰা মই এইখন ঘৰৰ ফোপোলা স্বৰূপটো বুজাত অকণো অসুবিধা নহ'ল। এতিয়াহে বৰদেউতাৰ কেইটামান কথাৰ তত্বানুভৱ হ'ল। এদিন বৰদেউতাক শুধিছিলো, 'বৰদেউতা তুমি কিয় বাৰু পিঞ্জৰাবদ্ধ চট্ফটাই থকা চৰাই দুটা তন্ময় হৈ চাই থকা আৰু বাৰে বাৰে মোক খাটনি ধৰা চৰাই দুটা উৰাই দিবলৈ। মই এনে কাম কৰি আপোনাৰ বোৱাৰীৰ ৰোষত পৰিব নোৱাৰিম বুলি সিদিনা আপোনাৰ আহ্বানক প্ৰত্যাখ্যান কৰিছিলো। তেখেতে হুমুনিয়াহ চাৰি কৈছিলা "প্ৰহ্লাদ এই চৰাই দুটা আন কোনো নহয় অ'-- মই আৰু তোৰ বৰমা হে। আমাক মুক্তি দিবলৈ ভগৱানে তোক আমাৰ ওচৰলৈ পঠাইছে। আন কোনোবা মোৰ ওচৰলৈ অহা দেখিচ জানো"। তেখেতে পুনৰ কৈ গ'ল, 'বৰমা নথকা হ'লে মই কাহানিবাই কোনোবা দূৰৰ আশ্ৰমত আশ্ৰয় ল'লো হয়। সিহঁতে দেখিলেও নেদেখাৰ আৰু শুনিলেও নুশুনাৰ ভাও ধৰে। মইয়ো সিহঁত দুটাৰ কুট-কৌশল কথাবোৰ নুশুনাৰ ভাও ধৰো।' বৰমাই কান্দি কান্দি ক'লে, 'নাতিৰ মৰমৰ আতিশৰ্যৰ পৰা আমাক সিহঁতে কি কৌশলপূৰ্বক আঁতৰত ৰাখে শুনিলে তই 'হৰি হৰি' সোঁৱৰিবি বাপু! আমি চব বুজি পওঁ। কি কৰিম। আমি অসহায়।' জীয়াই থকাতকৈ মৰি যোৱাই ভাল।' বৰদেউতাই ঢেক্ঢেক্কৈ হাঁহিলে। মই তেখেতে হঁহাৰ একো অৰ্থ জানিব নোৱাৰিলো। জনাৰ ইচ্ছাও নকৰিলো। আজি পো-বোৱাৰীৰ মুখলৈ কাতৰতাৰে চোৱাৰ সাহস নাই বৰদেউতা-বৰমাৰ। ভোকৰ ভাতমুঠি, পিয়াহৰ পানীকণৰ বাবেও সেপ ঢুকি থাকিব লগা হৈছে। প্ৰতি কথাতে বোৱাৰীৰ ককৰ্থনা। মৃদু স্বৰত বৰদেউতাই ৰঞ্জনক কিবা আপত্তি কৰিলেও, সি ওভতি জ্বলা জুইত ঘিউ ঢালি ঘৈণীয়েককে উচটাইহে। বৰদেউতাৰ মতে বোৱাৰীতকৈ পো একোব চৰা। দুপৰ নিশা ৰঞ্জনে বৰদেউতাক চৈধ্য গোষ্ঠী উঘালি গালি গালাজ পাৰে। আনকি বুঢ়া-বুঢ়ীক মাৰি নিনিয়াৰ বাবে কণা গোঁসাইক তিৰস্কাৰো কৰে। ঈশ্বৰ আৰু ভকতৰ প্ৰতি কৰা তিৰস্কাৰ সহ্য নহয় বৰদেউতাৰ। বৰমাৰ পৰিৱৰ্তে ৰঞ্জনক কয়, 'তই মোক মাৰি পেলা, মাৰ, মোৰ গাত থুৱা, যি কৰ কৰ। মাৰ আৰ ইষ্ট দেৱতাক তিৰস্কাৰ নকৰিবি।' বৰদেউতাৰ বুকু ছিঙাল ফটাদি ফাটি যায়। কও নকওকৈ মই বৰদেউতাক ইঙ্গিতেৰে যেন প্ৰশ্ন কৰিলো, 'বৰদেউতা! আমাৰ সমাজত এটা প্ৰচলিত কথা আছে বোলে বালিলৈ যিপাত সুগ্ৰীৱলৈও সেইপাত। আপোনাৰ ক্ষেত্ৰত তাৰ পুনৰাবৃত্তি হোৱা নাইতো। মোৰ কথাত হস্তক্ষেপ কৰি তেখেতে কলে, 'তই নাজান বাপু, মই আই-বোপাইক অত্যাচাৰ কৰাৰ সুবিধা ক'ত পালো। আই মই সৰু থাকোতেই গ'ল আৰু পিতাই মোৰ বিয়াৰ আগতে গ'ল। এয়া আমাৰ প্ৰাৰব্ধ কৰ্মফলহে ভূগিছো কিজানি।'

চাকৰি জীৱনৰ সমস্ত উপাৰ্জনৰে সকলোৰে পৰা প্ৰশংসা বুটলিব পৰা এখন ঘৰ বনালে। দহখন গাঁৱত ৰজনজনাই যোৱাকৈ সকলোৰে মন জয় কৰাকৈ, পো, জীয়ৰীৰ বিয়া পাতিলে বৰদেউতাই। গাঠিৰ ধন শেষ কৰিলে আৰু আজিঃ আজি সেই বুঢ়া-বুঢ়ীয়ে এটি পৰিত্যক্ত কোঠাত মৃত্যুৰ ক্ষণ গণিছে। বৰ ক্ষোভ আৰু অনুতপ্ত হৈ বৰদেউতাই পুনৰ কৈ গ'ল, 'সকলো কৰিলো বুলি ভাবিলো যদিও মোৰ আচল কামটো নকৰি এতিয়া পস্তাইছো। এটি পবিত্ৰ গুৰু গৃহ নবনালো। যাক হয়তো নিৰ্ভৰযোগ্য আশ্ৰয় স্থল বুলি ভাবি জিৰণি ল'ব পাৰিলোহেঁতেন।

ইয়াৰ মাজতে এদিন বৰদেউতাই এটা বন্ধ লেফাফা মোৰ হাতত তুলি দি মোৰ চকুলৈ নোচোৱাকৈ গল চেপি কৈছিল, 'বোপাই ইয়াতে

(১০ পৃষ্ঠাত চাওক)

# শৰীৰত মনৰ আধিপত্য

(৯ পৃষ্ঠাৰ পৰা)

বুদ্ধিৰে ঢুকি পায় আৰু ঈশ্বৰৰ বাঙ্ময় মূৰ্তিক অঙ্কিত কৰি সাক্ষাত কৰে।

মনৰ চতুৰ্থ অৱস্থাটো হ'ল চিত্ত, এই চিত্ত কেৱল মানৱ দেহতহে সম্ভৱ। বুদ্ধিয়ে সমস্ত কৰ্মৰ সাৰমৰ্ম উদ্ধাৰ কৰে, অহংকাৰে হিতৰ অৰ্থে গ্ৰহণযোগ্য সমূহ গ্ৰহণ কৰে আৰু চিত্তে ইয়াক সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰি সেইমতে কাৰ্য ব্যৱস্থা ৰূপায়ণ কৰে। চিত্তৰ এই গুণৰ বাবেই মানৱ জাতিৰে প্ৰকৃতিৰ সকলো প্ৰতিকুল অৱস্থা অতিক্ৰম কৰি জীয়াই থাকিবলৈ সক্ষম হৈছে। চিত্তক সুদৃঢ় কৰিবপৰা মনোবল যিজনৰ আছে তাৰাইহে মাত্ৰ ঈশ্বৰৰ সাক্ষাত লাভৰ উপায় জানে। ঈশ্বৰৰ একান্ত ভকতসকলে নিজৰ সুদৃঢ় চিত্তৰ দ্বাৰা প্ৰকৃতিৰ সকলো প্ৰাণীতে ঈশ্বৰ দৰ্শন কৰে। মনৰ উন্নতম অৱস্থা চিত্তে সকলো ধৰণৰ মানসিক অতিমাত্ৰিক ক্ৰিয়াত অহৰহ বাধা প্ৰদান কৰে। ইয়াক অতিক্ৰম কৰিলেই জগতৰ সকলো ধৰণৰ অনৰ্থ ঘটে।

মানুহে সাধাৰণতে জীৱনৰ সৰহ কাল বিষয়চিন্তা কৰিয়ে কটায়। এই বিষয় চিন্তাৰ কৰোঁতে কৰোঁতে ঈশ্বৰ চিন্তা প্ৰতি পিঠি দি একমাত্ৰ বিষয় চিন্তা প্ৰতিহে তেওঁ আসক্তি আহি পৰে। আসক্তি প্ৰৱল হ'লে তেওঁ মনত কামনা বাসনাৰ উদয় হয়। কাম পৰিপূৰণত বাধা পালেই তেওঁ মনত ক্ৰোধ উৎপন্ন হয়, ক্ৰোধৰ পৰা মোহ আৰু মোহগ্ৰস্ত হ'লে তেওঁ হিতাহিত জ্ঞান লোপ পায়, কাৰো হিতোপদেশ তেওঁ কাণত নুসুমাই স্মৃতি ধ্বংস কৰে আৰু ফলস্বৰূপে তেওঁৰ বিবেক বুদ্ধি সম্পূৰ্ণৰূপে লোপ পায়। বিবেক বুদ্ধি লোপ পালেই তেওঁ ঘোৰ সংসাৰ সাগৰত পতিত আৰু নিমজ্জিত হৈ বিনাশপ্ৰাপ্ত হয়। যি জনৰ চিত্ত মন সৰ্বদায় ঈশ্বৰত লিপ্ত তেওঁ ইন্দ্ৰিয়ৰ দ্বাৰা বিষয় ভোগ কৰিলেও বিশেষ দোষ নহয়, কিয়নো বিষয় ভোগেও তেওঁৰ চিত্ত বিষয় বাসনাৰ প্ৰতি আকৃষ্ট কৰিব নোৱাৰে। এনে ধৰণৰ লোককেই নিলিপ্ত সংসাৰী বোলে। ভকত সংসাৰত থাকিলে দোষ নাই, কিন্তু ভকতত সংসাৰ থাকিলেহে বিপদ। (গীতা, ৫/১০-১১)

মন সকলো ইন্দ্ৰিয়ৰ ওপৰতে কতৃত্ব থকা একাদশ ইন্দ্ৰিয় (Super Organ) ইন্দ্ৰিয়সমূহ সাধাৰণতে বিষয় ভোগত আসক্ত, এই আসক্তিযুক্ত ইন্দ্ৰিয়সমূহক ভোগৰ প্ৰতি আসক্তি আৰু বিৰক্তি দুয়োটা কাৰ্যত মনে উদ্দীপনা যোগান ধৰি সক্ৰিয় কৰি তোলে আৰু ইন্দ্ৰিয় ভোগাসক্ত হৈ উঠে। ফলস্বৰূপে জগতৰ জীৱ সমষ্টিয়ে বিশেষকৈ মনুষ্যগণৰ সকলো প্ৰকাৰৰ দুখৰ কাৰণ এই ভোগলিপ্সা মনৰ অসীম পিপাসা। বৰ্তমান জগতৰ সৰ্বত্ৰ সংঘটিত হোৱা হত্যা-সন্ত্ৰাসৰ একমাত্ৰ কাৰণ সেইটোয়েই। দুৰ্জয় ইন্দ্ৰিয়সমূহক জয় কৰিবলৈ মনক নিয়মিব লাগিব, কাৰণ ইন্দ্ৰিয়সমূহে মনৰ আজ্ঞা পালি থাকে—

"যতেক ইন্দ্ৰিয়গণ মনৰ অধীন।
মনৰেসে আজ্ঞা পালি থাকে ৰাত্ৰি দিন।।"

— অনাদি-পাতন

"হুয়া শৌচ কৰা নিত্য মনক সংযম" মনক সংযম কৰি ভোগ-বিলাসৰ লালসা পৰিত্যাগ কৰি কাম, ক্ৰোধ, লোভ, মোহ দম্ভ দ্বেষ বিষয় বাসনাৰ প্ৰতি থকা আসক্তি মনৰ পৰা ত্যাগ কৰি মনৰ সবোৰ্তম সাধনৰ জৰিয়তে মানুহৰ জীৱন কালতেই সৰ্বকালৰ বাবে জন্ম-মৃত্যুৰ হাত এৰাই জীৱ চিৰমুক্ত হ'ব পাৰে। যিহেতু মনৰ লগত জীৱৰ ওতপ্ৰোত সম্বন্ধ আছে, মনৰ প্ৰতিটো কৰ্মি জীৱক আলোড়িত কৰি তোলে। নিৰন্তনহীন মনে অহৰহ কৰি যোৱা ভোগ প্ৰৱণতাৰ বাবেই জীৱই কৰ্ম পাশত বন্দীহৈ নিয়ন্ত্ৰণ হেৰুৱাই তিনি তাপত ভুগিব লাগে আৰু জীৱজগতৰ চিৰন্তন সত্য জন্ম-মৃত্যুৰ পৰা হাত সাৰিব নোৱাৰে, গতিকে জীৱশ্ৰেষ্ঠ মানুহ হিচাপে ধ্যান ধাৰণা কৰি সুদৃঢ় বিশ্বাসে জীৱাত্মাৰ হিত চিন্তা কৰি মনটোক ভগৱন্তত ভক্তিৰ বাবে উপযোগী কৰি তোলাৰ নিতান্ত্ৰই প্ৰয়োজন আছে।

"তাকে বুলি জীৱ মন এৰে ভিন্ন নুই।
একে ভিন্ন ভৈলা যেন লোহা অগ্নি দুই।।"

— অনাদি-পাতন

তৈত্তিৰীয়োপষিদত ভৃগু ঋষিয়ে ব্ৰহ্মবিদ্যা শিকিবৰ বাবে পিতৃবৰুণ এজন অভিজ্ঞ উপদেশক গুৰু আছিল, তেওঁ পোনপটীয়াকৈ শিষ্যক তত্ত্ব বিদ্যা দিয়াটো সমিচীন নহয় বুলি ভাবি, শিষ্যই যাতে নিজৰ ফালৰ পৰা মনন কৰি তত্ত্বজ্ঞান ল'ব পাৰে, এই মনোভাৱেৰে তেওঁ ভৃগুক সংকেটৰূপে ছয়টা শব্দ উচ্চাৰণ কৰি শুনালে— মনৰ পৰাই (মনসঃ হি এৱে) নিশ্চয় ভূতবৰ্গ উৎপন্ন হৈছে (খলু ইমানি ভূতানি জায়ন্ত) মন আছে বাবেই (মনসা) উৎপন্ন হোৱা বিলাক (জাতানি) জীয়াই আছে (জীৱন্তি) মৰণৰ সময়ত প্ৰাণ প্ৰভৃতি মনৰফালে গতি কৰে (মনঃ প্ৰযন্তি) তাতে লীন যায় (অভিসংৱিশান্তি ইতি) মনৰ পৰাই জীৱই শৰীৰ ধাৰণ কৰে, কাৰণ মন জ্ঞান শক্তিযুক্ত, প্ৰাণৰ প্ৰৱেশো মূলতে মনৰ অধীন. গাৰ্গমুনিয়ে প্ৰশ্ন কৰিছিল (কথমায়াতি অস্মিন শৰীৰ?) অৰ্থাৎ প্ৰাণ এই শৰীৰলৈ কেনেকৈ আহে? উত্তৰত পিপ্পলাদই কৈছিল (মনোকৃতেনায়াতি অস্মিন শৰীৰে) মনোকৃত মানে এনে শৰীৰ ধাৰণ কৰিম, মনৰ এনে ধৰণৰ মৰণ কালিক চিন্তাই পৰৱৰ্তী শৰীৰ ধাৰণৰ সেতু। জোক এটাই আন এডাল তৃণৰ খোপনি পালেহে আগৰ তৃৰ্ণডাল এৰাৰ দৰে মনেও পৰৱৰ্তী দেহৰ ভাৱনা কৰে। মৃত্যুৰ সময়ত ইন্দ্ৰিয় আদি গৈ প্ৰাণত লয় পায়, প্ৰাণ গৈ মনত একাকাৰ হয়। গতিকে জন্ম, স্থিতি আৰু লয়— এই নিতিওটা লক্ষণ মনৰ আছে, এতেকে ব্ৰহ্মত্ব পাবৰ যোগ্য। ব্ৰহ্মবিন্দু উপনিষদত মনৰ মাহাত্মা বৰ্ণনা কৰিছে—

"মন এৱ মনুষ্যানাং কাৰণং বন্ধেমোক্ষয়োঃ।
বন্দায় বিষয়াসক্তং মৃক্ত্য নিধিশেষং স্মৃতম।।"

মন স্বাধীন বা স্বতন্ত্ৰ নহয়, অপৰিণামী সত্তা স্বাধীন ব্ৰহ্ম বা চৈতন্য ব্ৰহ্মৰ বাদে আন কোনো উপাদানেই স্বাধীন বা স্বতন্ত্ৰ নহয়। "ঈশ্বৰৰ প্ৰতিবিম্ব লাগিছে মনত"। সেয়েহে মনটোক তুলনামূলকভাৱে সকলো বস্তুতকৈ স্বতন্ত্ৰ যেন অনুভৱ হয়। কিন্তু মন যে স্বতন্ত্ৰ নহয়, মাধৱদেৱে লিখিছে—

"যিহেতু চৈতন্য পূৰ্ণপৰমাত্মাৰূপে হৰি
হৃদয়ত আছন্ত প্ৰকাশি।
তাতেসে ইন্দ্ৰিয়গণ ভূতপ্ৰাণ বুদ্ধি মন
প্ৰৱৰ্ত্তে যতেক জড়ৰাশি।।"

অৰ্থাৎ যিহেতু চৈতন্য পূৰ্ণ পৰমাত্মা ৰূপে হৰি প্ৰত্যেক জীৱৰ হৃদয়ত অৱস্থান কৰি প্ৰকাশ হৈ আছে বাবে ইন্দ্ৰিয়সমূহ পঞ্চভূত, প্ৰাণ, বুদ্ধি, মন আদি সমস্ত জড় ইন্দ্ৰিয় আদিত এই চৈতন্য প্ৰৱৰ্তিত হৈ প্ৰেৰণা দি সিহঁতৰ দ্বাৰা নিজ নিজ বৃত্তিৰ কাৰ্য কৰাইছে। মনৰ যত্ন লোৱা কামে নিজে নিজে যত্ন ল'বই। স্বামী বিবেকানন্দই কৈছে— "Take care of the mind, action will take care of itself." মন সদায় পাৰিপাশ্বিক অৱস্থাৰ অধীন। মানুহৰ মনোজগতখনৰ ৭৫ শতাংশ পাৰিপাৰ্শ্বিক অৱস্থাই নিয়ন্ত্ৰণ কৰে।

এয়া ঈশ্বৰৰ পূৰ্ব নিদ্ধাৰিত পৰিকল্পনাৰেই অন্যতম ক্ৰিয়া। বাকী ২৫ শতাংশ নিজৰ আহোপুৰুষাৰ্থ আৰু ৰুচিবোধৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। সেয়েহে কোনো ব্যক্তিয়ে নিজকে প্ৰতিষ্ঠা কৰিবলৈ প্ৰথমে তেওঁ ২৫ শতাংশ মনক ক্ৰিয়াশীল কৰি দৃঢ় হ'ব লাগিব। এই দৃঢ়তাই হ'ব এজন সাধাৰণ লোক অসাধাৰণ মহাপুৰুষলৈ উত্তৰণৰ প্ৰথম আধাৰশিলা। পাৰিপাশ্বিক পৰিৱেশ আদি প্ৰকৃতিৰ বিষয়ত মন সদাই আকৃষ্ট হয়। সমাজৰ পৰিৱেশ আৰু আত্মা এই দুই সত্তাৰ ভিতৰত যিটোৱেই মনক অধিকভাৱে প্ৰভাৱিত কৰে মনে তাকেই গ্ৰহণ কৰে। গুৰুধৰ্মত পাৰিপাশ্বিকতা নিৰ্বাচনত এক সুন্দৰ উপায় দিছে 'সৎসঙ্গ'। সৎসঙ্গৰ জৰিয়তে ভক্তি সাধন কৰিলেহে ঈশ্বৰত ভকতি হয়। সেয়েহে জীৱ মুক্তিৰ সহজ সাধ্য তথা একমাত্ৰ নিৰ্ভৰযোগ্য সাধনেই হ'ল— 'সৎসঙ্গ'

"মাধৱে বোলন্ত সখি শুনা পৰিচ্ছেদ।
পঢ়ে সবে শাস্ত্ৰ যদি জানৈ চাৰিবেদ।।
কৰিতে নপাৰে মোত তথাপি ভকতি।
নলৱয় নৰে যেৱে সন্তৰ সঙ্গতি।।"

— ভাগৱত

# দধীচিৰ দেহ দান

(৯ পৃষ্ঠাৰ পৰা)

মোৰ অন্তিম ইচ্ছা পত্ৰখন আছে। মোৰ মৃত্যুৰ খবৰ পালেই প্ৰথমে উপস্থিত গঞাঁৰ মাজত এইখন পঢ়িবি আৰু সেইমতে কাম কৰিবি। জানিবি তেহে মোৰ দগ্ধাত্মাই শান্তি পাব।

মই লেফাফাটো লৈ এবাৰ ভালকৈ চালো। তাত মোৰ নাম লিখি 'কেৱল প্ৰহ্লাদৰ বাবে' বুলি নিৰ্দিষ্টকৰা আছে। মই ক'লো, 'বৰদেউতা ইয়াত যি লিখা আছে' সেয়া কেৱল মই জানিলেইনহ'ব। আনেও জনাটো দৰকাৰ। নহ'লে মই মিঠ্যা চাৰীতাত নপৰিম জানো' আন পৰিজনেও জানি থোৱা ভাল হ'ব।' উত্তৰত নবীন খুৰাৰ হাতত ইয়াৰ এটা কপি দিয়া আছে বুলি বৰদেউতাই জনালে মোক।

এদিনৰ কথা মোৰ মনলৈ বৰকৈ আহি আছে। 'বাপু! মই প্ৰতি নিশা মৰি আছো। মোৰ বাহিৰৰ দেহাটো জীৱন্তে নিঠৰ হৈ আছে। সঘনে ভকতৰ পদধূলা লৈ আছো বাবেহে জীৱাত্মাটো এতিয়াও চলি আছে। মোৰ দেহাত্মা দেখি দগ্ধ জীৱাত্মাৰ আন্দাজ কৰোতে ভুল নকৰিবি। সেই পিঞ্জৰাৰ চৰাইটোৰ দৰেই বাঁহটো হ'ল মোৰ দেহা আৰু তাৰ ভিতৰত চট্‌ফটাই থখা চৰাইটোৱে মোৰ জীৱাত্মা। দেহাই কষ্ট, লঘু লাঞ্চনা পোৱাটো সাধাৰণ কথা; কিন্তু জীৱাত্মাক শাস্তি দিয়টো বৰ ডাঙৰ পাপ। আজি তিনিবছৰে ঘৰখনত ভকতৰ পদধূলা পেলাব পৰা নাই।' মই লক্ষ্য কৰিলো বৰদেউতাৰ চকুযুৰি ৰঙা পৰিছে, তপ্তাশ্ৰু ওলাই আহিছে। হুক্‌হুকাই কান্দিছে। হাতেৰে চকু মোহাৰি অলপ উচ্চস্বৰে চিঞৰি ক'লে, মোক পৰিত্ৰাণ লাগে। একমাত্ৰ তইহে মোৰ পৰিত্ৰাণৰ ব্যৱস্থা কৰিব পাৰিবি।'

অন্য এদিন ঘৰত কোনো নথকাৰ সুবিধা লৈ বৰদেউতাই মোক মাতি পঠালে। তেখেতৰ কথা পেলাব নোৱাৰো। আহিলো। মোক বাৰাণ্ডাতে বহুৱাই প্ৰথমে মোৰ দৈহিক মানসিক অৱস্থাৰ বুজ ললে। পিছত ঘৰত কিবা বন কৰি থকা বৰমাক মাতি কাষত বহুৱাই লৈ কেইটামান অতি গুৰুত্বপূৰ্ণ অথচ হৃদয় বিদাৰকঃ কোনো কালে কোনো পিতৃ-মাতৃয়ে ইচ্ছা নকৰা, লোমহৰ্ষক, বিস্ফোৰক কথা ক'লে, যিখিনি কথা মোৰ মুখেৰে ব্যক্ত কৰাটো কোনো কাৰণত সম্ভৱ নহব। কথাখিনি কলমৰ আগেদিও ওলাব নিবিচাৰে। থমকি ৰয় কলম। হাত কঁপে। 'বোপা প্ৰহ্লাদ' বৰদেউতাই কথা আৰম্ভ কৰিব ধৰোতেই মই গধুৰ বেদনাশিক্ত পৰিবেশটো অধ্যয়ন কৰি ক'লো, 'বৰদেউতা এটা কথা আছে নহয় 'মোৰ পু দুষ্ট; মোকে মাৰে, মোকে কাটে, মোকে কৰে তুষ্ট' সৰুৱে পানী পেলাই ডাঙৰ পিচলি পৰে। এইবোৰ কথা ইমান গভীৰকৈ নল'ব। বৰমা! ল'ৰা-বোৱাৰী, ঘৰত নাইনেকি?' কথাৰ দিশ বদলাবলৈকে এই অলাগতিয়াল কথাটো সুধিলো। বৰমাই ক'লে, সিহঁতৰ পৰিয়ালটি জাগীৰোডলৈ গৈছে। বায়েকৰ ঘৰত বিয়া আছে। তিনিদিনৰ পাছতহে আহিব। মোৰ বুজিবলৈ বাকী নাথাকিল যে এই তিনিদিন বুঢ়াবুঢ়ীৰ পেট মৰিব। বৰদেউতাই কথাৰ মাজতে বাধা দি অধোমুখে অনগল কৈ গ'ল, 'বোপা মোৰ যি অনুমান হৈছে বৰমাৰ আগতে যাব আৰু পিছে পিছে মই যাম।' অলপ পাছত নিজে নিজক ক'লে, 'এনে হ'বও পাৰে, নহব' পাৰে। সকলো তেৰাৰ ইচ্ছা। তথাপি মই যদি আগত যাব লগা হয়, তেন্তে নিঃসঙ্গ বৰমাক সমৰ্থন কৰিবলৈ তই লেফাফাটো লৈ তাৎক্ষণে মোৰ শ-দেহৰ কাষত উপস্থিত হ'বলৈ নাপাহৰিবি। এলাহ নকৰিবি, দেৰিও নকৰিবি।' কৈয়ে বৰদেউতাই আত্ম প্ৰত্যয়ৰ বাবে মোৰ হাত দুখনত জোৰকৈ খামুচি ধৰি মোৰ পৰা আশ্বস্ত হবৰ প্ৰয়াস কৰিলে। বৰদেউতা বৰ আবেগিক হৈ পৰিছে। কথাৰ বিসংগতিবোৰ দেখি মই আচৰিত হ'লো। হঠাৎ বৰমা আমাৰ কাষৰ পৰা উচাৎ মাৰি উঠি কৈ গ'ল, 'চাচোন বাপু! এতিয়াই এইবোৰ কথা ভাবিব লাগেনে?' 'তুমি এনেবোৰ কথাত হকা-বাধা নিদিবা। মৰাৰ আগতে চব কাম চিজিল কৰি যাব বিচাৰো। দেখিছো নহয়

(১২ পৃষ্ঠাত চাওক)

# নাম-ঘোষা
# এক চমু অৱলোকন

**ৰণ্টু খনিকৰ**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰপন্ন শিষ্য তথা একশৰণ হৰিনাম ধৰ্মৰ সুযোগ্য উত্তৰাধিকাৰী মহাপুৰুষ মাধৱদেৱৰ মহত্তম সৃষ্টি ‘নাম-ঘোষা’ অসমীয়া সাহিত্যলৈ এক অনবদ্য অৱদান। সৰ্বগুণাকৰ শঙ্কৰদেৱৰ দৰে মাধৱদেৱো আছিল অলেখ গুণৰ অধিকাৰী, পৰ্বতসম ব্যক্তিত্ব আৰু আকাশলঙ্ঘী প্ৰতিভাসম্পন্ন মহান পুৰুষ। ভাষাতত্ত্ববিদ ড° বাণীকান্ত কাকতিৰ মতে— “নামঘোষাই অসমীয়া জাতীয় সাহিত্যত গীতা, উপনিষদ আদিৰ ঠাই অধিকাৰ কৰি আছে। একশৰণ ধৰ্মৰ মাহাত্ম্য প্ৰতিষ্ঠাপক নাম-ঘোষাত বাজে অসমীয়া ভাষাত আৰু দ্বিতীয় নাই।”

“নামঘোষা” শব্দটোৰ নাম বুজিব লাগিলে শ্ৰীকৃষ্ণৰ নামসমূহ আৰু সেই নামবোৰৰ লগত সম্বন্ধ থকা তেওঁৰ ৰূপ-গুণ, লীলা আদি বুজিব লাগিব। তেওঁৰ নামবোৰৰ তাৎপৰ্য ত্ৰিকালতে গৰ্গ ঋষিয়েও জানিবলৈ সক্ষম নহয় বুলি কৈছে। ভগৱানে তেওঁৰ সমস্ত নাম নিজেই গ্ৰহণ কৰিছে, কেৱল শাস্ত্ৰকাৰ ভক্তসকলে নামসমূহৰ বৰ্ণনা দিছে মাত্ৰ।

‘নাম-ঘোষা’ৰ ‘ঘোষা’ শব্দটোও অতি তাৎপৰ্যপূৰ্ণ। সংস্কৃত ‘ঘোষা’ শব্দৰ পৰা ‘ঘোষা’ হৈছে। ‘ঘোষন্তি শব্দায়ন্তে’। ‘ঘোষা’ মানে ‘নাদ’ ‘নদ’ শব্দে ঘঞ, অৰ্থাৎ ধ্বনি। ‘নাম’ উচ্চাৰণৰ লগত ‘নাদ’ বা ‘ঘোষ’ৰ সূক্ষ্মভাৱে দৃঢ় সম্বন্ধ আছে। ব্যাসদেৱে যিদৰে যোগ অৱলম্বন কৰি সমাধিস্থ হৈ নাদৰূপী পৰমব্ৰহ্মৰ নাম-গুণ লাভ কৰিছিল, সেইদৰে প্ৰকৃত নামত ৰসাস্বাদন কৰিবলৈ হ’লে নাদৰ সাহায্য একান্ত আৱশ্যক।” (ড° ইন্দিৰা শইকীয়া বৰা ঃ গবীয়সী, একাদশ সংখ্যা, আগষ্ট, ২০০৩, পৃষ্ঠা-৪৯)

নাম-ঘোষাৰ ৰচনাকাল মন কৰিবলগীয়া? ‘শঙ্কৰদেৱ কোচবেহাৰলৈ যোৱাৰ পিছত মাধৱদেৱে নাম-ঘোষা ৰচনাৰ কাম আৰম্ভ কৰে। শ্ৰীশ্ৰীগোপালদেৱৰ চৰিতত উল্লেখ আছে এনেদৰে— শ্ৰীশ্ৰীশঙ্কৰদেৱে ক’লে— বঢ়াৰ পো এখনি ঘোষাশাস্ত্ৰ কৰা।

শ্ৰীমাধৱদেৱ ঃ ঈশ্বৰপুৰুষ কোন প্ৰকাৰে।

শ্ৰীশঙ্কৰদেৱ ঃ পকা বগৰীৰ দৰে বাহিৰে খাবলৈ কোমল, ভিতৰে গুটিটি টান।

শ্ৰীমাধৱদেৱ ঃ ভাল। এই বুলি ‘মৎস্যকুৰ্ম্ম’ ঘোষাটি লিখিলে।

শ্ৰীশঙ্কৰদেৱ ঃ (হাঁহি) বঢ়াৰপো, মোক দিয়াচোন। এইবুলি মুক্তিতো নিস্পৃহ যিটো’ ঘোষাটিৰ প্ৰথম চৰণ লিখোতেই শ্ৰীমাধৱদেৱে আমাক দিবলৈ হক, এইবুলি দ্বিতীয় চৰণ লিখিলে।” (শ্ৰীযতীন্দ্ৰনাথ গোস্বামী ঃ অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী, পৃষ্ঠা-৯৯)

‘নাম-ঘোষা’খন বিষ্ণুপুৰীৰ ভক্তি-ৰত্নাৱলীৰ কান্তিমালা টীকাৰ মোকৰ ভাঙনিৰে আৰম্ভ হৈছে। প্ৰথম ঘোষাটি—

“মুক্তিতো নিস্পৃহ যিটো/ সেহি ভকতক নমো/ ৰসময়ী মাগোহো ভকতি। সমস্ত মস্তক মণি/ নিজ ভকতৰ বশ্য/ ভজো হেন দেৱ যদুপতি।।” —নাম-ঘোষা-১

অৰ্থাৎ ‘মুক্তিতো স্পৃহা নথকা সিসকল ভক্তই প্ৰতি মুহূৰ্ততে নতুন আনন্দদায়িনী ভক্তিক অৱলম্বন কৰি সমস্ত মস্তক মণি পৰমেশ্বৰক নিজৰ অধীন কৰে, সেইসকল ভক্তকো সদায় নমস্কাৰ কৰো, সেই ভক্তিকো নমস্কাৰ কৰো আৰু সেই ভক্তবৎসল হৰিকো সদায় ভজনা কৰো।

ড° বাণীকান্ত কাকতিদেৱে নাম-ঘোষাৰ তিনিটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰিছে—

(১) গুৰু গৰিমা বা পুণ্যশ্লোক শঙ্কৰ স্মৃতি
(২) মাধৱদেৱৰ আত্মলঘিমা বা দাস্য ভাৱ আৰু
(৩) কৃষ্ণ ভক্তি মাহাত্ম্য। আমি এই তিনিটা বৈশিষ্ট্যকে চমুকৈ আলোচনা কৰাৰ প্ৰয়াস কৰিলো।

(১) **গুৰু গৰিমা বা পুণ্যশ্লোক শঙ্কৰ স্মৃতি** ঃ মাধৱদেৱৰ গুৰু ভক্তিৰ নিদৰ্শন অতুলনীয়। শ্ৰীমন্ত শঙ্কৰেই যে প্ৰকৃত গুৰু, পৰমগুৰু, জগতৰ গুৰু তাক স্পষ্ট ৰূপত উল্লেখ কৰিছে—

“শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।।”
— নাম-ঘোষা, ৩৭৫

“শ্ৰীমন্ত শঙ্কৰে প্ৰকাশিলা/ গোবিন্দৰ গুণ নাম যশ/ জগতৰ লোকে পৰম আনন্দ গাৰে। হেনয় শঙ্কৰ গুৰু বিনে/ কমন কাৰণে আন জনে/ লোকৰ মাজত আপুনি গুৰু বোলাৱে।।”— নাম-ঘোষা, ৬২৫

তদুপৰি শ্ৰীমন্ত শঙ্কৰদেৱে যে তেখেতৰ পথ প্ৰদৰ্শক তথা হৰিভক্তিৰ ৰাজমাৰ্গ গুৰু ইয়াক প্ৰতীয়মান কৰিছে, নাম-ঘোষাৰ ঠায়ে ঠায়ে, পাতে পাতে সিঁচৰিত হৈ থকা গুৰু গৰিমাৰ ভক্তি বিগলিত অমিয়া সুৰৰ প্ৰতিধ্বনিসমূহে—

“হৰি ভক্তি ৰাজমাৰ্গ গুৰু/ নদ নখ চন্দ্ৰ প্ৰকাশিত/শ্ৰুতি জননীৰ পদপন্থ অনুসৰি। ফুৰো হুয়া আমি আনন্দিত/ স্খলন নাহিকে কদাচিত/ মহাজনসৰে জানিবা নিশ্চয় কৰি।।” —নাম-ঘোষা, ৬২৪

“যিটো মহামতি গুৰুজনে/ হৰিভক্তি পন্থ উপদেশ/ দিয়া দুখঃময় সংসাৰৰ পাৰ কৰে। হেনয় পৰম গুৰু ঋণ/ সুজিবাক প্ৰতি জানা নিষ্ঠ/ অন্যত্ৰ উপায় নাহি অঞ্জলিত পৰে।।” —৬৭৯

(২) **মাধৱদেৱৰ আত্মলঘিমা** ঃ ড° বাণীকান্ত কাকতিয়ে মাধৱদেৱক ‘দাস্য ভক্তিৰ মূৰ্তিমান স্বৰূপ’ বুলি অভিহিত কৰিছে। তাৰাই কেতিয়াও কোনো ঠাইতে আত্মস্তৰিতাৰ পৰিচয় দিয়া নাই। ইয়াৰ পৰিৱৰ্তে নিজকে দাসৰো দাস হিচাপে চিহ্নিত কৰিছে—

“নোহো জানা আমি চাৰি জাতি/ চাৰিয়ো আশ্ৰমী নোহো আতি/ নোহো ধৰ্ম্মশীল দান ব্ৰত তীৰ্থগামী। কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ/ গোপীভৰ্তা পদকমলৰ/ দাসৰো দাসৰ তান দাস ভৈলো আমি।।” —নাম-ঘোষা, ৬৭০

মূৰখমতি, দাস, দীন, দুৰাচাৰ আদি শব্দৰ প্ৰয়োগেৰে প্ৰভু ভগৱন্তৰ চৰণত একান্তচিত্তে শৰণাপন্ন হৈছে। কাৰণ, জীৱতৰণৰ একমাত্ৰ উপায় হৈছে কৃষ্ণত শৰণ। সেয়েহে তাৰাৰ পবিত্ৰ বাণীসমূহৰ মাজেদি প্ৰতিফলন ঘটিছে ভগৱন্তৰ প্ৰতি অসীম শ্ৰদ্ধা আৰু ভক্তিৰ মূৰ্তিমন্ত স্বৰূপ—

(১৪ পৃষ্ঠাত চাওক)

# শ্ৰীমদ্ভগৱতগীতা
# আৰু একশৰণ তত্ত্ব

**ভৈৰৱ চন্দ্ৰ বৰুৱা**

ধৰ্মীয় তথা আধ্যাত্মিক জ্ঞানৰ শাস্ত্ৰৰ ভিতৰত সমগ্ৰ বিশ্বতে উচ্চাসন আৰু মান্যতাপ্ৰাপ্ত ত্ৰয়োদশ উপনিষদৰূপে খ্যাত ‘শ্ৰীমদ্ভগৱতগীতা’ শাস্ত্ৰখনিৰ বাজ্ময় ৰূপ প্ৰদান কৰোতা হ’ল ঋষি ব্যাসদেৱ। মহাভাৰতৰ কুৰুক্ষেত্ৰ মহাৰণৰ প্ৰাক্কক্ষণত কুটুম্বৰ বিৰোদ্ধে অস্ত্ৰ ধাৰণ কৰিবলৈ অনিচ্ছুক দ্বিধাগ্ৰস্ত, মায়া বিমোহিত, শোক বিহুল, সন্দন্দমন, ৰণবিমুখ তৃতীয় পাণ্ডৱ ধনঞ্জয়ক কৰ্তব্যাকৰ্তব্য আৰু স্বধৰ্ম পালনৰ পৰম জ্ঞানৰ ভগৱন্ত শ্ৰীকৃষ্ণৰ স্বমুখ নিসৃত অমৃতবাণীয়েই হ’ল ‘শ্ৰীগীতা’ শাস্ত্ৰ। অৱশ্যে কুৰুক্ষেত্ৰ যুদ্ধৰ কালত প্ৰকাশ হোৱা ‘গীতা’ পূৰ্বতেই প্ৰকাশিত। এই কালত কৃষ্ণাৰ্জুন বাৰ্তালাপৰ জৰিয়তে ইয়াৰ পুনৰ প্ৰকাশ হৈছে। ‘শ্ৰীগীতা’ উপনিষদ আদকৰি সমস্ত বেদান্ত শাস্ত্ৰৰ সাৰ তথা নিৰ্ণায়ক গ্ৰন্থ। ‘গীতা’ শাস্ত্ৰখনি বেদান্ত দৰ্শনৰ অন্তৰ্গত স্মৃতি প্ৰস্থান শাস্ত্ৰৰ ভিতৰত পৰে। বেদান্ত দৰ্শনৰ ঈশ্বৰ তত্ত্ব, একেশ্বৰবাদ তথা একশৰণ তত্ত্বৰ সুদৃঢ় ভেটি হ’ল এই গীতা শাস্ত্ৰ। ইয়াৰ পৰাই পৰম তত্ত্বসমূহৰ অমৃত ৰস দৈৱকীনন্দন শ্ৰীকৃষ্ণৰ কৃপাত অৰ্জুনৰ জৰিয়তে জগতৰ মনুষ্যে পান কৰিবলৈ সমৰ্থ হৈছে। সেয়ে গীতাৰ মহাত্ম্য বখানি বৈষ্ণৱীয় তন্ত্ৰসাৰ গ্ৰন্থত কৈছে—

“সৰ্বোপনিষদো গাৱো দোগ্ধা গোপাল নন্দনঃ।
পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতঃ মহৎ।।”

মহাপুৰুষ মাধৱদেৱে ইয়াৰ সুন্দৰ ভাঙনি কৰিছে এনে ধৰণে—

“সকলো উপনিষদ ধেনু/দোগ্ধা ভৈলা তানে নন্দসুত/তাৰ বৎস ভৈলা কুন্তীসুত ধনঞ্জয়। দুগ্ধ ভৈল মহা গীতামৃত/ কৃষ্ণৰ চৰণে দিয়া চিত্ত/ সুবুদ্ধি সকলে সন্তোষে পান কৰয়।।” —৬৬৮

আকৌ ভক্তি-ৰত্নাকৰ গ্ৰন্থত গীতাক সৰ্বশাস্ত্ৰৰ মধ্যত শ্ৰেষ্ঠাসন দি কেৱল দৈৱকীনন্দন ভগৱন্ত শ্ৰীকৃষ্ণৰ সেৱা-ভক্তি-কৰ্ম-গুণানুকীৰ্তনৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰি প্ৰকাশ কৰিছে। যথা—



“একং শাস্ত্রং দৈৱকী পুত্র গীতম
একো দেৱ দেৱকী পুত্ৰ এব।
কৰ্মপ্যেকং ৰস্য দেৱস্য সেৱা
মন্ত্ৰোহপ্যেকঃ তস্য দেৱস্য নাম।।”
— ভক্তি-ৰত্নাৱলী, ৫/৩১

মহাপুৰুষ মাধৱদেৱে ইয়াক সৰল ভাষাৰে বৰ্ণাইছে—

“একখানি মাত্ৰ শাস্ত্ৰ নিষ্ঠ/ দৈৱকী নন্দনে কৈলা যাক/ দেৱো একমাত্ৰ দৈৱকী দেৱীৰ সুত। দৈৱকী পুত্ৰৰ পদ সেৱা/ কৰ্মো একে এহিমানে মাত্ৰ/ মন্ত্ৰো একে তান নাম মাত্ৰ অদভূত।।” —৬৬৬

শ্ৰীমদ্ভগৱতগীতাত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুন জৰিয়তে সংসাৰ চক্ৰত পৰিক্ৰমণ কৰি থকা মনুষ্যক স্বভাৱ নিয়ত কৰ্ম বা স্বধৰ্ম পালনৰ যোগেদি কৰ্ম ত্যাগী নহৈ বৰং কৰ্মত লিপ্ত থাকিও কৰ্মবন্ধন ছেদ কৰি সংসাৰ চক্ৰৰ পৰা নিষ্কৃতি লভি মোক্ষ পদ অৰ্জন কৰিব পাৰি তাৰ উপদেশ প্ৰদান কৰিছে। মাত্ৰ কৰ্ম কৰোঁতে অহংকাৰ আৰু ফলাকাংক্ষা ত্যাগ কৰি সকলো ঈশ্বৰত অৰ্পণ কৰিব লাগিব।

১৮টা অধ্যায় আৰু সৰ্বমুঠ ৭০০টা শ্লোক সম্বলিত গীতা শাস্ত্ৰখনিয়ে ইতিহাসবিদসকলৰ অনুমান মতে খ্ৰীষ্টপূৰ্ব ৯০০ বৰ্ষত লিখিত ৰূপ পায়। এই ওঠৰটা অধ্যায় সন্নিৱিষ্ট শ্ৰীগীতাৰ দ্বিতীয় অধ্যায় সাংখ্যযোগৰ ১১ নং শ্লোকৰ পৰাহে প্ৰকৃততে গীতাৰ পাতনি আত্মতত্ত্ব দৰ্শনৰ উক্ত শ্লোকটি হৈছে—

“অশোচ্যান্ত শোচস্তং প্ৰজ্ঞা বাদাংশ্চ ভাষযে।
গতাসুন গতাসুংশ্চ নানু শোচন্তি পণ্ডিতাঃ।।”
— গীতা, ২/১১

অৰ্থ ঃ হে অৰ্জুন, তুমি চিন্তা কৰিবনলগীয়াটোহে চিন্তা কৰিছা আৰু জ্ঞানীৰ দৰে কথা কৈছা। প্ৰকৃততে পণ্ডিতসকলে কি জন্ম কি মৃত্যু কাকো চিন্তা নকৰে।

এনেদৰে আত্মতত্ত্ব দৰ্শন কৰাই ধনঞ্জয়ক শ্ৰীকৃষ্ণই ব্ৰহ্মৰ মায়া শক্তিৰ বাহ্যিক আৱৰণ ভেদ কৰি মন আৰু চিত্তক অন্তৰ্মুখী গতি দিয়াৰ প্ৰজ্ঞা

(১৪ পৃষ্ঠাত চাওক)

# দধীচিৰ দেহ দান

(১০ পৃষ্ঠাৰ পৰা)

শইকীয়া, নাথ আৰু শৰ্মাহঁত মৰিও এই অদূৰদৰ্শীতাৰ দুৰ্যশত ভোগী আছে। মই তেখেতসকলৰ দৰে নহও। যি কৰিব বিচাৰো জীৱন্তে কৰি যাম। নহ'লে সম্পূৰ্ণ ওলোটাটোহে হ'ব। মোৰ বুদ্ধিমত্তাক বৰমাই ওলাই কৰে-- কৰক।' অলপ উশাহ সলাই বৰদেউতাই পুনৰ সেই মৰ্মন্তুদ অগ্নিবৰ্ষা কথাখিনি একে উশাহে কৈ গ'ল, মোৰ মৃতদেহৰ কাষলৈ সিহঁত আহিব নোৱাৰিব। মোৰ শ'দেহ কান্ধত লৈ শ্মশানলৈ নিব নোৱাৰিব। মোৰ মুখাগ্নি নাতিয়েহে কৰিব পাৰিব। আৰু এটা কথা সিহঁত তিনিটাৰ ভিতৰত মাজু পুত্ৰ বাবুল মোৰ মৃত্যুৰ তাৰিখৰ পৰা এমাহলৈ ঘৰলৈ আহিব নোৱাৰিব। বাকী দুটাই মোৰ আদ্যশ্ৰাদ্ধত কোনো ধৰণৰ ধন খৰচ কৰিব নোৱাৰিব। এই কাম মোৰ ভাতৃ নবীনে কৰিব। মই তাৰ হাতত প্ৰয়োজনীয় ধনখিনি দি ৰাখিছো। সৎকাৰৰ সম্পূৰ্ণ দায়িত্ব তোৰ আৰু নবীনৰ ওপৰত অৰ্পিলো। অৱশ্যে কিছুদিন আগতে ৰাইজক আনন্দ মনৰে ভোজ-ভাত খুৱাই, থৈছো। সেয়া জীৱিত কালতে নিজ শ্ৰাদ্ধ কৰি আহৰি হৈ থকাৰ আনন্দ। কোনে জানে পিছত কি হয় আমাৰ।' অলপকৈ যেন হাঁহিলে বৰদেউতাই।

পৰ্বতৰ শিলাখণ্ডতকৈ গধুৰ, বিশাল সমুদ্ৰতকৈ গভীৰ কথাখিনি কৈ যাওতে বৰদেউতাই ভুলতে এবাৰো মোৰ চকুলৈ চাব পৰা নাছিল। বৰদেউতাক লেফাফাটোতনো কি লিখা আছে বুলি সুধিলো যদিও সেই বিষয়ে এতিয়া একো নকওঁ বুলি তলমূৰ কৰি বিচনীখনৰে নিজৰ মূৰটো খৰকৈ বিচিলে। বুজিলো বৰদেউতাৰ প্ৰেচাৰ বাঢ়িছে। বিচনীখন মই লৈ তেখেতক ঘনে ঘনে বিচিলো। হ'ল বৰমাই ক'লে, 'বোপা! চাহ একাপ খোৱাব নোৱাৰিলো। নিশাৰ আন্ধাৰত কত কি বস্তু আছে বিচাৰি নাপালো। ''দিনত আহিবিচোন।' বৰমাৰ কথাৰ ওৰ পাবলৈ মোৰ বাকী নাথাকিল। তাৰমানে বোৱাৰী নহালৈকে বুঢ়াবুঢ়ীৰ পেট মৰিব। গধুৰ পৰিবেশটো লঘু কৰিবলৈ হাঁহি হাঁহি সুধিলো 'বৰমা তাহানি যে আপুনি দুখনমান বৰ সোৱাদ লগা আঞ্জা বনাইছিল। মনত আছেনে?' বৰমাই মূৰ ঘূৰাই মনত নাইপৰা বুলি ইংগিত দিলে। আকৌ মইয়ে বৰমাৰ মনৰ পৰ্দাত খুন্দিয়াই ক'লো, 'এখন ব্যঞ্জন বনাই খুতুৰা শাক আৰু কণ বিলাহীৰে, তাত পকা গৰৈমাছ, তেলত নভজাকৈ বক্ বক্ কৈ উতলি থাকোতে দি কিছু সময় উতলাই খোৱাইছিল। এয়াই নহয় আৰু এখন তৰকাৰী বনাইছিল বাটৰ বনৰীয়া বগা কচুৰ থুৰ, তাত অলপ অসমীয়া মচ্ছুৰ মাহ আৰু কণ বিলাহী দি বৰ সোৱাদ লগাকৈ বনাইছিল।' মই যেন বৰমাৰ পুৰণা ঘাঁ এটা চেপি দিলো। বৰমায়ে চিৎকাৰ কৰকচাৰি আৰু অলপ গহীন হৈ এটি হুমুনিয়াৰ চাৰিলে। মই বৰমাক ক'লো, 'অহাকালি সন্ধ্যাৰ ভাতসাজ আপোনালোকৰ লগতে খাম। মই অহাৰ পাছতহে ভাতৰ চৰুলৈ যাব দেই।' বৰমাই ক'লে, 'তাৰমানে তই বজাৰলৈ আহিবি। ভালেই হ'ব। খুতুৰা শাক বাৰীত নাই। বগাকচুৰ ঠুৰ বাটৰ কাষত পাবলৈ নাই। বিজতৰিয়া ল'ৰা-ছোৱালী মখাই লৈ গৈ বিক্ৰী কৰে হেনো। অন্য কিবাকে বনাই খোৱাম দে আহিবি।' মোক নিৰুৎসাহ কৰি কোৱাত মই জনালো যে 'আজিকালি টাউন বজাৰত আপুনি কোৱা সকলো শাক পোৱা যায় নহয়। ধনহে লাগে।' মোৰ কথা শুনি তলকা মাৰি থকা বৰদেউতাই মাত লগালে, 'কিনো বিপৰীত দিনকাল আহিল অ' বোপাই। চব ওলোটা হ'ল আমাৰ দিনত বজাৰত বনৰীয়া শাক নোলাই। আজি টাউন বজাৰত ঔটেঙা কলডিল, বাঁহৰ গাজ, ওলকচু আদি আমাৰ পচন্দৰ পাচলি চব পায়।' হঠাৎ বৰদেউতাৰ মুখত হাঁহি। কথা কি? তেখেতে দুখতো হাঁহে নেকি? নহয়। তেখেতে ক'লে, 'আমাৰ দিনত সৰু সৰু মাছ বজাৰত দুখীয়া মানুহেহে কিনে, ধনীবোৰ কাষেই নাচাপে। নাক কাটিব। বৰালী মাছ দুখীয়া মানুহৰ বাবেহে বজাৰত বেছে। আজি ধনী শ্ৰেণীৰহে প্ৰিয় খাদ্য হ'ল। আগৰ দিনত গুৰ (মিঠৈ) ধনী মানুহে নাখায়, নিকিনে। গোন্ধ পায়। আজি সেই গুৰ, সেই মাছ তেওঁলোকৰ বাবেহে বজাৰত অভাৱনীয় দৰত বিক্ৰী হৈছে।'

বৰদেউতাৰ সৰু সৰু কথাবোৰৰ অৰ্থ মই সহজে ল'ব পৰা নাই। যুগৰ পৰিবৰ্তনে যে চহৰৰ লগতে গাঁও ভুঁইকো চেলেকি গৈছে, গাঁৰৰ অৰ্থনীতিও যে সম্পূৰ্ণ বিধ্বস্ত হৈছে তাৰ কথা ভাবি সন্মুখত অন্ধকাৰ দেখিলো।

খোৱা-বোৱা ঠিকেই চলি আছেনেকি বুলি সোধাত বৰদেউতাই তপৰাই ক'লে, 'অ' ঠিকেই চলি আছে পেঞ্চনৰ ধন কিটা ল'ৰাক দিও। খোৱাৰ বাবে কাৰো মুখলৈ চাব লগা নহয়। তাতে সকলো জানি বুজি লোভ সামৰিলো। শৰণ-ভজন লোৱাৰ দিনৰ পৰা সম্পূৰ্ণ সাত্বিক আহাৰ লোৱা হ'লো। বৰমাক লৈ অলপ চিন্তা আছিল। বৰ্তমান তেওঁ জিভাৰ লোভ সামৰিলে। কেৱল খোৱা-শুৱাৰ সময়টো ঠিক ৰাখিব বিচাৰিছো। পৰাগৈ নাই। মানসিক চিন্তাই আমাৰ যাত্ৰাপথৰ সঙ্গী হব। কেৱল শৃঙ্খলিত পৰিমাৰ্জিত এটি সুন্দৰ মৃত্যুক বাস্তৱায়িত কৰাৰ প্ৰয়াস কৰিছো। সিহঁতে আমাক বেলেগে চৰু জুৰি খাবলৈ নিদিয়ে, এনে কৰিলে সিহঁতে হেনো গাঁৱত হাঁহিয়াতৰ পাত্ৰ হ'ব।' কথাৰ মাজতে বৰমাই ক'লে, তোক নকৈনো কাক কম। সিহঁতে আমাক ভাল বস্তু খাবলৈ দিয়াটো দূৰৰ কথা-- আমাক দেখিলে বজাৰ কৰি অনা মোনাটো আঁৰ কৰিহে নিয়ে। এখেতে এইবোৰ কথা নধৰে। শুনিবলৈ নিবিচাৰে। আনৰ প্ৰশংসা কৰাৰ বাহিৰে অন্য শুনিব নিবিচাৰে।' বৰদেউতাই আকৌ ক'লে, সিহঁত মোৰ পো-বোৱাৰী নাতি। সিহঁতক মই খোৱা দিম। মোক দিয়াটো নিবিচাৰো।'

নিশা ন বাজি যোৱাত মই তেখেতসকলৰ পৰা বিদায় ললো। গাঁৱৰ জীৱনত নিশা ন বজা মানে বহুত ৰাতি হোৱা যেন লাগে। নিয়ৰো পৰিছে। বাটত কুকুৰ দুই এটাৰ বাদে আন কাকো দেখা নাপালো। বৰদেউতাৰ দুৰ্দশাৰ কথা ভাবি মোৰ গাটো নিয়ৰ কেইটোপালমান পৰি গোট মৰা যেন হ'ল। পকেটৰ লেফাফাটো এবাৰ লিৰিকি বিদাৰি চাবৰ মন গ'ল। এই মুহূৰ্তত লেফাফাটোৰ বিষয়ে আৰু একো নভবাই ভাল বুলি মই আন্ধাৰ ফালি আগবাঢ়িলো ঘৰলৈ।

পিছদিনা অফিচৰ পৰা ওলাই বৰমাই কোৱা শাক-মাছ লৈ বৰমাৰ ঘৰতে সোমালোগৈ। বৰমাৰ হাতত পাচলি তৰকাৰী আৰু বিস্কুট মিঠাইখিনি আগবঢ়াই দি মই ঘৰৰ পৰা আহি একেলগে খোৱা-বোৱা কৰিম বুলি কৈ ঘৰ পালোগৈ।

সন্ধ্যা উৎকণ্ঠাৰে বৰমাৰ ঘৰলৈ গ'লো। ইয়াৰ আগতে এওঁলোকৰ বিষয়ে মোৰ এনে দুখলগা ধাৰণা নাছিল। ইমান দিনে বৰ সহিষ্ণুতাৰে দুখৰ গাগৰীটো ওফন্দিব নোৱাৰাকৈ এখন ঢাকন দি ৰাখিছিল। আজি মোৰ আগত ঢাকনখন খুলি দি মানসিক কষ্ট লাঘৱ কৰিলে বৰদেউতাই।

ভাত খাবৰ হয় মানে বৰদেউতাই অন্ধৰজা ধৃতৰাষ্ট্ৰ আৰু ৰামৰ পিতৃ দশৰথৰ বিষয়ে কব ধৰোতে বৰমাই কিছুমান অভিযোগ প্ৰতি অভিযোগ দি ক'লে, 'বাপু আজি তোৰ আগত আমাৰ গুপুত বেদনাৰ কথা, আমাৰ কাল অন্ধকাৰ ভয়াবহ নিশাবোৰৰ কথা, যিবোৰ মোৰ পৰিয়াল আৰু ওচৰ চুবুৰীয়াই গম পোৱা নাইঃ কও শুন। বৰমাই কোৱা কথাবোৰ এনেধৰণৰ যিবোৰ শুনিলে পাপ বাঢ়ে। খং উঠে। দুখ লাগে। প্ৰায়ে ল'ৰাহঁতে মাতাল হৈ দুপৰ নিশা আহি দুৱাৰত গোৰ মাৰে। অশ্লীল বাক্যৰে গালি পাৰে। আনকি কেতিয়াবা ডেগাৰ দেখুৱাই মাকৰ পৰা ধন বিচাৰে। লোক চক্ষুত নিজক ধৰা নিদিবৰ বাবে গুপুত স্থানত আশ্ৰয় লৈ টিপ মাৰি থাকে। বৰদেউতাৰ ধৈৰ্য বহুত। বৰমাই সিহঁতক ফেপেৰী পাতি ধৰা বুলিলে তেখেতে বৰমাৰ মুখত সোপা দি, যুক্তি দি শান্ত কৰে, কয়, 'বলিয়া কুকুৰে ভুকিলে জ্ঞানী মানুহ ভিতৰ সোমাই আঁতৰি যায়। শৰণীয়া ভজনীয়া হৈয়ো তেওঁৰ সেৱাৰ পৰা মনটো দুঃচিন্তাত ডুবাই থব লগা হৈছে। স্থাৱৰ-অস্থাৱৰ যি আছে, এতিয়াই সিহঁতৰ নামলৈ উঠাই দিব লাগে। নহ'লে প্ৰাণে মাৰিব বুলি ভয় দেখুৱাই। ইমানবোৰ মাটি-বাৰীৰ মাজৰ দুই কঠা বাৰী মাটি গাঁৱৰ নামঘৰ নিৰ্মাণৰ বাবে দিয়াৰ আগ্ৰহ প্ৰকাশ কৰিও আজি পৰ্যন্ত ৰাইজক দিব পৰা নাই। মুঠতে অহৰ্নিশে নিৰন্তৰে কৃষ্ণ নামৰ ঠাইত এই ডকাইত-শত্ৰু মখাৰ কথাহে বলপূৰ্বক মনলৈ আহি থাকে। মাজু পুত্ৰ নিশা ক'লৈ গ'ল, ক'ত আছে, ক'ৰবাত মাৰপিট, ক'ৰবাট পুলিচ থানা, ক'ৰবাট বাটৰ কাষত মদ্যপান কৰি পৰি আছে নেকি; এনেবোৰ দুঃচিন্তাই বৰমাক খুলি খুলি খাইছে। বৰমা ডালতে শুকাইছে। বৰমাঃ মানুহজনীৰ কি হৈছে, বেমাৰ-আজাৰ দেখাত একো নাই। কেৱল মনৰ বেমাৰত মৰিছে বৰমাই। মই ক'লো, 'দেখাত আপোনালোকক ঠিকেই দেখিছো। একো বেমাৰ-আজাৰ নাই ছাগে।' এইবাৰ বৰমাই ক'লে, 'এৰা বোপা হওঁতে দেখাত একো বেমাৰ নাই যদিও মোৰ বিষ-বেমাৰ আৰু বৰদেউতাৰৰ কাঁহে-কফে পাইছে।' বৰদেউতাই মাজতে ৰগৰ কৰি ক'লে, 'বৃদ্ধ অৱস্থাত সকলো পৰিজন বন্ধু বান্ধৱ লাহে লাহে এৰা পৰে, তাৰ ঠাইত ৰোগ-ব্যাধিবোৰহে সঙ্গী হয়। বৰমাৰক মই পিটিকি পাটাকি দিও আৰু বৰমাৰে মোক বটলত গৰম পানী লৈ সেকা পোটোকা কৰে। এইবোৰ কথা ইহঁতক নকও, কৈ লাভ নাই। কোনোধৰণৰ সহাৰি নাপাও অ'। বিষ. কোঙা হৈ খোজ কাঢ়ি থাকো, সিহঁতে নেদেখাৰ ভাও ধৰে।' ল'ৰা-বোৱাৰীহঁতৰ অত্যাচাৰৰ পৰা দূৰত থাকি মনটো কৃষ্ণ চিন্তনত ৰখাৰ মানসেৰে বৰদেউতা ভাড়া ঘৰলৈ যাব বিচাৰে যদিও লোক নিন্দাৰ পৰা বাচিবলৈ এনে পদক্ষেপ লব পৰা নাই। ল'ৰা ঘৰৰ পৰা গুচি গ'লে হাঁহোতে নাই, কিন্তু বুঢ়া-বুঢ়ী ঘৰ এৰি গ'লে ঘৰৰটো বাদেই গোটেই গঞা, বংশ, পৰিজনে নিন্দিব বুলি মই বুজালো।

বৰদেউহঁতৰ দুখৰ কথাবোৰ শুনি মোৰ তৃপ্তিৰে ভাত খোৱাৰ ইচ্ছা চূৰ্ণাকৃত হ'ল। এই স্থান সোনকালে ত্যাগ কৰাৰহে কথা, নহ'লে বৰদেউতাহঁতৰ হিয়া আৰু ভাঙি পৰিব। ভাতৰ পাতত বহি লক্ষ্য কৰিলো বৰদেউতা বৰমাই সম্পূৰ্ণ নিৰামিষ ভোজন কৰিছে। খোৱাবোৱাত কোনো ৰুচি নাই। নিশকতীয়া বৰমাক আৰাম দিয়াৰ বাবে শুৱা কোঠা সৰা-মচা কৰা, কাপোৰ ধোৱা, নিজৰ কাঁহী-বাতি ধোৱা আৰু নিশা শুৱা বিচনা পৰা কাম বৰদেউতাই কৰে। বৰমাৰ ইচ্ছা বৰদেউতাৰ কোচত শাকে-সেন্দুৰে সধবা হৈ সিপুৰীলৈ যাব।

এটি হুমুনিয়া কাঢ়ি মই নিজকে নিজেক'লো, মানুহ চিনা বৰ টান। ছাত্ৰাৱস্থাত পঢ়িছিলো 'চৰাই হৈ উৰিব পাৰি', মাছ হৈ সাঁতুৰিব পাৰি, কিন্তু মানুহ হৈ মানুহৰ নিচিনাকৈ পৃথিৱীত খোজ কাঢ়িব নোৱাৰি।" হায় বিচিত্ৰ মানৱ সমাজ। মানৱ জীৱন।

মোৰ একালৰ কলেজীয়া বন্ধু ডাঃ কংকন বৰা বৰ্তমান চহৰ নিবাসী। তাৰ ঘৰ আৰু ফাৰ্মাচী দুয়োটা চহৰত আছে। এদিন তাৰ ওচৰলৈ যাওতে কথা প্ৰসঙ্গত সি এটা বৰ আচৰিত হৃদয় বিদাৰক কাহিনী ক'লে। আজি কিছুদিন আগতে আমাৰ গাঁৱৰ এহাল বুঢ়া-বুঢ়ী তাৰ ওচৰলৈ গৈছিল। তেওঁলোকে জীৱন ভিক্ষাৰ পৰিৱৰ্তে মৃত্যু ভিক্ষাহে কৰিছিল। সি বুজাইছিল যে ডাক্তৰে জীৱন দানহে দিয়ে। ৰোগ-নিৰাময় কৰে। সুখ-শান্তি আৰু আনন্দৰ যোগানহে ধৰে। মৃত্যু দিব নোৱাৰে। মৃত্যু নিজ কৰ্মবন্ধে হয়। ই সুন্দৰ মৃত্যু হ'ব পাৰে, বা কুন্ধচ মৃত্যুও হব পাৰে। উত্তৰত সেই বুঢ়া-বুঢ়ীয়ে কৈছিল, 'ছাৰ! এজন ৰোগী বহুদিন শয্যাগত হৈ চট্‌ফটাই মৃত্যুক্ষণ গণি থাকিও নমৰে। ফলত পৰিয়ালটো আৰ্থিকভাৱে বিধ্বস্ত হয়। সকলোৱে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰে 'ৰোগীক মুক্তি দিয়ক প্ৰভু! ঘৰখন জুৰুলা হোৱাৰ পৰা ৰক্ষা কৰক। সেই ৰোগীৰ মৃত্যু খবৰে জানো সকলোকে স্বস্তিৰ নিশ্বাস লোৱাত সহায় নকৰে।' বুঢ়াই কৰযোৰে পুনৰ কৈছিল 'ছাৰ! আপুনি আমাৰ দেহাত্মা প্ৰতি মোহিত নহ'ব। এই দেহাত্মাত পিঞ্জৰাৱদ্ধ হৈ চট্‌ফটাই থকা জীৱাত্মাৰ পৰিত্ৰাণৰ কথা ভাবক। আমাক কিবা ঔষধ বা বেজি দি মৰাৰ উপায় দিয়ক।' কথাখিনি কৈ কৈ হেনো ডাক্তৰৰ ভৰি দুখনত সাবট মাৰি ধৰিলে বুঢ়াই। নিৰুপাই হৈ কংকনে দুটা টনিকৰ বটল আৰু কিছু কেলচিয়ামৰ টেবলেট দি কেনেকৈ খাব কৈ বিদায়দিছিল।

ডাঃ কংকনৰ কথা শুনি মোৰ বুজিবলৈ বাকী নাথাকিল যে বুঢ়া-বুঢ়ীহাল আন কোনো নহয়-- বৰদেউতা আৰু বৰমাই।

মই তেওঁলোকৰ কিবা অপূৰ্ণ ইচ্ছা ৰৈ গৈছেনেকি সুধিলো। যদি পাৰো কিবা অকণমান সহায় কৰো। বৰদেউতাই দোহাৰিলে যে গাঁৱৰ মূৰত থকা বাৰী মাটিৰ দুকঠা যাতে নামঘৰ বনাবলৈ দিয়া কামটো মই কৰি দিও আৰু মোৰ হাতত দিয়া লেফাফাটো তেখেতৰ মৃত্যুৰ তৎমুহূৰ্ততে কাৰ্যকৰী কৰো। সেইখন তেওঁলোকৰ ইচ্ছাপত্ৰ। তেখেতৰ শ'দেহৰ কাষত উপস্থিত ৰাইজক শুনাব লাগিব। তাৰ কথাখিনি আখৰে আখৰে পালন কৰিব লাগিব। বৰদেউতাহঁতৰ হৈ কিবা কৰিবৰ মন থাকিলেও সেই ডকাইতসদৃশ পুতেক কেইটাৰ পৰা পাৰিম জানো। সিহঁতে মোক সুদাই এৰিবনে?

মাজতে কিছুদিন বৰদেউতাৰ ওচৰলৈ যাব পৰা নাছিলো। তেখেতৰ মাটিৰ কামটো কৰিহে যাম বুলি ভাবি কামত লাগি আছিলো।

হঠাৎ মোৰ ম'বাইলটো বাজি উঠিল। ঘড়ী চালো পুৰা সাত বাজি গৈছে। ক'লটো চালো। ক'লটো ৰাখীৰ বৰদেউতাৰ জীয়েকৰ। মোৰ বুজিবলৈ বাকী নাথাকিল। তাই কান্দি কান্দি ক'লে 'দাদা দেউতাই আমাক এৰি গ'লগৈ।' মই এক

(১৬ পৃষ্ঠাত চাওক)

# কবিতা

## ভাষা জননী

মই যি ভাষাৰে মনৰ কথা কওঁ
এয়া মোৰ মাতৃ ভাষা
শুৱলা সুৰদি মিঠা মিঠা সুৰ
নানা শব্দৰে বুটা বচা
আইৰ কোলাত শুনো মই বহু পুৰণি কথা।
চৰাইৰ কাকলি
নিজৰাৰ কুলুকুলু ধ্বনি
বতাহৰ সুহুৰি
মেঘৰ গাজনি
জোনৰ লগত কথা পতা
পৰিছে মনত মোৰ সিদিনাৰ কথা।
মোৰ আইৰ মুখত শুনিছিলো
বহুতো বীৰৰ কথা
পৰিছে মনত মোৰ সিদিনাৰ কথা
অতীতক সোঁৱৰি
বৰ্তমানক সাৱটি
বৰভেটি বান্ধিম ভৱিষ্যতৰ
মই বুজি পাওঁ আইৰ মনৰ আশা
চিৰ চেনেহী মোৰ মাতৃভাষা।

বিন্দু হাজৰিকা

## জীৱন সন্ধিয়া

অ' মোৰ সংসাৰ পথৰ ভাগৰুৱা পথিক
তোমাৰ তেজাল দেহৰ সূৰ্যটো
এতিয়া অস্তাচলত শুই পৰিছে।
সন্ধিয়া আহিছে নামি
এন্ধাৰে আনিছে খেদি
পাৰিবানে যাব আপোন গৃহলে ভালে-কুশলে?
এৰিবতো লাগিব আটোমটোকাৰীকৈ গঢ়া
জিৰণি ঘৰখন
মচিবতো লাগিব জীৱন বাসনাৰ
সুগন্ধি সাতোৰঙী ৰংবোৰ
তেজিবতো লাগিব স্নেহ বন্ধনেৰে
আঁতি আঁতি বন্ধা
আপোনৰো আপোন সকলোজন।
যাবই লাগিব কাল যৱনিকা ভেদি
নিগাজী ঘৰখন বিচাৰি।
হয়তো তুমি মায়াৰ মদিৰাৰ ৰাগিত
পৰুৱাই পোৱা সংসাৰ দুৰ্গম পথৰ
অহা-যোৱা চিৰন্তন নিচান।
গুৰুজনাই জ্বলাইছিল মানুহৰ হৃদয় নিৰলাত
জ্যোতিস্ময় ভকতি-প্ৰদীপ
জীৱনৰ আন্ধাৰ পথৰ সন্ধান।
আছে যদি জ্বলোৱা হৃদয় মণিকুটত
জ্যোতিস্মান ভকতি-প্ৰদীপ গছি
তাৰেই ফৰিংফোটা পোহৰে পোহৰে
খোজ দিবা সিপাৰৰ আপোন ঘৰলৈ বুলি।

দ্ৰোণ দাস

## উমাল ৰ'দ

এজাক উমাল ৰ'দ আৰু
এচাতি শীলত বতাহ হৈ
তোমাৰ ঘৰৰ দুৱাৰ আৰু
খিৰিকীত টুকৰিয়াই আছোঁ
দুৱাৰ-খিৰিকীবোৰ খুলি দিয়া বুলি
পোহৰাই দিওঁ অন্ধ কোঠাটো
উৰুৱাই দিওঁ আমনি লগা দুৰ্গন্ধবোৰ
খুলি দিয়া তোমাৰ মনৰ আৰু
হৃদয়ৰ দুৱাৰ-খিৰিকীবোৰ
মৰমৰ পোহৰ আৰু
হেপাহৰ বতাহ সোমাব পৰাকৈ।

ভবেন দুৱৰী

## সন্ধান

কিনো মায়াময় অসাৰ সংসাৰ
বিষময় বিষয়ত জীৱৰ নিকাৰ
বৈচিত্ৰ্যময় জগত কালৰ অনন্ত গতি
ক্ষণভঙ্গুৰ প্ৰাণৰ তাতেই তৃপিতি
স্বাৰ্থ পূৰণৰ দুৰ্বাৰ গতি
কতনো কোহাল খেয়ালি ৰাতি
সংসাৰ সাগৰ হ'বলৈ পাৰ
বিনাগুৰু চৰণে লাগিব হাঁহাকাৰ।
কৰি আত্মসংযম ৰিপু দমন
গুৰুৰ উপদেশে হৃদয় ৰমণ
ত্যাগত শান্তি সৰ্বস্ব অৰ্পণ
হিয়াত মগন কৃষ্ণৰ চৰণ।
সত্যৰ সন্ধানত আলোকৰ বাটে বাটে
মহাপুৰুষ আশীষবাণী আতুৰ প্ৰাণে প্ৰাণে
নিষ্কাম ভকতি পথে কৰি উৎসুক
আত্মা-পৰমাত্মাক প্ৰেম ভকতি কৰে সংযোগ
কলিত নামৰ হে হৃদয়ত স্থান,
পৰম মঙ্গলময় কৃষ্ণৰ 'সন্ধান'।

নীলমণি বৰুৱা

## অনাহুত পৰিণতি

প্ৰাত্যাহিকতাৰ ধামখুমীয়াৰ মাজতো
যাৰ যহত লৈছিলো
অকণি স্নিগ্ধ বতাহ
মোৰ ঘৰৰ পিছফালৰ
সেই মুকলি পথাৰখন
দিনে দিনে আগবাঢ়ি আহিছে
কংক্ৰিটৰ অৰণ্যখন।
সন্ধিয়াতে শিয়ালে ৰাৱ জুৰা
মোৰ সোণালী শৈশৱৰ সেই হাবি ডৰা
চকুৰ পচাৰতেচোন
গুচি গ'ল কোনোবা অজান্তি মুলুকলৈ
একেবেঁকা সৰ্পিল গতিৰে
নিজৰ অস্তিত্ব ঘোষণা কৰি থকা
তটিনীখনৰো
পথৰুদ্ধ কৰিব নেকি সিহঁতে?
আটকধুনীয়া অট্টালিকাটো দেখিলে
বেয়া লাগে মোৰ গৰাকীজনলৈ
সেইটোতো তেওঁ
এৰি যাব লাগিব এদিন,
শুদ্ধোধনৰ ৰাজ অট্টালিকাত
লুকাই আছে জানো
সিদ্ধাৰ্থৰ বুদ্ধত্ব?
হয়তো আছে আজিকালিৰ
ডাঙৰ মানুহ হোৱাৰ সপোনবোৰহে।
সেই প্ৰকৃতি তনয়াৰ প্ৰজাতিয়ে কিন্তু
নিজৰ বুকুৰ উমেৰে
যুগে যুগে পাতি আহিছে
মানৱ সভ্যতাৰ ৰহঘৰা
গঢ়ি ভাঙে ভাঙে গঢ়ে
ইতিহাসৰ সোণোৱালী সোপান
সেই অনিৰুদ্ধ গতিৰ আগত
কোন কুটা— ক্ষুদ্ৰ মানৱৰ অহংকাৰ?

অতনু বৰুৱা

## পৰিত্ৰাণৰ উপায়

হে বাপ!
কিয় ইমান মৌন
কৰি সকলো গৌণ
মুঠেই নহ'বা চিন্তিত
এজনক কৰা নিশ্চিত।
তোমাৰ দেখোন সকলো আছে
সুঠাম দেহত বস্ত্ৰ আছে
আশ্ৰয়ৰ বাবে গৃহও আছে
সিজনাই তোমাক সোপাকে দিছে
আহাৰৰ বাবেই নিপুটল দেহা
সুস্থ মনেৰেই কৰিছা বেহা।
হে বান্ধৱ!
তথাপি যেন অভাৱত চিন্তিত
হৈছে কি, কি লাগে আৰু তোমাক?
তেন্তে লোৱা মোৰ সুখ, দিয়া তোমাৰ দুখ
দৰিদ্ৰখিনি মোলৈ থ'লো ঐশ্বৰ্য তোমাক দিলো
তৃপ্তিখিনি তুমি লৈ অতৃপ্ত মোক দিয়া।
ৰোগ ব্যাধি মোক দিয়া
সুস্বাস্থ্য তুমি লোৱা
মোৰ সুশ্ৰী তোমাৰ
তোমাৰ কুশ্ৰী মোৰ।
মোলৈ অৰ্পিত সকলো আহাৰ তোমাৰ
তোমালৈ আৰাম থৈ মই ল'লো ভাগৰ।
নিকৃষ্টখিনি মই সামৰিলো
উৎকৃষ্টখিনি তোমালৈ উজাৰিলো
মুঠৰ ওপৰত
মোৰ যশ-খ্যাতি আনন্দ আজিৰ পৰা তোমাৰ
হে বাপ-বান্ধৱ!
কিন্তু, মই দিলেই জানো তোমাৰ হ'ব?
নিশ্চয় হ'ব, ল'ব জানিব লাগিব
যদি ৰখা বিশ্বাস ধৰ্মত
যদি ৰখা বিশ্বাস কৰ্মত
গুৰুক চিনা কৃষ্ণক চিনা
পৰিত্ৰাণৰ উপায় কিনা।
দেখিবা তেতিয়া সকলো তোমাৰ
অনায়াসে তোমাৰ।

ৰামচন্দ্ৰ শইকীয়া

## ভাঁহি আহে শইচৰ মাত

শূন্যতাত ওলমি কলিজাটো
ছট্‌ফটাই সমস্ত বেদনাৰ পাণ্ডুলিপি

তিতিব নোপোৱা পথাৰখনে
নিথৰ বতাহ জাকক চাই
আকাশখনো ধোঁৱা বৰণীয়া
নীলা নাই

ধেমেলিয়া জোনাকে সেমেকি উঠি
সংগ্ৰাম শক্তিৰে লিপ্ত হয়
শান্তিৰ অকণ পল অনুপল পাবলে

ভীষণ খঙাল বতৰ চৌদিশ আক্ৰান্ত
তথাপিও অক্ষয় স্বপ্নবোৰৰ স'তে
নিজক নিজে তুলি ধৰি
জীৱন নৈত অবিৰত সাৰে থাকি
বিচাৰি পাওঁ নিজৰ দৰে

বতাহৰ সোঁ-সোৱণিৰ উমানত
শূন্যতাত ওলমি থকা কলিজাৰ পথাৰত
ভাঁহি আহে শইচৰ মাত
বাজক ডবা বাজক শঙ্খ
মানুহৰ অভ্যন্তৰত।

প্ৰদীপ্তি ডেকা

# এক চমু অৱলোকন

(১১ পৃষ্ঠাৰ পৰা)

"মঞিও দুৰাচাৰ কেৱলে তোহ্মাৰ
অপৰাধী নাৰায়ণ।
ক্ষমিয়োক হৰি লৈয়ো দাস কৰি
পশিলো হেৰা শৰণ।।"

—নাম-ঘোষা, ১৮৩

"মধুৰিপু ৰাম ৰঘুপতি/ তুমি ভকতৰ নিজ গতি/ তোহ্মাৰ চৰণে শৰণ কৰিলো সাৰ। নমো দেৱ দীন দুঃখহাৰী/ দায়াশীল দামোদৰ প্ৰভু/ আমি দুখিতক চৰণে কৰা উদ্ধাৰ।।'—নাম-ঘোষা, ৬৬২

(৩) **কৃষ্ণ ভক্তি মাহাত্ম্য ঃ** ভগৱান বিষ্ণু বা নাৰায়ণৰ অৱতাৰী অংশ হৈছে শ্ৰীকৃষ্ণ। নাৰায়ণৰ পৰাই তিনি গুণৰ সৃষ্টি আৰু যেতিয়া ক্ষয় পাই পুনৰ নাৰায়ণতেই লীন যায়। কৃষ্ণই এক মাত্ৰ শ্ৰেষ্ঠ দেৱতা, যিজন কাল-মায়াৰ অদিকাৰী, জীৱৰ দুখ হৰণ কৰোঁতা, তেৱেঁই সৃষ্টিকৰ্তা, পালনকৰ্তা আৰু সংহাৰ কৰোঁতা, সমস্ত জগতৰ সাৰ, তেওঁতকৈ কোনো হ'ব নোৱাৰে—

"কৃষ্ণ এক দেৱ দুখহাৰী/ কাল মায়াদিৰো অধিকাৰী/ কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ। সৃষ্টি স্থিতি অন্তকাৰী দেৱ/ তান্ত বিনে আন নাহি কেৱ/ জানিবা বিষ্ণুসে সমস্ত জগত সাৰ।।" —নাম-ঘোষা, ৫৮৬

'ক-ঈ-শ পদে ব্ৰহ্মা বিষ্ণু মহেশ্বৰ
প্ৰতি প্ৰতি তিনিৰো অন্বয়।
ৱ পদে নাৰায়ণে তিনিকো আছয় ছান্দি
এহিহেতু কেশৱ বোলয়।।"

— নাম-ঘোষা, ১৪৩

কৃষ্ণৰ ৰূপ, গুণ, লীলা বৰ্ণনাৰ ক্ষেত্ৰত মাধৱদেৱে অকণো পিছপৰি থকা নাই। বৰঞ্চ কৃষ্ণ দেৱতাৰ ছবিখন অতি উজ্বল ৰূপত পৰিস্ফুট হৈছে। তাৰাই ঘোষণা কৰিছে যে মৃত্যু সময়ত যি তিনিবাৰ কৃষ্ণ বুলি জীৱন ত্যাগ কৰে, প্ৰথমবাৰ কৃষ্ণ বোলোতেই তাক মুক্তি দিয়ে, দ্বিতীয় আৰু তৃতীয় বাৰ কৃষ্ণ শব্দৰ মূল্য দিবলৈ একো নোহোৱাত তেওঁৰ প্ৰতি 'ঋণী হ'লো বুলি' শিৰ নত কৰে—

"কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি যিটো/ অন্তকালে নিজ প্ৰাণ তেজে/ আদ্যৰ শবদে মুকুতি তাঙ্ক দিৱয়। আৰ কিবা বস্তু দিবো বুলি/ আৰ দুই পদ লজ্জা হুয়া/ ঋণী ভৈলো বুলি দমায়া মাথা থাকয়।।" —নাম-ঘোষা, ৬৩৯

মাধৱদেৱৰ জীৱনৰ চৰম বাণী স্বৰূপ নাম-ঘোষাৰ মূল স্বৰূপে নিৰ্দেশ কৰা হোৱা শ্লোকৰ ভিতৰত ভাগৱত পুৰাণৰ উদ্ধৃতিয়েই আটাইতকৈ সৰহ। ইয়াৰ উপৰি ৰামায়ণ- মহাভাৰতৰ দুটি এটি শ্লোকৰ বাহিৰে ভগৱদগীতা, বৃহন্নাৰদীয় পুৰাণ, পদ্মপুৰাণৰ স্বৰ্গ আৰু উত্তৰখণ্ড, ব্ৰহ্ম পুৰাণ, স্কন্ধ পুৰাহ্বৰহ্মাণ্ড পুৰাণ, বিষ্ণু পুৰাণ, বামন পুৰাণ, মৎস্য পুৰাণ আদিৰ শ্লোক ঘোষাৰ মূল ৰূপে নিৰ্দিষ্ট হৈছে। শ্ৰীধৰ স্বামীৰ 'ভাগৱত ভাৱাৰ্থ দীপিকা' আৰু গীতাৰ 'সুবোধিনী' টীকাৰ শ্লোক আৰু কথাৰ ভাঙনিও ঘোষাত আছে। শঙ্কৰদেৱৰ 'ভক্তি-ৰত্নাকৰ', বিষ্ণুপুৰীৰ 'ভক্তি-ৰত্নাৱলী'ৰ কান্তিমালা টীকা আৰু শঙ্কৰাচাৰ্যৰ 'মোহ মুখাৰ'ৰ একোটি শ্লোকৰ কথা একোটি ঘোষাত সন্নিৱিষ্ট হৈছে। 'বৈষ্ণৱামৃত লহৰী' নামৰ গ্ৰন্থৰ পৰাও ইয়াত অনুবাদ আছে। দেখা গৈছে 'নাম-ঘোষা'ৰ পৰা সংস্কৃত অনুবাদ কৰি 'আচাৰ্য-সংহতি' নামৰ পুথিত সন্নিৱেশ কৰা হৈছে। সকলো সংমিশ্ৰণ আৰু নিজৰ আধ্যাত্মিক অভিজ্ঞতাৰ মিলনৰ মাধৱদেৱৰ 'নাম-ঘোষা' নৱবৈষ্ণৱ ধৰ্মৰ মূলসূত্ৰ আৰু তাৰ দাৰ্শনিক ভিত্তিৰ সম্পূৰ্ণ পৰিচায়ক বুলি ক'ব পাৰি।"— অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ ড° মহেশ্বৰ নেওগ, পৃষ্ঠা-৯৭

ভাবিলে আচৰিত হ'ব লাগে, অসমীয়া জাতিৰ আবাল-বৃদ্ধ-বণিতাৰ মুখত নাম-ঘোষাৰ পদবোৰ আখৈ ফুটাদি ফুটে। আনকি নিৰক্ষৰ লোকসকলেও যিসকলে কোনো দিনে অ আ, ক, খ আদি বৰ্ণবোৰ দেখা নাই, পঢ়া নাই বা শুনা নাই নাম-ঘোষাৰ পদৰ গভীৰ অনুধাৱনেৰে হিয়া মন জুৰাই সুললিত কণ্ঠেৰে গাব পাৰে। গ্ৰাম্য অঞ্চলৰ কৃষিজীৱী সমাজত 'নাম-ঘোষা' এক অপৰিহাৰ্য অংগ। বিভিন্ন সামাজিক অনুষ্ঠান ধৰ্মীয় ৰীতি-নীতি, সবাহ-সকাম, শ্ৰাদ্ধ আদিত ব্যৱহৃত হয় ঘোষা ছন্দ, কাৰণ ইয়াৰ দ্বাৰাই তেওঁলোকৰ সকলো অপায়-অমংগল দূৰ হ'ব, ঈশ্বৰে মুক্তি সাধন কৰিব।❑

# শ্ৰীমদ্‌ভগৱতগীতা

(১১ পৃষ্ঠাৰ পৰা)

প্ৰদান কাৰ্য আৰম্ভ কৰিছে, যি গতিকে অৰ্জুনক সৎবস্তু আত্মাৰ স্বৰূপ অনুধাৱন কৰায়। ঈশ্বৰ কৃষ্ণৰ বাক্য—

"ন যায়তে ম্ৰিয়তে বা কদাচিত
নায়ং ভূত্বা ভৱিত্তা বা ন চ।
অজৌ নিত্য শাশ্বতোহম পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে।।"— গীতা

আত্মাৰ জন্ম-মৃত্যু নাই। ই নিত্য আৰু শাশ্বত। পঞ্চভৌতিক শৰীৰ লয় হ'লেও শৰীৰত স্থিতি লাভ কৰি থকা আত্মা অবিনাশী। গতিকে বিনশ্বৰ দেহটোৰ বাবে শোক বা আনন্দ কৰা অপ্ৰয়োজনী। পৰমব্ৰহ্মৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ অংশ স্বৰূপে জীৱদেহত স্থিত হৈ থকা জীৱাত্মাক পৰমেশ্বৰে সংসাৰ চক্ৰত পৰিভ্ৰমণ কৰাই থাকে। ভগৱান কৃষ্ণৰ বচন—

"ঈশ্বৰঃ সৰ্বভূতানাং হৃদ্দিদেশহৰ্জ্জুন তিষ্ঠতি।
ভ্ৰাময়ান সৰ্বভূতানি যন্ত্ৰৰূৰাণি মায়য়া।।"

— গীতা, ১৮/৬১

পৰমেশ্বৰে তাৰাৰ দূৰন্তয়া মায়াৰ দ্বাৰা জীৱক যন্ত্ৰবত সংসাৰ চক্ৰত ভ্ৰমণ কৰাই থাকে। কিন্তু জীৱাত্মাৰ লক্ষ্য, মায়াৰ প্ৰভাৱত সংসাৰ চক্ৰত পৰিভ্ৰমণ কৰি থাকি ক্লেশ ভোগ কৰাটো নহয়। জীৱৰ চৰম লক্ষ্য হ'ল মায়া পাশৰ পৰা মুক্ত হৈ মোক্ষ বা নিৰ্বাণ লাভ কৰি পৰমব্ৰহ্মত লীন গৈ পুনৰজন্ম ৰহিত অৱস্থাপ্ৰাপ্ত হৈ পৰমানন্দ সিন্ধুত অৱগাহন কৰা। পিছে এই মোক্ষ পদপ্ৰাপ্তি জীৱাত্মাৰ বাবে সহজ সাধ্য নহয়। শ্ৰীগীতাত ভগৱন্ত কৃষ্ণই অৰ্জুনৰ মাধ্যমেৰে জগতৰ লোকক মায়াৰ বন্ধন চিন্ন কৰি মোক্ষ পদপ্ৰাপ্তিৰ পথৰ সন্ধান দি কৈছে—

"দৈৱী হ্যেষা গুণময়ী মম মায়া দুৰস্ত্যয়া।
মামেৱ যে প্ৰপদন্তে মায়াং এতাং তৰন্তিতে।।"

— গীতা, ৭/১৪

অৰ্থাৎ দৈৱী সম্ভুত মোৰ গুণযুক্ত মায়া ছেদ কৰাটো অতি কঠিন যদিও যিসকলে মোক সেৱা ভকতি কৰে, সেই সকলে এই মায়াক অতিক্ৰম কৰিব পাৰে। অৰ্জুনক পুনৰ শ্ৰীকৃষ্ণই কৈছে—

"আব্ৰহ্ম ভূৱনাৎ লোকাঃ পুনৰাবৰ্ত্তিনোহৰ্জ্জুন।
মামুপেত্য তু কৌন্তেয় পুনৰ্জন্ম ন বিদ্যতে।।"

— গীতা, ৮/১৬

অৰ্থাৎ সমগ্ৰ ব্ৰহ্মাণ্ডৰ লোকসকল, হে অৰ্জুন অনিবাৰ্যভাৱে পুনৰজন্ম লভি থাকে। অৱশ্যে অৰ্জুন, মোক ভজনা কৰিলে পুনৰ্জন্ম ধাৰণ কৰিব নালাগে। কেৱল ভগৱন্তক ভকতি কৰিয়েহে জীৱই পুনৰজন্মৰ যাতনাৰ পৰা নিষ্কৃতি লাভ কৰিব পাৰে।

অন্য দেৱ-দেৱীসকলে জীৱক মুক্তি প্ৰদান কৰিব নোৱাৰে। পাৰ্থিৱ জগতৰ আকাংক্ষা সিদ্ধিৰ বাবেহে জীৱই ত্ৰিদশক অৰ্চনা কৰিব পাৰে। মোক্ষ পদ দাতা একমাত্ৰ শ্ৰীহৰি। সেয়ে মোক্ষ পদ দিওঁতা কেৱল ঈশ্বৰ কৃষ্ণহে জীৱৰ পৰম ভজনীয় দেৱ। পৰমেশ্বৰক ভজনা আৰু আন প্ৰকাৰৰ ভজনাৰ ফল কেনে ধৰণৰ হয়, তাৰেই প্ৰকাশ ঘটিছে গীতা শাস্ত্ৰত এনে ধৰণে—

"দেৱান যান্তি দেৱব্ৰতাঃ পিতৃন যান্তি পিতৃব্ৰতাঃ।

ভূতানি যান্তি ভূত্যোয্যা যান্তি মৎ যাযিনো অপি যাম।।"

অৰ্থাৎ দেৱ-দেৱী উপসনা কৰাসকলে দেৱতা গতি লাভ কৰে পিতৃগণ অৰ্চনা কৰাসকলে পিতৃ গতি পাই আৰু প্ৰাণীৰ পূজা কৰাসকলে প্ৰাণীৰেই গতি লাভ কৰে। কেৱল ঈশ্বৰ কৃষ্ণক ভজনা কৰাসকলেহে ঈশ্বৰ গতি প্ৰাপ্ত হয়। এনেদৰে অষ্টাদশ অধ্যায়ৰ গীতা শাস্ত্ৰত এক ঈশ্বৰ তত্ত্ব তথা এক ঈশ্বৰক ভজনা কৰা মতবাদ সমগ্ৰ শাস্ত্ৰৰ মধ্যত সৰলভাৱে প্ৰকাশ পায়। শ্ৰীগীতাৰ ৭/৭ নং শ্লোকত ভগৱান শ্ৰীকৃষ্ণই কৈছে—

"মত্ত পৰতৰং ন্যান্যাৎ কিঞ্চিদস্তি ধনঞ্জয়।
ময়ি সৰ্বামিদং প্ৰোতঃ সূত্ৰে মনিগনা হব।।"

অৰ্থ ঃ হে ধনঞ্জয়, মোৰ বাহিৰে পৰমবস্তু কিঞ্চিতো নাই। মই সূতাত মণিবিলাক থকাৰ দৰে সকলোতে বিৰাজমান হৈ থাকো। পৰমব্ৰহ্ম পৰমেশ্বৰৰ ব্যতিৰেকে অখিল জগতত শাশ্বত, নিত্য, অবিনশ্বৰ সত্তা আন একো নাই। একমাত্ৰ পৰমেশ্বৰেই হ'ল সৃষ্টি-স্থিতি-লয়ৰ কাৰণ। গীতাৰ ১০/১০ নং শ্লোকত ঈশ্বৰ কৃষ্ণই কৈছে—

"অহমাত্মা গুড়াকেশ সৰ্ব ভূতালয়স্থিত।
অহমাদিশ্চ মধ্যঞ্চ ভূতানামন্তে এবচ।।"

অৰ্থাৎ— হে গুড়াকেশ (অৰ্জুন), সৰ্বভূততে স্থিতি হৈ থকা ময়েই আত্মা। মই আদি (সৃষ্টি), মধ্য (স্থিতি) আৰু সৰ্বভূতৰ অন্ত (বিনাশ) স্বৰূপ। সেয়ে সৰ্বময়কৰ্তা স্বৰূপে পৰমব্ৰহ্ম ঈশ্বৰ কৃষ্ণই জগতৰ লোকৰ বা জীৱৰ কাৰণে একমাত্ৰ ভজনীয় দেৱ। আন দেৱ-দেৱীৰ ভজনা পৰিহাৰ কৰি কেৱল এক ঈশ্বৰ ভজনা কৰা তত্ত্বটিয়ে হৈছে একশৰণ তত্ত্ব আৰু গীতা শাস্ত্ৰৰো ইয়েই হ'ল মূল উপজীব্য। পুৰাণৰ সূৰ্যশাস্ত্ৰ বৈকুণ্ঠৰ কল্পতৰু মহাভাগৱতৰ মূল ধৰ্ম দৰ্শন একশৰণ বস্তুটি শ্ৰীকৃষ্ণৰ মহাবাণী এই গীতা শাস্ত্ৰৰ পৰাই আগমন ঘটিছে। ভাগৱত মহাপুৰাণত এই একশৰণ তত্ত্বটিৰ পৰিবৰ্ধিত ৰূপ প্ৰকাশ পাইছে। মহাভাগৱত শাস্ত্ৰৰ তলত উদ্ধৃত মহান শ্লোকটিত একশৰণ তত্ত্বটিৰ সুন্দৰ প্ৰকাশ হৈছে; যথা—

"যথা তৰুমূল নিষেচনেন
তৃপ্যন্তি তৎস্কন্ধ ভূজোপশাখা।
প্ৰাণোপহাৰাচ্ছ যথেন্দ্ৰিয়ানাং
তথাচ সৰ্বাচ্চানমুচ্যতেভ্যঃ।।"

অৰ্থাৎ বৃক্ষৰ মূলত পানী ঢালিলে তাৰ কাণ্ড, ডাল, পাত সমস্তই তৃপ্তি লাভ কৰে, ঠিক তেনেকৈ জড় দেহত প্ৰাণ সঞ্চাৰ হ'লেহে সকলো ইন্দ্ৰিয়ই কাৰ্যক্ষম হৈ উঠে। তেনেদৰে অন্য দেৱ-দেৱীক পৃথকভাৱে উপাসনা নকৰি কেৱল সমগ্ৰ ব্ৰহ্মাণ্ডৰ অধিকাৰী এক ভগৱানক ভজনা কৰাটোৱেই শ্ৰেয়। এক ঈশ্বৰক উপাসনা কৰিলে সমস্ত দেৱ-দেৱীও সন্তুষ্ট হয়। গীতা শাস্ত্ৰত ধৰ্ম ধাৰণ প্ৰসঙ্গত কৰ্মযোগৰ কথা কৈছে আৰু কৰ্মযোগী হৈ স্বধৰ্ম পালনৰ উপদেশ দিছে। কিন্তু কৰ্মই হ'ল বন্ধনৰ কাৰণে। তেনেহ'লে জীৱৰ মুক্তি কেনেকৈ সম্ভৱ হ'ব? ইয়াৰ ৰহস্য নিহিত হৈ আছে অহৈতুকী স্বভাৱ নিয়ত কৰ্মৰ অন্তৰালত। গীতাত কৰ্ম শব্দই সাংসাৰিক জীৱৰ স্বধৰ্ম আচৰি কৰা সাধাৰণ কৰ্মকেই বুজাইছে। গীতাৰ বাণী হ'ল যে প্ৰকৃতি গুণৰ নিমিত্তে জীৱই কৰ্মত লিপ্ত হ'বলৈ বাধ্য। কিন্তু কৰ্ম কৰিলেও বন্ধনযুক্ত নহ'ব যদিহে সেই কৃতকৰ্ম অহংকাৰ, ফলাকাংক্ষা বৰ্জিত হয় আৰু সৰ্বকৰ্ম ঈশ্বৰ কৃষ্ণত অৰ্পণ কৰা হয়। এনে ধৰণে কৰ্ম সম্পাদন কৰাজনকে গীতাৰ কৰ্মযোগী বুলি কৈছে। এনে কৰ্মযোগী কৰ্ম বন্ধনৰ পৰা মুক্ত হৈ পৰমেশ্বৰৰ কৃপাত পৰম গতি প্ৰাপ্ত হয়। গীতাত ভগৱান কৃষ্ণই ভগৱত প্ৰাপ্তিৰ বাবে সম্পাদন কৰা কৰ্ম আৰু নানা দ্ৰব্য সম্ভাৰেৰে কৃত যজ্ঞাদিতকৈ জ্ঞানক শ্ৰেষ্ঠাসন দি কৈছে যে সৰ্বকৰ্ম শেষত জ্ঞানতেই পৰিসমাপ্তি ঘটে। যথা—

"শ্ৰেয়ান দ্ৰব্যময়াদ যজ্ঞজ জ্ঞান যজ্ঞো পৰন্তপঃ।

সৰ্বকৰ্মাখিলং পাৰ্থ জ্ঞানে পৰিসমাপয়েৎ।।"

—গীতা, ৪/৩৩

এই জ্ঞানেই হ'ল পৰম ব্ৰহ্মজ্ঞান। পৰমেশ্বৰ কৃষ্ণৰ মাহাত্ম্যৰ জ্জান তথা তাৰাৰ উপাসনাৰ জ্ঞান। পিছে অকল জ্ঞানৰ দ্বাৰাই মুকুতি সুখ অৰ্জন সম্ভৱ নহয়। তাৰ বাবে প্ৰয়োজন পৰমেশ্বৰৰ একান্ত ভকতি। ভকতিহীন জ্ঞান, খাপৰ পৰা কস্মিন কালেও নোলোৱা তীক্ষ্ণ অসি। এনে জ্ঞান জীৱ তৰণৰ উপায় হ'ব নোৱাৰে। সেয়ে গীতাত কৰ্ম-জ্ঞান-ভকতিৰ উপদেশ দিছে।

গীতাৰ ২/১১ নং শ্লোকৰ পৰা আৰম্ভ কৰি অন্তলৈকে পৰম গতি প্ৰাপ্তিৰ অৰ্থে বিভিন্ন পথ বা উপায়ৰ সম্পৰ্কে বিবৃত হৈছে। সেয়ে গীতা শাস্ত্ৰৰ কুটাৰ্থ সঠিকভাৱে অনুধাৱন কৰাত অপৰাগ হৈ কিছুলোক বিভ্ৰান্তিত পৰে। এই বিভ্ৰান্তিৰ পৰা নিষ্কৃতি পাবলৈ শ্ৰীগীতাৰ চূড়ান্ত সিদ্ধান্তলৈ দৃষ্টি নিক্ষেপ কৰাৰ অতি প্ৰয়োজন। শ্ৰীমদ্‌ভগৱত গীতাৰ অন্তত অষ্টাদশ অধ্যায়ত ইয়াৰ চূড়ান্ত সিদ্ধান্ত ভগৱান কৃষ্ণই অৰ্জুনক প্ৰদান কৰি জগতৰ সমস্ত লোকৰ হিতৰ কাৰণে প্ৰকাশ কৰিছে. যথা—

"সৰ্ব গুহ্যতম ভূয়ঃ শৃনু মে পৰমং বচঃ।

ইষ্টোহসি মে দৃঢ়মিতি ততো বক্ষামিতে হিতম।।"

— গীতা, ১৮/৬৪

অৰ্থাৎ— হে অৰ্জুন, সকলোতকৈ গুপ্ত মোৰ পৰম বাণী তুমি পুনৰাই শ্ৰৱণ কৰা। মই দৃঢ়ভাৱে এই কথাখিনি তোমাৰ হিতৰ বাবে কৈছো। জীৱৰ কল্যাণৰ কাৰণে প্ৰকাশ কৰা পৰম গোপনীয় কথাখিনি পাছৰ শ্লোক দুটাত সন্নিৱিষ্ট হৈছে। গীতাৰ ১৮/৬৫ নং শ্লোকত আছে—

"মন্মনা ভৱ মদ্‌ভক্তো মদ্‌যাজি মাং নমস্কুৰু।

মামেব এয্যসি সত্যংতে প্ৰতিজানে প্ৰিয়হসি যে।।"

ইয়াত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে, তুমি মোৰ ভাৱাপন্ন হোৱা, মোৰ ভক্ত হোৱা, মোক ভজনা কৰা আৰু মোকেই নমস্কাৰ কৰা। মই প্ৰতিজ্ঞাবদ্ধ হৈ সত্য কৰি কৈছোঁ তুমি মোকেই লাভ কৰিবা যিহেতু তুমি মোৰ প্ৰিয় হোৱা। মহাপুৰুষ মাধৱদেৱে ইয়াৰ সুন্দৰ সৰল ভাঙনি কৰিছে, এনেদৰে—

"মোত মাত্ৰ সদা দিয়া মন/ মোৰ ভক্ত হোৱা সৰ্বক্ষণ/ মোকে পূজা মাত্ৰ মোক কৰা নমস্কাৰ। কহিলো তোমাত সত্য বাণী/ পাইবা সুখে মোক

(১৫ পৃষ্ঠাত চাওক)

# ৰাসতত্ত্ব

গোপীনাথ ডেকা

শ্ৰীকৃষ্ণৰ স'তে সম্বন্ধ আছে ৰাসৰ আৰু ৰাসৰ স'তে সম্পৰ্ক আছে ভক্তিৰসৰ। ৰাসৰ লগত কৃষ্ণ অৰ্থাৎ ভগৱানৰ যেনেদৰে সম্পৰ্ক আছে, তেনেদৰে ভগৱানৰ লগত সম্বন্ধ আছে ভাগৱতৰ। ভাগৱতৰ যি ৰস, সেই ৰসৰ পৰাই ৰাস উৎপত্তি হৈছে আৰু এই ৰাস নানা লীলাৰে পৰিপূৰ্ণ। ভক্তিশাস্ত্ৰ মতে, ৰাসতত্ত্বতেই জগতৰ অভ্যুত্থান হয়। ৰস আৰু লীলা এই দুয়োটাৰ সংস্পৰ্শত ৰাসলীলাৰ সৃষ্টি। ৰস শব্দৰ অৰ্থ হৈছে পৰমানন্দ। নিজ আনন্দত ভগৱানে অনায়াসে যি কৰে সেয়ে লীলা। নৰ্তকীয়ে কণ্ঠ ধাৰণাৰে পৰস্পৰৰ হাতত ধৰি মণ্ডলাকাৰে কৰা নৃত্যক ৰাস বুলি কোৱা হৈছে।

"নচাবৈ অজাতি পাপী পুণ্যবন্ত।
ভকতিত বৈশ্য হোৱা প্ৰভু ভগৱন্ত।।"

— ভাগৱত

ৰাসলীলা হৈছে গোপীসকলৰ লগত ভগৱান শ্ৰীকৃষ্ণই কৰা ৰাসক্ৰীড়া বা ৰাসলীলা। তাত্ত্বিক দিশত ভক্ত আৰু ভগৱানৰ মিলন বা আত্মা-পৰমাত্মাৰ মিলন। ভগৱান শ্ৰীকৃষ্ণই নিজৰ কাম ভাব চৰিতাৰ্থ কৰিবৰ বাবে জোৰকৈ গোপীসকলৰ লগত কামক্ৰীড়া বা ৰাসলীলা কৰা নাছিল। ৰাসলীলা কৰাৰ এঘাৰ মাহৰ আগতে হেমন্ত কালত গকুলৰ গোপকুমাৰীসকলে ঊষা সময়তে শয্যা ত্যাগ কৰি বৃন্দাবনৰ মাজেদি বৈ যোৱা যমুনা নদীলৈ গৈ বিবস্ত্ৰে স্নান কৰি পাৰৰ বালিত দ্বাপৰ যুগৰ ধৰ্মানুসাৰে বালিৰে কাত্যায়নী দেৱীৰ মূৰ্তি সাজি ধূপ-দ্বীপ, গন্ধে-পুষ্পে পূজা কৰি কাত্যায়নী ব্ৰত পালন কৰিছিল। এই পূজা আৰু ব্ৰতৰ উদ্দেশ্য আছিল তেওঁলোকে কৃষ্ণক স্বামী অৰ্থাৎ গৰাকী ৰূপে লাভ কৰা। পূজা ব্ৰত কৰা অন্তত গোপীসকলক তেওঁলোকে কৰা কৰ্মৰ ফল দিবলৈ বুলি কৃষ্ণই যমুনাৰ পাৰলৈ গৈ পাৰত বস্ত্ৰ থৈ বিবস্ত্ৰে স্নান কৰা গোপীসকলৰ বস্ত্ৰবোৰ লৈ এডাল কদম গছৰ ওপৰত ৰাখি থ'লে গৈ। স্নান কৰি উঠি গোপীসকলে তেওঁলোকৰ বস্ত্ৰ নেদেখি ওপৰলৈ চাই কৃষ্ণৰ লগতে বস্ত্ৰবোৰ দেখা পালে; তেওঁলোকে প্ৰথমে পানীৰ পৰাই বস্ত্ৰ দিবৰ বাবে কৃষ্ণক কাৰৌ-কাকুতি কৰিবলৈ ধৰিলে যদিও কৃষ্ণই ক'লে— তোমালোকে ব্ৰত পালন কৰি বিবস্ত্ৰে স্নান কৰিলা। এই কৰ্মৰ দ্বাৰা পুণ্য নহৈ পাপহে হ'ল। গতিকে পাৰলৈ উঠি আহি—

"শিৰৰ ওপৰে ধৰি কৃতাঞ্জলি কৰা সবে নমস্কাৰ।
সিটো পাতকৰ প্ৰায়শ্চিত্ত হুয়া লৈয়ো বস্ত্ৰ আপোনাৰ।।"

— ভাগৱত

সেই কথা শুনি গোপীসকলে এখন হাতেৰে গুপ্তাংগ ঢাকি এখন হাতেৰে নমস্কাৰ কৰাত কৃষ্ণই আকৌ ক'লে— তোমালোকে বেদ উলংঘা কৰিলা। এখন হাতেৰে দেৱক প্ৰণাম কৰিলে তেনেজনৰ হাত কটা যায়। শেষত গোপীসকলে লাজ-অপমান কাটি কৰি থৈ দুই হাতেৰে প্ৰণাম কৰাত কৃষ্ণই গছৰ পৰা বস্ত্ৰ নমাই নিজৰ হাতেৰে প্ৰত্যাকগৰাকী গোপীক পিন্ধিবলৈ দিলে। নৱবিধ ভক্তিৰ শেষবিধ হৈছে আত্মনিবেদন। দেহ-মন-প্ৰাণ কৃষ্ণৰ চৰণত সমৰ্পণ কৰাই হৈছে আত্মনিবেদন। দেহজনিত মায়া থকালৈকে ভগৱান কৃষ্ণক উপলব্ধি কৰিব নোৱাৰি। সেয়েই কৃষ্ণই গোপীসকলৰ দেহ মায়া গুচাবৰ বাবে বস্ত্ৰ হৰণ কৰিলে। যেতিয়া দেখিলে গোপীসকলৰ দেহ-মায়া গুচি গৈছে তেতিয়া তেওঁলোকৰ মনোকামনা পূৰণাৰ্থে প্ৰতিশ্ৰুতি দিলে—

"শৰৎ কালৰ ৰাত্ৰি অতি বিতোপন।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈলা মন।।"

শৰৎ কালৰ ঋতুৰ জ্যোত্স্নাবিধৌত যমুনাৰ বালিত শ্ৰীকৃষ্ণই ৰাসক্ৰীড়া আৰম্ভ কৰিছিল। ৰাসক্ৰীড়াত গোপীসকলে পৰমপুৰুষ ভগৱান কৃষ্ণৰ সান্নিধ্য লাভ কৰিছিল।

কৃষ্ণ সংস্কৃতিয়ে মনৰ অশুভ শক্তি, হিংসা, বিদ্বেষ আঁতৰ কৰি একচিত্ত চৈতন্য আৰু আনন্দ দান কৰে। জীৱনৰ সংস্কৃতি আৰু দৰ্শনৰ প্ৰতিফলন হয় এই ৰাসলীলা ৰাস উৎসৱত। ৰাস উৎসৱত ভাৰতীয় হিন্দু সমাজ জীৱনৰ মহামিলনৰ সাংস্কৃতিৰ উৎসৱ। এই সংস্কৃতি হৈছে কৃষ্ণ সংস্কৃতি— য'ত আছে বৈশিষ্ট কৰ্ম-চিন্তা আৰু সহানুভূতি— মানৱতাৰ মহানিদৰ্শন। ভাৰতীয় কৃষ্টি-সভ্যতা আৰু ইতিহাসত জড়িত হৈ থাকে মানৱৰ বিভিন্ন ভাব-ধাৰা, ধৰ্ম, চিন্তা, আচাৰ-ব্যৱহাৰ, ন্যায়-নিধি, ভাবাৱেগ নিহিত হৈ থাকে এই কৃষ্ণ সংস্কৃতিত। এই ৰাসলীলা হৈছে ভাৰতীয় চিন্তা আৰু দৰ্শনৰ দাপোণ স্বৰূপ। সংস্কৃতিৰ মহান বৈশিষ্ট্য আৰু তাৎপৰ্য হ'ল উচ্চ-নীচৰ প্ৰাচীৰ ভাঙি ভক্ত আৰু ভগৱানৰ মহামিলনৰ দ্বাৰা এখন সুস্থ আধ্যাত্মিক সমাজ গঠন কৰা। সেয়ে গতিশীল সভ্য সংস্কৃতিৰ মাজত আজিও ধৰ্ম-সংস্কৃতিৰ আধ্যাত্মিক উপলব্ধিৰ আধাৰ হৈছে শ্ৰীকৃষ্ণৰ ৰাসলীলা।

"প্ৰথমে প্ৰণামো ব্ৰহ্ম ৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।"

অসমৰ জনসাধাৰণৰ মনত কৃষ্ণ সংস্কৃতিৰ নিতান্তই প্ৰয়োজন। সেয়েহে শ্ৰীকৃষ্ণৰ ৰাসলীলা বা ৰাসনৃত্য সকলোৰে উপভোগ্য মনোৰঞ্জনমূলক অনুষ্ঠান ৰূপে সদায় সমাদৃত হৈ আহিছে। কৃষ্ণ কৰোতি কল্যাণময়। কৃষ্ণ এক দুখহাৰী কাল মায়াদিৰ অধিকাৰী। সেইবাবে হয়তো ধৰ্মীয় আধ্যাত্মিক ভাবানুভূতিৰে আপ্লুত হৈ মানৱে, শ্ৰীকৃষ্ণৰ এই ৰাসলীলাৰ উদ্দেশ্য হৈছে মানৱ সমাজত দিব্য কৰ্ম পবিত্ৰ আদৰ্শ প্ৰদৰ্শনৰ মাজেৰে এক পবিত্ৰ ধৰ্মানুভূতিৰে মানৱ সমাজক আপ্লুত কৰা। ভক্তৰ মনোবাঞ্ছা পূৰণ কৰাই হ'ল ভগৱান কৃষ্ণৰ এই ৰাসলীলা, পৰম কৃপালু কৃপাসিন্ধু সৰ্বগুণাত্মক কৃষ্ণৰ এই লীলাতত্ত্বই হৈছে ভক্তিতত্ত্ব। ইয়াত ভক্তই ভগৱত লাভ কৰি পৰম শান্তিত জীৱন অতিবাহিত কৰিব পাৰে। গতিকে এই ৰাসলীলাৰ মাজেৰেই পাব পাৰি কৃষ্ণৰ অনন্ত শক্তি, অপাৰ্থিৱ সৌন্দৰ্য আৰু শাশ্বত মধুৰধ্বনি। ৰং-ৰহইছ হৈছে মানৱৰ প্ৰাণশক্তি চৈতন্য শক্তি। ভগৱান শ্ৰীকৃষ্ণই চৈতন্যময় প্ৰাণশক্তিৰে পৰমাত্মিক জ্যোতিৰ অনন্ত ৰশ্মিৰ দ্বাৰা ভক্তপ্ৰাণ মানৱাত্মাক আলোকিত কৰে।

(১৮ পৃষ্ঠাত চাওক)

# মনুসংহিতা আৰু কিছু চিন্তা

মণিকা বৰুৱা

পুণ্যভূমি ভৰতবৰ্ষত প্ৰাচীন ধৰ্ম 'হিন্দুধৰ্ম'ৰ উদ্ভৱ হৈছিল। এই ধৰ্মৰ মূল ভেটি হৈছে বেদ। বেদৰ পাচতে তত্ত্বদৰ্শী ঋষি-মুনিসকলে অনেক ধৰ্মশাস্ত্ৰ ৰচনা কৰে। ঋষি যাজ্ঞবল্ক্যৰ মতে প্ৰাচীন ধৰ্মশাস্ত্ৰ প্ৰণেতাৰ সংখ্যা বিশজন। যেনে— মনু, অত্ৰি, বিষ্ণু, হাৰীত, যাজ্ঞবল্ক্য, উশনাশুক্ৰাচাৰ্য, অঙ্গিৰা, যম, আপস্তম্ভ, সম্বৰ্ত্ত, কাত্যায়ন, বৃহস্পতি, পৰাশৰ, ব্যাস, শংখ, লিখিত, দক্ষ, গৌতম, শাতাতপ আৰু বশিষ্ট। প্ৰাচীন ভাৰতীয় মানৱ সমাজৰ জীৱন যাত্ৰা নিয়ন্ত্ৰণৰ বাবে আৰু লগতে সমাজখন সুশৃঙ্খলিতভাৱে চলিবলৈ হিন্দু ধৰ্মশাস্ত্ৰ বা স্মৃতিবিলাকে কিছুমান নীতি-নিৰ্দেশনা আগবঢ়ায়।

হিন্দু ধৰ্মশাস্ত্ৰসমূহৰ ভিতৰত ঋষি মনুৱে প্ৰণয়ন কৰা শাস্ত্ৰখনক 'মনুস্মৃতি' বা 'মনুসংহিতা' বোলা হয়। মনুস্মৃতিকে আটাইতকৈ প্ৰাচীন স্মৃতিশাস্ত্ৰ হিচাপে ঠাৱৰ কৰা হৈছে। জনা যায় যে, মনুস্মৃতিও প্ৰথমে একলাখ শ্লোক আছিল। তাৰ পিছত যুগ যুগ ধৰি স্মৃতিখনৰ শ্লোকৰ সংখ্যা বঢ়া-টুটা হৈছে। ঋকবেদৰ পৰা আৰম্ভ কৰি পৰৱৰ্তী কালৰ প্ৰায়বোৰ গ্ৰন্থতে সময়ে সময়ে নতুন নতুন কথা কিছু প্ৰক্ষিপ্ত হোৱাটো স্বীকাৰ কৰিছে। বৰ্তমান সময়ত পোৱা ভৃগুপ্ৰোক্ত মনুস্মৃতিত শ্লোকৰ সংখ্যা আঢ়ৈ হাজাৰৰ ওপৰ। স্মৃতিশাস্ত্ৰবিলাকত সামাজিক আচাৰ-ব্যৱহাৰ, পাৰিবাৰিক জীৱনৰ পবিত্ৰতা আৰু আধ্যাত্মিক জীৱনৰ উৎকৰ্ষ সাধনৰ নিয়মসমূহ আছে। বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াদেৱে তেখেতৰ 'অসমৰ বৈষ্ণৱ দৰ্শনৰ স্বৰ্ণৰেখা' নামৰ গ্ৰন্থখনিত উল্লেখ কৰিছে— "স্মৃতি শব্দৰ প্ৰসঙ্গত পোৱা যায় যে লিখিত অৱস্থাত পুৰুষানুক্ৰমে যি চলি আহিছে। বহল অৰ্থত স্মৃতিয়ে ৬ বেদাঙ্গ শ্ৰৌত, গৃহ্য আদি সূত্ৰ, মনু আদি ঋষিসকলৰ দ্বাৰা প্ৰণীত বিধানবোৰ, মহাভাৰত, ৰামায়ণ আদি ইতিহাস, পুৰাণ, নীতিশাস্ত্ৰ আদি বুজায়।"

ঋষি মনুৱে দ্বাদশ অধ্যায়ত স্মৃতিশাস্ত্ৰখন প্ৰণয়ন কৰিছে। মনুষ্য জীৱনত আৱশ্যক হোৱা কৰ্তব্যবোৰ যেনে— ভোজন, স্নান, আচাৰ-ব্যৱহাৰ, শিক্ষা-দীক্ষা, আইন-কানুন— এইবিলাকৰ নীতি-নিয়মসমূহ স্মৃতিশাস্ত্ৰখনত লিপিবদ্ধ কৰিছে। মানৱ জীৱনৰ আৱশ্যকীয় বিষয়বোৰ একাদিক্ৰমে অধ্যায়বিলাকত বিভাগ কৰি দি গৈছে। প্ৰথম অধ্যায়ত সৃষ্টিৰ ৰচনা আৰু প্ৰাণী উৎপত্তিৰ বৰ্ণনা; দ্বিতীয় অধ্যায়ত চাৰি আশ্ৰমৰ ধৰ্ম আৰু কৰ্তব্যৰ বৰ্ণনা দিছে। তৃতীয় অধ্যায়ত চাৰিও বৰ্ণৰ বিবাহৰ নিয়ম, বিবাহৰ প্ৰকাৰ, গৃহস্থৰ পঞ্চ মহাযজ্ঞ, আতিথ্য সৎকাৰ আৰু শ্ৰাদ্ধৰ বিষয়ে বৰ্ণনা দিছে। পঞ্চম অধ্যায়ত খাদ্য-অখাদ্য, দুষিত পদাৰ্থৰ বিশুদ্ধিকৰণ আৰু স্ত্ৰী কৰ্তব্যৰ বিষয়ে কৈছে। ষষ্ঠ অধ্যায়ত বানপ্ৰস্থ, যতিধৰ্ম আৰু সন্ন্যাসৰ বিৱৰণ; সপ্তম আৰু অষ্টম অধ্যায়ত ৰাজ্য শাসন, ৰাজদণ্ডবিধান, আইন, ন্যায়-বিচাৰ আদি; নৱম অধ্যায়ত স্ত্ৰী-পুৰুষৰ ধৰ্ম, উত্তৰাধিকাৰ আইন, বৈশ্য-শূদ্ৰৰ কৰ্তব্য; দশম অধ্যায়ত বৰ্ণসংকৰ জাতি, চাৰিজাতিৰ জীৱিকাৰ নিয়ম; একাদশ অধ্যায়ত প্ৰায়শ্চিত্ত বিধান, দ্বাদশ অধ্যায়ত কৰ্মৰ ফলত জন্ম-জন্মান্তৰ প্ৰাপ্তি, পৰমাত্মা জ্ঞান, বেয়া কামৰ দোষ-গুণ, আত্মমুক্তি জ্ঞান বৰ্ণনা কৰিছে। মনুসংহিতাখনত সন্নিৱিষ্ট এই বিস্তৃত বিষয়বোৰলৈ লক্ষ্য কৰিয়ে নিশ্চয় কোনো কোনো পণ্ডিতে মনুস্মৃতি বা মনুসংহিতাক মানৱধৰ্ম শাস্ত্ৰ বুলি আখ্যা দিছিল। সঁচা কথা ক'বলৈ হ'লে এই স্মৃতিখনি মানৱ সভ্যতাৰ প্ৰথম সংবিধান বুলি ক'লেও বঢ়াই কোৱা নহ'ব। ঋষিজনাই সেই সময়ৰ সমাজৰ বাবে কিমান গভীৰভাৱে চিন্তা কৰি সদাচাৰ, নিত্যকৰ্ম, নিয়ম, আইন-কানুন ৰচনা কৰিছিল ভাবিলে আচৰিত হ'ব লগা হয়।

মনুসংহিতাত কৰ্তব্য সম্পৰ্কে আমাৰ সমাজত নানা জনৰ ধাৰণা অস্পষ্ট। কাৰণ এইখন শাস্ত্ৰৰ বিষয়ে সমাজত পৰম্পৰাগতভাৱে চলি অহা এটা বিৰূপ মনোভাব। ইয়াৰ প্ৰধান কাৰণ দুটা। প্ৰথম হ'ল মনুসংহিতাই ভাৰতীয় চতুৰ্বৰ্ণৰ ভিতৰত ব্ৰাহ্মণকহে শ্ৰেষ্ঠ আৰু শূদ্ৰক ইতৰ প্ৰাণীতুল্য নিকৃষ্ট বুলি কৈছে। দ্বিতীয়তে, ইয়াত নাৰীক অৱমাননা কৰা হৈছে। ঋষিৰ মতে সৃষ্টিকৰ্তা ব্ৰহ্মাৰ মুখৰ পৰা ব্ৰাহ্মণ, বাহুৰ পৰা ক্ষত্ৰিয়, উৰুৰ পৰা বৈশ্য আৰু ভৰিৰ পৰা শূদ্ৰৰ উৎপত্তি হয়। এই চাৰিবৰ্ণৰ প্ৰত্যেকৰে বেলেগ বেলেগ কৰ্মও নিৰ্দ্ধাৰণ কৰিছে। ব্ৰাহ্মণৰ বাবে পঢ়া, পঢ়োৱা, যজ্ঞ কৰা, যজ্ঞ কৰোৱা, দান দিয়া, দান লোৱা— এই ছয় কৰ্ম নিশ্চিত কৰিলে। ক্ষত্ৰিয়ৰ কাৰণে প্ৰজাৰ ৰক্ষা, দান, যজ্ঞ কৰা, অধ্যয়ন আৰু অধ্যাপনা কৰা আৰু বিষয়ত (নাচ, গান আদিত) আসক্ত নোহোৱা এই পাঁচবিধ কৰ্ম নিশ্চিত কৰে। বৈশ্যৰ কাৰণে পশুক ৰক্ষা কৰা, দান দিয়া, যজ্ঞ কৰা, অধ্যয়ন কৰা, বেহা-বেপাৰত উপাৰ্জন কৰা, সূত লৈ টকা দিয়া আৰু কৃষি কৰা— এইবিলাক কৰ্মৰ দায়িত্ব দিলে। ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যৰ এই এক কৰ্মকেই শূদ্ৰৰ বাবে নিশ্চিত কৰে। ইয়াত ব্ৰাহ্মণক সকলোতকৈ শ্ৰেষ্ঠ জাতি আৰু শূদ্ৰক আটাইতকৈ নিকৃষ্ট জাতি হিচাপে বৰ্ণনা কৰিছে। দেখা গৈছে শূদ্ৰসকলৰ আন কেওটা জাতিক সেৱা-শুশ্ৰূষা কৰাৰ বাহিৰে অন্য কোনো কৰ্মতে অধিকাৰ নাই। সেয়েহে আজিও মনুসংহিতাৰ প্ৰতি সমাজৰ ধাৰণা সুস্থিৰ নহয়।

ঋষি মনুৱে নাৰীৰ স্থান আৰু মৰ্যদাৰ ক্ষেত্ৰত বিপৰীতমুখী মনোভাব প্ৰকাশ কৰিছে। এফালে নাৰীক ৰক্ষণাবেক্ষণ, নাৰীৰ প্ৰশংসা, পত্নী পতিৰ অৰ্দ্ধাঙ্গিনী, পত্নী পতিৰ বাবে দেৱতাৰ দান, পত্নী আৰু কন্যাক লৈহে পুৰুষে পূৰ্ণতা পাই ইত্যাদি স্ত্ৰী মৰ্যদাসূচক মন্তব্য কৰিছে। আনহাতে ঋষিয়ে নাৰীক কেৱল 'পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্য্যা' কৰি শিক্ষা-দীক্ষাবিহীন এক জড়সত্তাত পৰিণত কৰিছে। তেওঁৰ মতে— "তিৰোতাৰ কাৰণে শয্যা, আসন আৰু আভূষণ প্ৰীতি, কাম, ক্ৰোধ, কুটিলতা, দ্ৰোহ ভাব, দুষ্টতা এইবোৰ সাধাৰণ কথা।" পৃথিৱীৰ দৰে ধৈৰ্যশীলা, স্নেহময়ী জন্মদাত্ৰী মাতৃজাতিৰ বিষয়ে এনে মন্তব্য অগ্ৰহণীয়। তেওঁ কৈছে যে তিৰোতাই স্বামীৰ গুণতে মৃত্যুৰ পাছত পতিলোক বা স্বৰ্গলোক লাভ কৰে। নিজে ধৰ্ম-কৰ্ম কৰিবৰ একো প্ৰয়োজন নাই। আকৌ কৈছে— পতি চৰিত্ৰহীন, কামুক বা গুণবিহীন হ'লেও তিৰোতাই তেওঁক সদায়

(১৬ পৃষ্ঠাত চাওক)

# দধীচিৰ দেহ দান

(১০ পৃষ্ঠাৰ পৰা)

মুহূৰ্তও নৰৈ সুধিলো 'কিমান সময় হ'ল।' তাই ক'লে, দহ মিনিট হৈছে' আহক' নিমিষতে লেফাফাটো লৈ বৰদেউতাৰকাষলৈ ঢাপলি মেলিলো। বৰদেউতাৰ চোতালত কিছু মানুহ দেখিলো। বৰমাই ধৌত বস্ত্ৰৰে আবৃত বৰদেউতাৰ দেহটোৰ ভৰিফালে বহি অনিমেষ নেত্ৰে চাই আছে। মই বৰমাক গাত ধৰি জোকাৰি দি ক'লো, 'বৰমা লেফাফাটো লোৱা।' তয়ে পঢ়ি দে' বৰমাই মোলৈ নোচোৱাকৈয়ে ক'লে। মই অকণো সময় নষ্ট নকৰি লেফাফাটো ফালি উপস্থিত ৰাইজ আৰু পৰিজনক উদ্দেশ্যি কথাখিনি আদ্যোপান্ত পঢ়াৰ আগতে ক'লো, আজি কিছুদিনৰ আগতে বৰদেউতাই এই লেফাফাটো দি কৈছিল, 'মোৰ মৃত্যুৰ পিছত লেফাফাটো খুলি পঢ়ি সকলোকে শুনাবি। তাত থকা কথাখিনি আখৰে আখৰে পালন কৰিবি। এইখন মোৰ ইচ্ছাপত্ৰ। কথাখিনি কৈ মই সকলোৰে মুখমণ্ডলৰ ফালে চালো। সকলো নিশ্চুপ। মই ইচ্ছা পত্ৰখন খুব স্পষ্টকৈ লাহে লাহে পঢ়ি গ'লোঃ উপস্থিত বাপ আইসকল আৰু মোৰ আশীৰ্বাদঃ ধন্যপৰিয়ালবৰ্গ। এইখন মোৰ ইচ্ছাপত্ৰ যদিও ইয়াত কোনো আইনী ব্যৱস্থা ৰখা নাই, তথাপি সম্পূৰ্ণ মৰ্যদা সন্মান আৰু ন্যায় দি পালন কৰিব বুলি সকলোলৈ অনুৰোধ কৰিলো। যিদৰে মহামুনি দধীচিয়ে দেৱসমাজক কল্যাণ সাধনৰ হেতু দেহ দান দিছিল তদ্ৰুপ ময়ো স্থিৰ সিদ্ধান্ত ললো, 'যে মোৰ নৰেশ্বৰ দেহটোৰ মূল্যবান কাৰ্যক্ষম অঙ্গপতঙ্গসমূহ ৰাইজৰ সেৱাত উচৰ্গা কৰি যাম। তাকে ভাবি মৰমৰ ভতিজা পু শ্ৰীমান প্ৰহ্লাদ বৰুৱাক সমস্ত কামৰ আগভাগ লৈ কৰিবলৈ কৰ্তৃত্ব দিলো। তেওঁক আপোনালোকে সহায় কৰিব। মোৰ অবান্তৰ কাৰ্যক লৈ কোনো আশ্চৰ্য প্ৰকাশ নকৰিব। কোনোৱে পক্ষপাত নকৰিব। কোনো ধৰ্ম-অধৰ্ম, নীতি-অনীতি আৰু সামাজিক-অসামাজিক আদিৰ গইনা লৈ মোৰ ইচ্ছাক ধুলিসাৎ কৰাৰ চেষ্টা নকৰিব। আপোনাসৱৰ পদযুগলত শিৰ থৈ কাকুতি কৰিছো। ইয়াৰ উপৰি কদমতলত থকা বাৰী মাটি চাৰি বিঘাৰ মাত্ৰ দুকঠা প্ৰাথমিকৰ নামঘৰ বনাবলৈ দান দিলো। এই কাম প্ৰহ্লাদে আপোনালোকৰ সহযোগত সম্পূৰ্ণ কৰিব। সেয়ে মোৰ প্ৰাণবায়ু ওলাই যোৱাৰ লগে লগে এজন অভিজ্ঞ ডাক্তৰ আনি মোৰ শৰীৰৰ যি অংশ মানৱ জাতিৰ উপকাৰত আহিব বুলি ভাবে, বিনাচৰ্তে চৰকাৰক দান দিব। যাৰ দ্বাৰা কোনো মৃত্যুমুখীয়ে পুনৰ জীৱন লাভ কৰিব পাৰে। আৰু এটা বিশেষ অনুৰোধ কোনো দুষ্টচক্ৰই যাতে মোৰ দেহৰ অঙ্গপতঙ্গ লৈ কোনো কাৰণতে বেহা কৰিব নোৱাৰে। এয়া মোৰ সম্পূৰ্ণ দানহেঃ ব্যৱসায় নহয়।

বৰদেউতাৰ ইচ্ছাপত্ৰ পাঠ কৰি মই বাকীসকলৰ লগতে পুতেকহঁতলৈ চালো। সিহঁত বজ্ৰাহঁত। বৰদেউতা বৰমাই কুপুত্ৰ ত্ৰয়ৰ সন্দৰ্ভত মোক পালন কৰিবলৈ কোৱা বিস্ফোৰক কথাখিনি এই মুহূৰ্তত কোৱাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰিলো যদিও তাৰ বাবে নবীন খুৰাক দায়িত্ব দি, মই তাৎক্ষণিকভাৱে ডাক্তৰ কংকনক অনাৰ ব্যৱস্থা কৰিবলৈ মোৰ বন্ধু কৃষ্ণক লৈ, দুই কিলোমিটাৰ নিলগৰ ডাক্তৰৰ ওচৰলৈ স্কুটাৰত কিক্ মাৰি আগবাঢ়িলো।❑❑

# শ্ৰীমদ্ভগৱতগীতা

(১১ পৃষ্ঠাৰ পৰা)

মহামানী। তুমি প্ৰিয়তম সুহৃদ সখি আমাৰ।।"
—ঘোষা, ৬০৯

উক্ত শ্লোক আৰু মাধৱদেৱৰ ভাঙনিত একমাত্ৰ প্ৰভু ভগৱন্ততেই মন-প্ৰাণ, পূজা, প্ৰণাম সমস্তকেই অৰ্পণ কৰাৰ উপদেশ আছে। তেনেভাৱে এক ঈশ্বৰকেই উপাসনা কৰিলে তাৰাই যে গতি দিব ই নিশ্চিত। একশৰণ তত্ত্ব প্ৰকাশ কৰি পৰৱৰ্তী শ্লোকত সৰ্বশেষ সিদ্ধান্ত দি গীতাত ভগৱান শ্ৰীকৃষ্ণৰ বাণী—

"সৰ্বধৰ্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।।"

—গীতা, ১৮/৬৬

অৰ্থঃ হে অৰ্জুন (ব্ৰজ), সকলো ধৰ্ম পৰিত্যাগ কৰি একমাত্ৰ মোতেই শৰণ লোৱা। মই তোমাক সকলো পাপৰ পৰা মুক্তি দিম, শোক নকৰিবা।

ভগৱান শ্ৰীকৃষ্ণৰ শ্ৰীমুখৰ এই অমোঘ বাণীত সিদ্ধান্তমূলক ভাৱেই বস্তুটি প্ৰকাশ হৈছে। একশৰণ হৰিনাম ধৰ্ম প্ৰৱৰ্তক জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ অসমীয়া ভাগৱত শাস্ত্ৰত উক্ত শ্লোকৰ বিতোপন ভাৱানুবাদ কৰিছে, যথা—

"সৰ্বধৰ্ম এৰি এক শৰণ সাক্ষাৎ
সুদৃঢ় বিশ্বাসে সখি লয়োক আমাক।
নকৰিবা ভয় হেৰা কৰো অঙ্গীকাৰ
সৰ্ব পাপতে মই কৰিবো উদ্ধাৰ।।"

গীতাত ঈশ্বৰ কৃষ্ণই উপসংহাৰ স্বৰূপতেই সৰ্বগুহ্যতম এই কথা কৈছে— 'সৰ্বধৰ্ম পৰিত্যাগ কৰি কেৱল মোৰ শৰণ লোৱা। এইক্ষেত্ৰত প্ৰধান বুজিবলগীয়া কথাটি হ'ল— ধৰ্ম মানে কি? ধৰ্ম শব্দই প্ৰকৃততে ইয়াত কি বুজাইছে। মুক্তি বা মোক্ষ লাভ, ভগৱৎপ্ৰাপ্তি তথা স্বৰ্গাদি পৰলৌকিক কল্যাণ লাভাৰ্থে যিবিলাক অনুষ্ঠিতব্য কৰ্ম শাস্ত্ৰাদিত নিৰ্দেশিত হৈ আছে, ব্যাপক অৰ্থত তাকেই ধৰ্ম বোলে। সেই কালত সনাতন হিন্দুধৰ্মত প্ৰচলিত গাৰ্হস্থ্য ধৰ্ম, সন্ন্যাস ধৰ্ম, ৰাজধৰ্ম, দান ধৰ্ম, বিভিন্ন দেৱ-দেৱীৰ যাগ-যজ্ঞ, পূজা-পাতল, তপ-যপ, ব্ৰত-দান, তীৰ্থ ভ্ৰমণ আদি উপাসনা পদ্ধতিসমূহকেই ধৰ্ম বুলি সূচাইছে আৰু সৰ্বধৰ্ম শব্দই এই সমস্তকেই বুজাইছে। ধৰ্ম শব্দৰ এই অৰ্থত মহাভাৰত শাস্ত্ৰতো পুনঃ পুনঃ ব্যৱহাৰ হৈছে আৰু এইবিলাক বিভিন্ন ধৰ্মৰ আচৰণৰ চাকনৈয়াত পৰি ঋষি, বিপ্ৰ বা লোক সমস্ত বহু সময়ত দিশহাৰা হ'বলগীয়া হয়। মহাভাৰতত স্থান বিশেষে তাৰ উল্লেখ আছে। যথা— "সেই বিপ্ৰ বেদোক্ত ধৰ্ম, শাস্ত্ৰোক্ত ধৰ্ম, শিষ্টসকলৰ আচৰিত ধৰ্ম— এই ত্ৰিবিধ ধৰ্ম মনে মনে চিন্তা কৰি কি কৰিলে শুভ হয়, কোন ধৰ্ম আমাৰ পৰম অৱলম্বন, ইয়াক ভাবি ভাবি ক্ৰমাৎ ক্ষীণ হ'বলৈ ধৰিলে।"—মহাভাৰত, শাং, ৩৫৩-৩৫৪।

ওপৰত উদ্ধৃত বাক্যসমূহত যি অৰ্থত ধৰ্ম শব্দটি ব্যৱহৃত হৈছে উল্লিখিত ১৮/৬৬ নং গীতাৰ শ্লোকটিটো ধৰ্ম শব্দ ঠিক সেই অৰ্থতেই ব্যৱহাৰ হৈছে আৰু পূৰ্বোক্ত বিপ্ৰসৱ যেনে ধৰণে নানাৰূপে ধৰ্ম সংকটত পৰি কিংকৰ্তব্যবিমূঢ় হৈছিল, ঠিক তেনেদৰে অৰ্জুনেও 'ধৰ্মসংমূঢ়চেতা' —গীতা, ২/৭। অৰ্থাৎ কাৰ্যাকাৰ্য নিৰ্ণয়ত অসমৰ্থ হৈ পৰিছিল। ভগৱন্তৰ দুস্তৰ মায়া বিমোহিত অৰ্জুনৰ মোহ দূৰ কৰণাৰ্থে ভগৱান শ্ৰীকৃষ্ণই গীতাত কৰ্ম-জ্ঞান-ভক্তি মিশ্ৰ অপূৰ্ব যুগধৰ্মৰ উপদেশ প্ৰদান কৰিছে। পৰিশেষত সৰ্বগুহ্যতম এই সাৰ বাক্য কৰিলে— "শ্ৰুতি, স্মৃতি বা লোকাচাৰ মূলক নানা ধৰ্মৰ নানা ৰূপ বিধি নিষেধৰ দাসত্ব পৰিত্যাগ কৰি হে অৰ্জুন, তুমি সৰ্বতোভাৱে মোৰ শৰণ লোৱা, মোৰেই কৰ্মবোধে কৰ্তব্য কৰ্ম কৰি যোৱা, তোমাৰ ভয় কৰিবলগীয়া একো নাই, মই তোমাক সৰ্বপাপৰ পৰা মুক্ত কৰিম।" ইয়েই হ'ল গীতাৰ শ্ৰীভগৱানৰ অভয়বাণী আৰু ইয়েই হৈছে ভক্তিমাৰ্গৰ সাৰ কথা। ইয়াৰ নামেই হ'ল ভগৱৎ শৰণাগতি বা আত্মসমৰ্পণ যোগ আৰু ইয়েই হ'ল গীতাৰ কৰ্ম-জ্ঞান-ভক্তিযুক্ত একেশ্বৰবাদৰ ওপৰত প্ৰতিষ্ঠিত একশৰণ তত্ত্ব।

ভক্তিশাস্ত্ৰত শৰণাগতিৰ ষড়বিধ লক্ষণ বৰ্ণিত আছে, যথা—

"আনুকূলস্য সঙ্কল্প প্ৰতিকূলস্য বিবৰ্জ্জনম্।
ৰক্ষিষ্যতীতি বিশ্বাসো গোপ্তৃত্বে বৰণং তথা।
আত্মনিক্ষেপকাৰ্পণ্যে ষড়বিধা শৰণাগতি।।"

অৰ্থাৎ ভগৱানৰ প্ৰীতিজনক কাৰ্যত প্ৰবৃত্তি, প্ৰতিকূল কাৰ্যৰ পৰা নিবৃত্তি, তাৰাই ৰক্ষা কৰিবই এনে দৃঢ়বিশ্বাস, ৰক্ষাকৰ্তা বুলি ভগৱন্তক বৰণ, তেওঁতেই সম্পূৰ্ণ আত্মসমৰ্পণ তথা ভগৱানকেই প্ৰাৰ্থনা কাকুতি-মিনতি— এই ছয়টি শৰণাগতিৰ লক্ষণ। (বায়ুপুৰাণাদি)

শ্ৰীমদ্ভগৱত শাস্ত্ৰতো সৰ্বধৰ্মত্যাগী ভগৱানৰ ভক্তকেই শ্ৰেষ্ঠ বোলা হৈছে। যথা—

"প্ৰাজ্ঞায়ৈবং গুণান দোষান ময়াদিষ্টানপি স্বকান্।
ধৰ্মান্ সংত্যজ্য যঃ সৰ্বান্ মাং ভজেৎ স তু সত্তমং।।"

— ভাগৱত, ১১/১১/৩২

অৰ্থাৎ মোৰ দ্বাৰা কৃত বিহিত বেদোক্ত ধৰ্মবিলাকৰ আচৰণত সত্ত্বশুদ্ধাদি গুণ বা অনাচৰণত হোৱা দোষ, ইবিলাক জ্ঞাত হৈয়ো যিজনে সৰ্বধৰ্ম পৰিত্যাগ কৰি একমাত্ৰ মোকেই ভজনা কৰে তেওঁ শ্ৰেষ্ঠতম। উপসংহাৰ স্বৰূপত ব্যক্ত গীতাৰ ১৮/৬৬ নং শ্লোকৰ মূলকথা এইযে বেদাদি শাস্ত্ৰ প্ৰদিষ্ট ধৰ্মাচৰণৰ নানা মাৰ্গৰ গণ্ডগোলৰ মাজত পৰি মন হতবুদ্ধিহৈ যাব পাৰে বুলিয়েই অকল অৰ্জুনত নহয়, অৰ্জুনক উপলক্ষ্য কৰি ভগৱান শ্ৰীকৃষ্ণই সমস্ত মনুষ্য লোককেই এই নিশ্চিত আশ্বাস দিছে যে ধৰ্মমাৰ্গ ত্যাগ কৰি তুমি কেৱল মোৰেই শৰণ লোৱা, মই তোমাক সৰ্বপাপৰ পৰা মুক্ত কৰিম।"

এই সৰ্বধৰ্মক পৰিত্যাগ কৰি কেৱল ভগৱান শ্ৰীকৃষ্ণৰ শৰণ বা আশ্ৰয় গ্ৰহণ কৰি সুদৃঢ় বিশ্বাসে তাৰাৰ উপাসনা কৰাটোৱেই শ্ৰীগীতাৰ মূল উপদেশ তথা চূড়ান্ত সিদ্ধান্ত। এই ক্ষেত্ৰত ভয় শঙ্কা, অবিশ্বাস সম্পূৰ্ণৰূপে পৰিহাৰ কৰিবলৈ কৈ ভগৱান শ্ৰীকৃষ্ণই অঙ্গীকাৰ কৰিছে যে তাৰাক যি সকলে এনেদৰে ভজনা কৰিব সেই সকল সমস্ত পাপৰ পৰা নিষ্কৃতি পাব আৰু পৰম স্থান বা পৰম পদ প্ৰাপ্ত হ'ব। গীতাৰ ১৮/৮২ শ্লোকত উক্ত হৈছে।

"তমেব শৰণং গচ্ছ সৰ্বভাৱেন ভাৰত।
তাৎ প্ৰসাদাৎ পৰাং শান্তিং স্থানম প্ৰাপ্যসি শাশ্বতম্।।"

ইয়াত শ্ৰীকৃষ্ণই কৈছে— হে অৰ্জুন (ভাৰত) তুমি সৰ্বতোভাৱে তেওঁৰেই শৰণাগত হোৱা। তাৰাৰ প্ৰাসাদত বা কৃপাত পৰম শান্তি স্থান প্ৰাপ্ত হ'ব ই নিত্য সত্য।

এনেদৰেই ভকতিৰ ৰহস্য একশৰণ তত্ত্ব জগতৰ লোকৰ কল্যাণৰ হেতু গীতা শাস্ত্ৰত প্ৰকাশিত হৈছে। সনাতন হিন্দুধৰ্ম উদাৰ গুণযুক্ত। সেয়ে গীতাত তাৰ প্ৰতিফলন ঘটিছে, যথা— ভগৱান কৃষ্ণৰ বাক্য—

"ইতিতে জ্ঞানম্ আখ্যাতং গুহ্যাত গুহ্যতৰং ময়া।
বিমিশ্ৰৈতদশেষেন যথেচ্ছসি তথা কুৰু।"

— গীতা, ১৮/৬৩

অৰ্থাৎ, হে অৰ্জুন অন্তত তোমাক গুপুতৰো গুপুত জ্ঞান ব্যাখ্যা কৰিলো। এতিয়া তুমি ভাল ধৰণে চিন্তা-চৰ্চা কৰি যি ইচ্ছা হয় তাকেই কৰা।

এনেদৰে ধৰ্ম পন্থা ধাৰণ কৰাৰ ক্ষেত্ৰত জগতৰ লোকক পূৰ্ণ পূৰ্ণ স্বাধীনতা প্ৰদান কৰা হৈছে। জীৱসমূহ স্বয়ং স্বতন্ত্ৰীয়া। নিজ গতি নিজে নিৰ্দ্ধাৰক। সেয়ে বেদান্ত দৰ্শন শাস্ত্ৰৰ অন্তৰ্গত পৰম অমূল্য ৰত্ন ভগৱান শ্ৰীকৃষ্ণৰ বাণী সম্বলিত শ্ৰীমদ্ভগৱত গীতাৰ একশৰণ তত্ত্বৰ জ্ঞান বিচাৰ কৰি নিজৰ পৰমগতি লাভৰ উত্তম উপায় গ্ৰহণ কৰাতো জগতৰ লোকৰ নিজা কৰ্তব্য।

সমস্ত শাস্ত্ৰ মন্থন কৰি গীতা-ভাগৱতৰ আধাৰত সেয়ে শ্ৰীমন্ত শঙ্কৰদেৱে 'একশৰণ হৰিনাম ধৰ্ম' জগতৰ লোকৰ কল্যাণৰ কাৰণে প্ৰৱৰ্তন কৰি মহত্তৰো মহৎ উপকাৰ সাধন কৰি গৈছে। অল্পায়ু কলিযুগৰ মনুষ্যই শ্ৰেষ্ঠধৰ্ম 'একশৰণ হৰিনাম ধৰ্ম' ধাৰণ কৰি সংসাৰৰ ত্ৰিতাপৰ পৰা নিষ্কৃতি লভি পৰম গতি লাভ কৰিব পাৰে।❑❑

# মনুসংহিতা আৰু কিছু

(১৫ পৃষ্ঠাৰ পৰা)

দেৱতাৰ দৰে সেৱা কৰিবই লাগিব। স্মৃতিখনত এনেকুৱা অনেক বক্তব্য আছে যিবোৰৰ কাৰণে গ্ৰন্থখনি সমালোচনাৰ হাত সাৰিব পৰা নাই।

সি যি নহওক, গ্ৰন্থখনিত লিপিবদ্ধ আইন-কানুন, নীতি-নিয়ম সকলোবোৰ আজিৰ যুগত খাপ নাখালেও; সেই সময়ত নিশ্চয় সেইবিলাক বাধ্যতামূলকভাৱে মানি চলা হৈছিল। ইতিহাসেও তাৰ কিছু কিছু তথ্য আমাক দিয়ে। আমি যদি বৰ্তমান যুগৰ মানুহ হিচাপে বাস্তৱ দৃষ্টিভংগীৰে বিচাৰ কৰি চাও, আজিকালি চতুৰ্বৰ্ণৰ ব্যৱস্থা নাই, সেই ঋষি মনুও নাই আৰু তাহানিৰ কঠোৰ জীৱন ব্ৰত পালন কৰিব পৰা ক্ষমতাও নাই। আজিৰ যুগত মানৱৰ উচ্চ-নীচ বিচাৰ কৰা হয় গুণ অনুসাৰে। সমাজত সুখ-শান্তি, ন্যায় আৰু নৈতিকতা বিৰাজ কৰাবৰ কাৰণে কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ অপৰিহাৰ্য। অৱশ্যে এই ৰীতি-নীতি, সদাচাৰ বিলাক মানৱ জাতিৰ প্ৰয়োজনীয়তাৰ লগত খাপ খোৱাকৈ যুক্তিসংগত, বাস্তৱিক আৰু বিজ্ঞানসন্মত হ'ব লাগিব। এখন সমাজ, এটা পৰিয়াল সু-শৃঙ্খলিতভাৱে পৰিচালিত হ'বলৈ হ'লে, পুৰুষ-নাৰী উভয়ে সদা সন্ত্ৰস্ত, সংযমী, সদাচাৰী, নীতি-পৰায়ণ হুবই লাগিব। এই ৰীতি-নীতিবিলাক যদিহে ধৰ্মীয় বান্ধোনেৰে বন্ধা থাকে তেতিয়া সকলোৱে নৈতিকতাৰ খাতিৰতে শ্ৰদ্ধাৰে পালন কৰে। ঋষি মনুৱে প্ৰণয়ন কৰা সংহিতাখনিত এনে কিছুমান পালন কৰিবলগীয়া সদাচাৰ আৰু সিদ্ধান্ত আছে, যিবিলাক সকলো যুগতে মানৱ সমাজৰ বাবে আৱশ্যকীয়। আমি সেইবিলাকৰ ভিতৰৰে কিছুমান উল্লেখ কৰিবলৈ চেষ্টা কৰা হ'ল।

বেদ, স্মৃতি, সদাচাৰ আৰু আত্মতুষ্টি এই চাৰিওটাই ধৰ্মৰ সাক্ষাত প্ৰমাণ বুলি মনু আদিয়ে কয়।

ভক্তিভাৱে অন্নভোজন কৰিলে সদায় সামৰ্থ

(১৮ পৃষ্ঠাত চাওক)



লাইখুটা স্থাপনৰ মুহূৰ্তত পদাধিকাৰ, উপ-পদাধিকাৰ, প্ৰধান সম্পাদক আৰু যুটীয়া সম্পাদক



লাইখুটা স্থাপনৰ মুহূৰ্তত



লাইখুটা স্থাপনত একাংশ ভক্তপ্ৰাণ ৰাইজ



লাইখুটা স্থাপনৰ মুহূৰ্তত পদাধিকাৰ, প্ৰধান সম্পাদক আৰু যুটীয়া সম্পাদক



ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ডেৰশ বছৰীয়া জয়ন্তীৰ উপলক্ষে অনুষ্ঠিত বক্তৃতানুষ্ঠানত ড° নগেন শইকীয়া (শিৱসাগৰ)



ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ডেৰশ বছৰীয়া জয়ন্তীৰ উপলক্ষে অনুষ্ঠিত বক্তৃতানুষ্ঠানত শ্ৰীপৰন বেজবৰুৱা (শিৱসাগৰ)



ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ডেৰশ বছৰীয়া জয়ন্তীৰ উপলক্ষে অনুষ্ঠিত বক্তৃতানুষ্ঠানত অধ্যাপক শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ বৰা (শিৱসাগৰ)



অকণিৰ হাতৰ পৰশত (শিল্পী-শ্ৰীবৰষা ডেকা, দৰং)

# ৰাসতত্ত্ব

(১৫ পৃষ্ঠাৰ পৰা)

"কামজয় নামে এটো কেশৱৰ কেলি।
শৰত কালৰ ৰাত্ৰি অতি বিতোপন।।"
বহুবিধ পুষ্পে বিকশিত বৃন্দাবন।
দেখি যোগমায়া বলে হৰিয়ে এহিত।।
ৰাস ক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈলাচিত।।"

ৰাসলীলা জীৱাত্ম আৰু পৰমাত্মাৰ মিলন। অসুন্দৰৰ পৰা সুন্দৰলৈ, কুসংস্কৃতিৰ পৰা সুসংস্কৃতিলৈ উত্তৰণ কৃষ্ণ প্ৰেমেৰে জীৱাত্মাৰ ৰস। যি মানৱে সভক্তিৰে, প্ৰেমানুভূতিৰে ঈশ্বৰ কৃষ্ণৰ কায়-মনো-বাক্য শ্ৰৱণ কীৰ্তন কৰে প্ৰকৃতপক্ষে তেওঁৰ জীৱন সাৰ্থক। প্ৰেমানন্দময় মোহন মুৰুতি শ্ৰীকৃষ্ণই পূৰ্ণিমা ৰাতিৰ শুভ স্নিগ্ধ জোনাকৰ আলোকত বিশ্ব বিমোহন ৰূপেৰে অপূৰ্ব সুৰৰ মুৰুলি ধ্বনিৰে জগতক সুৰময় সুখময় কৰি বৃন্দাবনবাসীক এক চৈতন্যশক্তিৰে এক অভিনৱ প্ৰেৰণাৰে উদ্বাউল কৰি তুলিছিল।

বৃন্দাবনত সাধাৰণ গোপবালাসকলৰ মন-আত্মা কৃষ্ণ বিলীন হোৱাৰ লেখীয়া আধুনিক সভ্যতা-সংস্কৃতিৰ প্ৰাচুৰ্যৰ মাজত ভাৰতীয় সমাজৰ জনমানসত আধ্যাত্মিক সংস্কৃতিৰ মূলসুতি বুলি ক'ব পাৰি আৰু ই চিৰপ্ৰৱাহমান। আনহাতে ৰাসলীলা হৈছে শান্তি-সম্প্ৰীতি আৰু আনন্দত উদ্বুদ্ধ হৈ আধ্যাত্মিক চেতনাৰে সৰ্বস্তৰৰ লোকক সমন্বয়ৰ এনাজৰীৰে বান্ধ খুৱাই ৰাখিছে। আজি আমাৰ মাজৰ এই ৰাস মহোৎসৱত দেখা যায় সমন্বিত সংস্কৃতিৰ মৌলিকতা। ইয়াত আছে আধ্যাত্মিক, সামাজিক, শিল্প-সংস্কৃতি তথা দৰ্শনৰ এক সমাহাৰ। ৰাসলীলা বা ৰাস মহোৎসৱত সামাজিক জীৱনৰ, সামাজিক জনসাধাৰণৰ মনোৰঞ্জিত সংস্কৃতিৰ আধাৰ ৰূপত সংস্কৃতিৰ বিচিত্ৰ ৰূপত সংস্কৃতিৰ সংহতিৰ মহাপ্ৰয়োভৰ।

ৰাসলীলা ভক্ত ভগৱানৰ মিলনৰ ছবি। ভগৱান হৈছে ভক্তৰ অধীন। ভক্তই যিভাৱে ভগৱানক ভজনা কৰে সেই ভাৱেই ভক্তৰ মনোৰথ সিদ্ধি কৰে।

"ভকতেসে মোৰ হৃদি জানিবা নিশ্চয়।
ভকতজনৰ জানা আমিসে হৃদয়।।"

ভাগৱতৰ ৰাসক্ৰীড়াই সমাজৰ সকলো লোকলৈ আশাৰ বাণী দি ঈশ্বৰৰ চৰণত শৰণ ল'বলৈ আহ্বান জনাইছে।

"যাদৱ যদু নন্দন, মাধৱ মধু সুদন।
তুমি নিত্য নিৰঞ্জন নাৰায়ণ, তোমাত লৈলো শৰণ।

"ইবাৰ কৰুণাময় হৰি কমলাপতি
মোৰে নাছাড়িবা নাৰায়ণ।
অৰুণ চৰণ তলে হৰি কমলাপতি
সত্যে সত্যে পশিলো শৰণ।।"

পৰম কৰুণাময়, সৰ্বমংগলময় পৰম কৃপালু গোকুল নন্দন শ্ৰীকৃষ্ণৰ কৃপাত কংসৰূপী দুষ্কৃতি বিনাশ কৰি সৰ্বলোকৰ বাঞ্ছিত কৃষ্ণ সংস্কৃতি প্ৰতিষ্ঠা হওক। আজি বিশ্ব মানৱৰ মন, বুদ্ধি, চিত আৰু অন্তৰ শৰত সন্ধিয়াৰ শুভ্ৰ কান্তিৰে আলোকিত হওক। মানৱ মনৰ কলুষ কালিমা, হিংসা, বিদ্বেষ আঁতৰ কৰি পূৰ্ণিমাৰ দৰে স্বচ্ছ আৰু নিকা, পৱিত্ৰ, শান্তিময় হৈ পৰক। মানৱ হৃদয়ৰ ৰন্ধ্ৰে ৰন্ধ্ৰে স্থাপিত হওক ভক্তি, মানৱতা, নৈতকিতা, সুস্থ চিন্তা-আধ্যাত্মিকতা বিৰাজমান হওক। সৰ্বজয়ৰ কল্যাণ, মংগল সাধন হওক। "ধৰ্মক ৰাখি অধৰ্মক নাশি, ই কাৰ্য্যে ভৈলো অৱতাৰ আমি। শুনিয়োক বুদ্ধজন জনম সাক্ষলি, কামজয় নামে ইটো কেশৱৰ কেলি।।"

কৃষ্ণ ভক্তিৰসৰ সৰোবৰ স্বৰূপ শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ দশম স্কন্ধৰ আদিভাগৰ ৰাস পঞ্চাখ্যাত থকা কৃষ্ণ আৰু গোপীৰ মাজৰ ৰাসলীলা হৈছে ভক্তিমাৰ্গৰ অতি উচ্চখাপৰ বিষয়বস্তু। অসমত একশৰণ নামধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে এই আধ্যায়কেইটা সাধাৰণ লোকেও বুজিব পৰাকৈ অতি সুলিলত ভাষাৰে বিৰচন কৰি নিজৰ অতুলনীয় কবি প্ৰতিভাৰ স্বাক্ষৰ দাঙি ধৰি কৃষ্ণ ভক্তিৰ সৰ্বজনীন দিশটো সুন্দৰকৈ প্ৰকাশ কৰিছে।

শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়াৰ কথা শ্ৰৱণ-কীৰ্তন কৰিলে ভক্তৰ মন নিৰ্মল হয় আৰু কৃষ্ণ প্ৰেমৰ দ্বাৰা জীৱন পৰামৰ্থ লাভৰ পথ প্ৰশস্ত হয়।

"পাইলে মহোদয় কৰ্মবন্ধ ছেদ ভৈলো।
হৰি ভকতিত যেবে কৰা দৃঢ়মতি।।
ইহজন্মত নিশ্চয় পৰম পাইবা গতি।
ভকতিত পৰে ধৰ্ম্ম নাহি সংসাৰত।।
চাৰিও বেদৰ জানা এহি সাৰতত্ত্ব।।"◆

# মনুসংহিতা আৰু কিছু

(১৬ পৃষ্ঠাৰ পৰা)

আৰু বীৰ্য প্ৰদান কৰে আৰু নিন্দা কৰি ভোজন কৰিলে এই দুয়োটাই নাশ হয়।

মানুহে ইন্দ্ৰিয়সমূহৰ আসক্তিতেই দোষমুক্ত হয়, তাত কোনো সন্দেহ নাই; গতিকে ইন্দ্ৰিয়সমূহক জয় কৰিলেই ধৰ্ম, অৰ্থ, কাম, মোক্ষ সিদ্ধি লাভ হয়।

মনুৱে ধৰ্ম, অৰ্থ আৰু কাম এই ত্ৰিবৰ্গকেই পুৰুষাৰ্থ সাধনৰ শ্ৰেষ্ঠ উপায় বুলি কৈছে।

সদায় পিতা-মাতা আৰু আচাৰ্যৰ প্ৰীতি জন্মোৱা কাম কৰিব লাগে। কিয়নো এই তিনিজন সন্তুষ্ট থাকিলে সকলো তপস্যাৰে ফল পোৱা যায়।

যি বংশত কুলবধুসকল খোৱা-লোৱাৰ অভাৱত দুখত পৰে, সেই বংশ সোনকালে বিনাশ হয় আৰু যি বংশত এওঁলোক দুখত নপৰে, সেই বংশ সদায় বৃদ্ধি পায়।

যি বংশত স্বামী ভাৰ্যাৰ ওপৰত আৰু ভাৰ্যা স্বামীৰ ওপৰত সন্তুষ্ট থাকে, সেই বংশত সদায় কল্যাণ হয় তাত কোনো সন্দেহ নাই।

যিজনে পৰলোকত অক্ষয় স্বৰ্গবাস কামনা কৰে আৰু ইহলোকত সুখ কামনা কৰে, তেওঁ সদায় যত্ন সহকাৰে এই গৃহস্থাশ্ৰম অৱলম্বন কৰিব লাগে।

অতিথি যিকোনো সময়তেই নাহক, গৃহস্থই কেতিয়াও লঘোণে এৰিব নালাগে।

অন্ন ব্যঞ্জনাদি যথাক্ৰমে আনি সাৱধানে, শুদ্ধভাৱে পৱিত্ৰ বেশেৰে পৰিৱেশন কৰিব লাগে।

অন্ন বিতৰণৰ সময়ত কান্দিব নালাগে, খং কৰিব নালাগে, মিছা কথা ক'ব নালাগে, ভৰিৰে স্পৰ্শ কৰিব নালাগে আৰু বিতৰণৰ পাত্ৰৰ পৰা উদংকৈ খোৱা পাত্ৰত দিব নালাগে।

প্ৰসিদ্ধি লাভৰ কাৰণে নিজ নিজ অনিন্দিত কৰ্মৰ দ্বাৰাই শৰীৰে ভাত-কাপোৰৰ কষ্ট নোপোৱাকৈ ধন সঞ্চয় কৰিব লাগে।

পৰম আস্থাৰে সুখাভিলাষি হৈ সংযতভাৱে আত্মতুষ্টি লাভ কৰিব লাগে; আত্মতুষ্টিয়েই সুখৰ মূল আৰু আত্মবিতুষ্টিয়েই দুখৰ মূল।

অতিৰিক্তকৈ খাব নালাগে, সন্ধ্যা সময়ত আৰু প্ৰাতঃসময়ত ভোজন কৰিব নালাগে।

খঙৰ বশৱৰ্তী হ'লেও কাৰোৰ মূৰৰ চুলিত ধৰিব নালাগে, মূৰত প্ৰহাৰ কৰিব নালাগে।

সঁচা কথা ক'ব লাগে, প্ৰিয় কথা ক'ব লাগে; সঁচা হ'লেও অপ্ৰিয় কথা ক'ব নালাগে; এইটোৱেই সনাতন ধৰ্ম।

গুৰু সেৱাদি সদাচাৰযুক্ত হ'ব লাগে, বাহিৰে ভিতৰে সদায় পৱিত্ৰ হ'ব লাগে। শৰীৰস্থ দুৰ্লক্ষণসমূহ সদাচাৰে নষ্ট কৰে।

যিজন মানুহ অধাৰ্মিক, যাৰ ধন মিছাৰ দ্বাৰাই প্ৰতিষ্ঠিত আৰু যিজন সদায় হিংসাকুৰীয়া স্বভাৱৰ, সি এই সংসাৰত কেতিয়াও সুখ নাপায়।

ধৰ্মকাৰ্যৰ অনুষ্ঠান কৰি ধনৰ অভাৱত কাতৰ হ'লেও অধৰ্মত মনোনিৱেশ কৰা অনুচিত। কিয়নো অধৰ্ম কৰি উপাৰ্জন কৰা ধনী পাপীসকলৰ ধন সোনকালে বিনষ্ট হোৱা দেখা যায়।

যি ধৰ্মকাৰ্য কৰিলে লোকনিন্দা হয়, তেনে ধৰ্মকাৰ্য কৰিব নালাগে।

কথাত চঞ্চলতা থাকিব নালাগে আৰু কাকো হিংসা কৰিব নালাগে।

ব্ৰহ্মচৰ্য, দয়া, ক্ষমা, ধ্যান, সঁচা কোৱা, নিষ্পাপ অন্তঃকৰণ, হিংসা, চুৰি নকৰা আৰু মধূৰ ভাব এইবোৰেই যম।

স্নান, মৌনাৱলম্বন, উপাবাস, যজ্ঞকৰ্ম, বেদাধ্যায়ন, ইন্দ্ৰিয় সংযম (নিয়ম) নীতি, গুৰু শুশ্ৰূষা, শুদ্ধভাব, ক্ৰোধজয় আৰু সাৱধানতা এইবোৰকেই নিয়ম বোলে।

জ্ঞানীয়ে সদায় নিয়মসমূহ পালন কৰিব লাগে।

খোজনীয়াক যি কিছু দিয়া হয়, তাক খং-ৰাগ নোহোৱাকৈ দান দিব লাগে।

লাহে লাহে পৰলোকৰ সহায়কাৰী ধৰ্ম কোনো প্ৰাণীকে কষ্ট নিদিয়াকৈ সঞ্চয় কৰিব লাগে। যিহেতুকে পৰলোকৰ সহায়ক পিতা-মাত-পুত্ৰ-স্ত্ৰী-জ্ঞাতি আদি কোনোজনেই নাথাকে; কেৱল মাত্ৰ ধৰ্মহে স্থায়ীভাৱে থাকে; গতিকে ধৰ্ম সঞ্চয় কৰা সকলোৰে কৰ্তব্য।

সকলো প্ৰকাৰৰ শুদ্ধিৰ ভিতৰত অৰ্থ শৌচেই উৎকৃষ্ট শুচি বুলি মনু আদিয়ে নিৰ্দেশ কৰিছে। যিজন অৰ্থ বিষয়ত শুচি তেৱেঁই প্ৰকৃত শুচি।

পুত্ৰৰ লোভত যি স্ত্ৰীয়ে স্বামীক অতিক্ৰম কৰি পৰপুৰুষত ভজে, তেওঁ ইহলোকত নিন্দা পায়, পৰলোকত স্বৰ্গৰ পৰা পতিতা হয়।

সম্যকভাৱে ব্ৰহ্মক জানিলে কৰ্মবন্ধনত লিপ্ত নহয়।

যেতিয়া মানুহে বিষয়-বাসনাৰ প্ৰতি নিষ্পৃহ হয়, তেতিয়া ইহলোকত সুখ আৰু পৰলোকত অক্ষয় মোক্ষ লাভ কৰে।

ব্ৰহ্মচাৰী, গৃহস্থ, বানপ্ৰস্থ আৰু যতি (সন্ন্যাস) এই চাৰি আশ্ৰমৰ ভিতৰত বেদ আৰু স্মৃতিৰ বিধানমতে মনু আদিয়ে গৃহস্থাশ্ৰমকেই শ্ৰেষ্ঠ বুলি কৈছে। কাৰণ গৃহস্থীয়ে ব্ৰহ্মচাৰী, বানপ্ৰস্থ আৰু যতিক ভিক্ষাদিৰে পুহি ৰাখে।

সমস্ত কৰ্মফল ত্যাগ কৰি, আনকি স্বৰ্গাদিৰো প্ৰতি নিষ্পৃহ হৈ ব্ৰহ্মত একান্ত মনোনিৱেশ কৰি পাপ পৰিত্যাগ কৰিব তেতিয়া পৰম গতিৰূপ মোক্ষ লাভ কৰিব।

মদ্যপান, দুৰ্জনৰ লগত সংসৰ্গ, পতি বিৰহ, অ'ত-ত'ত ঘূৰি ফুৰা, অসমত শয়ন, অইনৰ ঘৰত বাস এই ছয়টাই তিৰোতা নষ্ট হোৱাৰ প্ৰধান কাৰণ।

তিৰোতাসকল গৰ্ভদাত্ৰী হোৱাৰ বাবেই অতি মঙ্গলময়ী, পূজনীয়া আৰু ঘৰৰ দ্বীপ্তি, স্ত্ৰীয়ে ঘৰৰ শ্ৰী, স্ত্ৰীহীন ঘৰ শ্ৰীহীন।

পুৰুষ অকলে নহয়, পুৰুষ অদ্ধহে, ভাৰ্যাৰ লগত মিলিহে সম্পূৰ্ণ হয়।

সহোদৰ ডাঙৰ ভাইৰ পত্নী, সৰুভাইৰ মানত গুৰুপত্নী স্বৰূপা অৰ্থাৎ আইৰ তুল্য। আৰু সহোদৰ সৰু ভাইৰ পত্নী-ডাঙৰ ভাইৰ মানত পুত্ৰবধূ স্বৰূপা।

তিৰোতাৰ মুখ সদায় পৱিত্ৰ।

পৰৰ তিৰোতা আৰু সম্বন্ধবিহীন তিৰোতাক ভৱতি বা সুভগে নাইবা ভগিনী বুলি আৰু ভগিনী প্ৰভৃতিক আয়ুষ্মতি বুলি সম্বোধন কৰিব লাগে।

অহিংসা, সত্য, অস্তেয় (পৰৰ ধন হৰণ নকৰা), শৰীৰ শুদ্ধি, ইন্দ্ৰিয় সংযম এইকেইটাই চাৰিবৰ্ণৰ সাধাৰণ ধৰ্ম বুলি স্বয়ং মনুৱে কয়।

শৰীৰ পানীৰ দ্বাৰা, মন সত্যৰ দ্বাৰা, জীৱাত্ম বিদ্যা দ্বাৰা আৰু ওপৰ দ্বাৰা, বুদ্ধি জ্ঞানৰ দ্বাৰা শুদ্ধ হয়।

আদি অক্ষৰ 'অ-উ-ম' এই তিনিটি তিনি বেদাত্মক প্ৰণৱৰ ৰূপ। ই অতি গোপনীয়, ইয়াকেই 'ত্ৰিবৃদ্বেদ' বোলা হয়; ইয়াৰ স্বৰূপ আৰু অৰ্থ যিজনে জানে তেওঁকেই বেদবেত্তা বা বেদজ্ঞ বোলা হয়।

এনেদৰে ঋষি মনুৱে স্মৃতিশাস্ত্ৰখনিত ব্যক্তিগত জীৱন আৰু মানৱৰ সমাজ জীৱনৰ কল্যাণ সাধনৰ বাবে কৰিবলগা সৎকৰ্মৰাজিৰ নিৰ্দেশনা দিছে। আনহাতে মানৱৰ ব্যক্তি জীৱন বা সমাজ জীৱনৰ ক্ষতিকাৰক অসৎ কাৰ্যৰ শাস্তি বিধানৰো ব্যৱস্থা দিয়া হৈছে। আনক অনিষ্ট নকৰাকৈ, সমাজত শান্তি শৃঙ্খলা বৰ্তাই ৰাখি জীৱন-নিৰ্বাহৰ পথ আৰু উপদেশ দিয়া হৈছে।

বহুদিনৰে পৰা নাৰীমুক্তি আন্দোলন, নাৰী সৱলীকৰণ, আন্তৰ্জাতিক নাৰী দিৱস আদি নাৰী বিষয়ক আলোচনা-বিলোচনা বা প্ৰবন্ধ পাতিত মনুস্মৃতিৰ সঘন উল্লেখ পোৱাৰ বাবে প্ৰকৃততে ঋষিজনাই স্মৃতিখনিতনো কি কি বিষয় লিপিবদ্ধ কৰিছিল সেইকথা জানিবলৈ আগ্ৰহ জন্মিছিল। মূল সংস্কৃত স্মৃতিশাস্ত্ৰখনি অধ্যয়ন কৰাৰ ধৃষ্টতা আমাৰ নাই। অনুবাদ গ্ৰন্থ দুভাগ বিচাৰি পাই সেই আশা পূৰণ কৰা হ'ল আৰু আমাৰ অনুভৱ প্ৰকাশৰ চেষ্টা কৰা হ'ল।

**সহায়ক গ্ৰন্থঃ**

১. মনুসংহিতা (অনুবাদ) ঃ হৰকান্ত শৰ্মা
২. মনুসংহিতা (অনুবাদ) ড° প্ৰফুল্ল নাৰায়ণ বৰুৱা
৩. মহীয়সী ঃ শ্ৰীন্ত শঙ্কৰদেৱ সঙঘৰ মহিলা আলোচনী

# জিলা অধিৱেশন

**গোৱালপাৰা ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, গোৱালপাৰা জিলা শাখাৰ ৫২ (বাৱন্ন) সংখ্য বাৰ্ষিক অধিৱেশনভাগি অহা ১৭, ১৮ আৰু ১৯ জানুৱাৰী, ২০১৪ তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গোৱালপাৰা আঞ্চলিক শাখাৰ আতিথ্যত অনুষ্ঠিত কৰিবলৈ যো-জা কৰা হৈছে। শঙ্কৰী কৃষ্টি বিকাশ কেন্দ্ৰ প্ৰাঙ্গন, কল্যাণপুৰত অনুষ্ঠিত হ'বলগীয়া অধিৱেশনৰ দ্বিতীয় দিনা অনুষ্ঠিত হ'ব মুকলি ধৰ্মালোচনা সভা। উক্ত সভাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্ত আৰু প্ৰধান সম্পাদক শ্ৰীবাবুল বৰাবাপৰ লগতে ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ নৱ-নিৰ্বাচিত মুখ্য কাৰ্যবাহী সদস্য শ্ৰীটংকেশ্বৰ ৰাভা, গোৱালপাৰা পূব বিধান সভা সমষ্টিৰ বিধায়ক মঃ মনোৱাৰ হুছেইন আৰু ভালেকেইগৰাকী বিশিষ্ট বাপে বক্তা হিচাপে উপস্থিত থাকিব বুলি জিলা সম্পাদক শ্ৰীজয়ন্ত কুমাৰ কলিতাই জানিবলৈ দিছে। অধিৱেশন উপলক্ষে 'সুৰ পৰকাশ' নামৰ এখনি স্মৃতিগ্ৰন্থও প্ৰকাশ পাব বুলি স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সম্পাদক শ্ৰীসুবোধ কলিতাই জনাইছে।◆

# গুৰুৰ গুৰুত্ব

নলিনী ঠাকুৰীয়া

বৰ্তমান বৈজ্ঞানিক যুগত এফালে মানৱে চন্দ্ৰত অৱতৰণ কৰিছে আৰু আনফালে আণৱিক যন্ত্ৰ আৱিষ্কাৰ কৰি পৃথিৱী ধ্বংস কৰিছে। ধ্বংসকাৰী মানৱক প্ৰগতিশীল মনলৈ উন্নীত কৰিব লাগিলে অজ্ঞানতা নাশ কৰিব লাগিব। অজ্ঞানতা নাশ কৰিবলৈ কাম, ক্ৰোধ, লোভ, মোহ, দ্বিধা, সংকোচ, ভীতি বিহীন এজন গুৰুৰ আৱশ্যক হ'ব। সেইজন গুৰু ক'ত কেনেকৈ পোৱা যায়? পৃথিৱীত অৱশ্যে বাৰেৰহণীয়া গুৰুৰ বৰ্ণিল সমদল যাত্ৰা। নিচিনি গুৰু ভজিলে মানৱে বিঘিনিৰ বানপানীত কক্‌বকাই থাকিব লাগিব।

"ভাৰত হাটত আছে অনেক দোকানী।
নিচিনি কিনিলে ফল মিলিবে বিঘিনী।।"

— বৰগীত

নন্দৰ নন্দনৰ অংশঅৱতাৰ কল্পতৰু বৃক্ষ স্বৰূপ শ্ৰীমন্ত শঙ্কৰদেৱৰ বাহিৰে আমাৰ আন গুৰু নাই বুলি মহাপুৰুষ মাধৱদেৱে নাম-ঘোষাত ব্যক্ত কৰিছে। তেৱেঁই ধৰ্ম, অৰ্থ, কাম, মোক্ষ, দাতা— এৱেঁই অজ্ঞানৰূপী আন্ধাৰ নাশ কৰি জ্ঞানৰূপী পোহৰ বিলাওঁতা—

"শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু।।"

— নাম-ঘোষা, ৩৭৫

গুৰু, দেৱ, নাম, ভকত— এই চাৰিবস্তুৰ ভিতৰত গুৰুক সৰ্বাধিক গুৰুত্ব দিয়া হৈছে। জন সাধাৰণক ভগৱতমুখী কৰাৰ দায়িত্ব গুৰুৰ "মুক্তিতো নিগ্ৰহ যিটো সেহি ভকতক নমো" — এই ঘোষাজোকাই প্ৰমাণ কৰে মাধৱপুৰুষে প্ৰথমে গুৰুক স্মৰণ কৰি 'নাম-ঘোষা'ৰ কাম আৰম্ভ কৰিছিল। নিৰলস হৰি সাধনা কৰি দেৱগণ স্বৰ্গলৈ যাব নোৱাৰা হেতুকে অমৃত স্বৰূপ নাম টোপোলা বান্ধি লুকাই থৈছিল। দয়ালু শঙ্কৰে সকলোকে আনন্দৰে পান কৰিবলৈ টোপোলাৰ মূৰ মেলি দিলে।

নামৰ নিবাস স্থান বৈকুণ্ঠ। সেই নামৰস প্ৰেম অমৃতৰ নদী স্বৰূপ বোৱাই দিছিল কৃপালু গুৰুৱে। অৰ্থাৎ বৈকুণ্ঠৰ বস্তু হৰিনামৰ ৰস অমৃত স্বৰূপে শাস্ত্ৰত সোমাই দিছিল। মানুহে সেই ৰস পান কৰি সংসাৰ-সাগৰ পাৰ হোৱাৰ যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হয়।

"হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশ
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙ্গি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।।"

— নাম-ঘোষা, ৩৭১

নামৰ দ্ৰোহীয়ে সংসাৰ পাৰ হোৱা অসম্ভৱ। গুৰুজনাৰ প্ৰদত্ত অমৃত স্বৰূপ হৰিনামত তৰ্কবাদ কৰি হৰি নামৰ মহিমা উচ্ছাদ কৰাজন মহাপাপী আৰু তেওঁ ৰৌ ৰৌ নৰকত পৰে। হোম, ব্ৰত, তীৰ্থস্নান, যতে মহাযজ্ঞ দাস আৰু কৰ্ণক গুৰুজনাই নামৰ সমতুল্য কৰি কোনো শাস্ত্ৰত উল্লেখ কৰা নাই। কিন্তু একচামে সমতুল্য কৰি দেখুৱাই নামৰ দ্ৰোহ আচৰি গুৰুজনাক অৱমাননা কৰা পৰিলক্ষিত হৈছে। যিজন গুৰুৰ উপদেশ ক্ৰমে মানৱক জড় ভাবৰ পৰা আঁতৰাই চৈতন্য শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰি সেইজন গুৰুক অপমান কৰাজন আত্মঘাতীৰ বাহিৰে অন্য বুলি কোৱাৰ থ'ল নাই। "নিমি নৱসিদ্ধ সংবাদ'ত গুৰুজনাই গুৰু আৰু হৰিক এক বুলি কৈছে।

"উপদেশ দাতা যিটো গুৰু আছে তাকে হৰি বুলি মানে।" একাদশ স্কন্ধত আমাৰ উপাস্য দেৱতা ঈশ্বৰক গুৰু মানিছে।

"হৃদয়ৰ ঈশ্বৰ পৰম মোৰ গুৰু।
প্ৰভু ভগৱন্ত ভকতৰ কল্পতৰু।।"— ভাগৱত

কেতিয়াবা হৰিয়ে দুই ৰূপ ধৰে। আমাৰ দেহৰূপী নৌকাখনৰ গুৰিয়াল গুৰুৰূপী হৰি আৰু সহায়কাৰী বায়ুৰূপী কৃষ্ণ। সংসাৰ সাগৰত অনুকুলে গৈ থকা দেহৰূপী নাওখনে প্ৰতিকুলে বলা বতাহ জাকৰ বাবে তুলুংভুটুং কৰে।দেহৰূপী নাৱে একান্ত মনে হৰিক স্মৰণ কৰিলে পালতৰা নাৱক অনুকুল বায়ুৱে সহায় কৰাৰ দৰে হৰিয়ে নিজ শক্তিৰে সহায় কৰিব। তথাপি আমি জীৱশ্ৰেষ্ঠ মানৱে দেহৰূপী নাৱে একান্ত মনে হৰিক ৰমৰণ কৰিলে পালতৰা নাৱক অনুকুল বায়ুৱে সহায় কৰাৰ দৰে হৰিয়ে নিজ শক্তিৰে সহায় কৰিব। তথাপি আমি জীৱশ্ৰেষ্ঠ মানৱে দেহৰূপী নৌকাখন পাৰ কৰিবলৈ ইচ্ছা নকৰোঁ।

"সমস্তৰে আদি নৰতনু/ উদ্যম কোটিয়ো নাপায় পুনু/ কোনো ভাগ্যেদয়ে পায়া নাৱ দৃঢ় আতি। গুৰু ভৈল তাত কৰ্ণধাৰ/ কৃষ্ণ ভৈলা অনুকুল বায়ু/ তথাপি সংসাৰ নতৰয় আত্মঘাতী।।"— নাম-ঘোষা, ৬২৭

হৃদয়ত থাকি আত্মৰূপী হৰিয়ে আত্মজ্ঞান দিছিল উদ্ধৱক। বাহিৰতো হৰিৰূপে কলিৰ লোকৰ মাজত ভক্তিধৰ্ম প্ৰচাৰৰ ইঙ্গিত দি নিজে বৈকুণ্ঠগামী হোৱাৰ প্ৰয়াস কৰিলে। সেয়েহে উদ্ধৱে আত্মাকে গুৰু মানিলে—

"প্ৰিয়তম আত্মাক কেনে তেজি যাই।
আন দেৱান্তৰক ভজিবে আসি খাই।।
বাহিৰে ভিতৰে দিয়া তুমি উপদেশ।
ভৃত্যৰ পৰম গুৰু হুয়া হৰা ক্লেশ।।"

—ভাগৱত, ২৪৩

মাৱদেৱৰ গুৰুভক্তি অতুলনীয়। খাওঁতে, শুওঁতে, উঠোতে, বহোতে গুৰুকে ৰাখিছিল। গুৰুৰ সেৱা-শুশ্ৰূষাত তেওঁ অত্যুগ্ৰ্য হৈ আছিল। যুক্তিতৰ্কত হাৰি মাধৱদেৱে শঙ্কৰ গুৰুজনাৰ ওচৰত আত্মনিবেদন কৰে। শঙ্কৰদেৱ মাধৱৰ গুৰু আৰু হৰি। গুৰু সেৱাৰ নিচিনা মঙ্গলপ্ৰদ কাৰ্য নাই। ভগৱান সেৱাতকৈ গুৰুসেৱা কঠিন। গুৰু চৰিতত উল্লেখ আছে— এজন সাধকে ধ্যান কৰি থাকোঁতে তেওঁৰ সাধনাত তুষ্ট হৈ ভগৱন্তই গুৰু আৰু হৰি ৰূপত একেলগে সাক্ষাৎ দিলে। সাধকে বিচাৰ কৰি সৰ্বাগ্ৰে গুৰুকে সেৱা জনালে। "গুৰু সন্তুষ্ট মাত্ৰেন তুষ্টাস্তি প্ৰৰ্ব্ব দেৱতা।" নিমি নৱ সিদ্ধ সংবাদত গুৰুজনাই কৈছে—

"হেন জানি চাহে যিটো উত্তম কল্যাণ।
প্ৰথমে কৰিবে সিটো গুৰুক সন্মান।।"

— ভাগৱত, ১৩৮

গুৰু ভটিমাত 'জয় গুৰু শঙ্কৰ সৰ্ব্বগুণাকৰ' বুলি ঘোষণা কৰাৰ মূলতে মাধৱদেৱে শঙ্কৰ গুৰুজনাৰ লগত তৰ্কযুদ্ধত হাৰি শাক্ত ধৰ্ম ত্যাগ কৰিলে। বিভিন্ন স্থানত বিভিন্ন ক্ষেত্ৰত, বিভিন্ন জনৰ লগত ধৰ্মীয় বাক-বিতণ্ডা কৰি শ্ৰীগুৰু শঙ্কৰে বিজয়ৰ মালা পিন্ধিবলৈ সক্ষম হৈছিল। এনে গুৰুৰ পাদ পদ্মত আশ্ৰয় গ্ৰহণ কৰিলে মানুহ নিৰ্মোহ, নিৰ্ভয় আৰু শোকহীন হ'ব পাৰে। পৃথিৱীত বহু গুৰু আছে— যোগী গুৰু, কৰ্মী গুৰু, ব্ৰতী গুৰু, তপস্বী গুৰু, ইন্দ্ৰজালিক গুৰু আৰু কপট গুৰু। এই সকল গুৰুৰ কথা ইয়াত ক'ব খোজা নাই। ক'ব খোজা হৈছে— পৰতদুখী, দয়াময়ী, মমতাময়ী আৰু একমাত্ৰ ভগৱৎধৰ্মী শঙ্কৰ গুৰুজনাৰ কথাহে। গুৰুজনাই কৈছিল— "শুনিও মাধৱ মোৰ থাকিবাৰ স্থান কীৰ্ত্তন দশম মোৰ মূৰ্ত্তিৰ সমান।" অৰ্থাৎ শাস্ত্ৰত গুৰু হ'ব পাৰে। পৰম ব্ৰহ্মক জানিব লাগিলে শব্দ ব্ৰহ্মৰ ওচৰ চাপিব লাগিব। অৰ্থাৎ শাস্ত্ৰৰ কাষ চাপিব লাগিব। ভগৱৎ তত্ত্বসম্বন্ধীয় এই শাস্ত্ৰসমূহ ভগৱন্ত প্ৰভুৱে নৰকায়ৰূপত ব্যাখ্যা কৰি দেখুৱাইছে। গছৰ ক্ষুদ্ৰাকৃতিৰ গুটিটোত বৃহদাকাৰৰ আকৃতিৰ গছ এজোপা লুকাই থকাৰ দৰে নামৰ মাজত মোক্ষৰ স্বৰূপ লুকাই থকাৰ সন্ধান গুৰুজনাৰ অনুগ্ৰহতহে পাব পাৰি।

"নামেসে মোক্ষৰ বীজ/ কৃষ্ণেসে সুহৃ নিজ/ ভৈল তযু প্ৰসাদে বিদিত। তুমিসে পৰম গুৰু/ ভকতৰ কল্পতৰু/ জানা তুমি যাৰ যেন চিত্ত।।"
—ভাগৱত, ৪২৬

গুৰুজনাৰ দ্বাৰা লাভ কৰা পৰমতত্ত্ব মাধৱপুৰুষে গুৰুজনাৰ নিৰ্দেশ ক্ৰমে ঘোষাত অন্তৰ্ভুক্ত কৰিলে। পৰমপুৰুষৰ ৰূপ নামৰ মাজেৰে নাম-ঘোষাত ঘোষিত কৰিলে। পৰমপুৰুষৰ ৰূপ অনুৰূপ গুৰুৰ ৰূপ বাবে মাধৱকে ঘোষা নেৰিবা, ঘোষা নেৰিবা, ঘোষা নেৰিবা বুলি তিনিবাৰ উল্লেখ কৰিছে।

আঙুলি কাটি গুৰু দক্ষিণা দি একলব্যই ভক্তিৰ গভীৰতা প্ৰদৰ্শন কৰিছিল। শ্ৰীকৃষ্ণৰ গুৰু সান্দিপনী মুনি। গুৰুৰ প্ৰদত্ত শিক্ষাত সন্তুষ্ট হৈ কৃষ্ণই গুৰুক কি লাগে বুলি সোধাত গুৰুৱে মৃত পুত্ৰত আনি দিবলৈ ক'লে, যমৰ পৰা কৃষ্ণই মৃতপুত্ৰক আনি দি গুৰুৰ প্ৰতি অপৰিসীম শ্ৰদ্ধা নিবেদন কৰিলে। গুৰুৰূপী কৃষ্ণৰ উপদেশত পাণ্ডৱে কুৰুক্ষেত্ৰ যুদ্ধত অৱতীৰ্ণ হৈ যুদ্ধত জয়ধ্বজা উৰুৱালে। একচ্ছত্ৰী ৰজা হোৱাৰ সহায়ক কৃষ্ণৰ বাবে যুধিষ্ঠিৰে ৰাজসূয় যজ্ঞৰ প্ৰথম আহুতি কৃষ্ণৰ নামত দিছিল। কৃষ্ণই শিশুপালৰ মূৰটো কাটি পেলোৱাত মূৰটোৱে গুৰুৰূপী কৃষ্ণত শৰণাপন্ন হ'ল। আচাৰ্য বিনোৱা ভাবে পৰমপিতাৰ ওচৰত এটি ভিক্ষা মাগিছিল। ভিক্ষাটি হ'ল— মাতৃ হস্তেন শিক্ষনম। ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে মাতৃয়ে পুত্ৰৰ প্ৰথম গুৰু। বেশ্যাৰ পৰা জ্ঞান লাভ কৰা বাবে অবধূতৰ গুৰু বেশ্যা। প্ৰকৃতিও তেওঁৰ গুৰু। পৃথিৱী, পানী, অগ্নি, চন্দ্ৰ, সূৰ্য, কপৌ, অজগৰ, সাগৰ, ৰাজহাঁহ, পতঙ্গ, মৌমাখি, হাতী, হৰিণা, মাছ, কুৰুৰা চৰাই, কুমাৰণী আৰু মকৰা ইত্যাদি ২৪ গুৰুৰ পৰা তেওঁৰ জ্ঞান লাভ কৰি কৰিব পাৰি। সংসাৰৰ সকলো প্ৰকাৰ কুসংস্কাৰ বা মায়াৰ পৰা জীৱ মুক্ত হয়। আমাৰ জীৱদেহ ২৪ তত্ত্বৰে গঠিত। ২৪ তত্ত্বক চব্বিশ ইন্দ্ৰিয় বোলে। নিজৰ স্বাৰ্থৰ অনুকুলে প্ৰত্যেক ইন্দ্ৰিয়ই জীৱদেহক টানি আছে। ইন্দ্ৰিয় উপভোগত জীৱ নিমগ্ন থাকিলে জীৱে পৰমপদ লাভ কৰিবলৈ সক্ষম নহ'ব। গতিকে গুৰুক আশ্ৰয় কৰি সত্য, শুদ্ধ ধৰ্মৰ দুৱাৰ খুলি মুক্তিৰ পথ সুগম কৰাটো জীৱদেহৰ চৰম লক্ষ্য হ'ব লাগে। সেয়েহে মাধৱে গুৰু ভটিমাত 'বিনা গুৰু চৰণে ভকতি ৰকতি মুকুতি কবহু নহোই' বুলি দোহাৰিছে। গুৰুৰ প্ৰতি শ্ৰদ্ধা নাথাকিলে ঈশ্বৰৰ প্ৰতি ভকতি নাবাঢ়ে। ভকতি নাথাকিলে ৰতি নাহে আৰু ৰতি নাথাকিলে মুক্তি নহয়। গতিকে গুৰুৰ গুৰুত্ব অপৰিসীম।❑❑

## Âôt;rÂt]] ßÂi:

(৪ পৃষ্ঠাৰ পৰা)

গুৰুত্বপূৰ্ণ ভাৱে বৰপেটাৰ ভবানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গনত এই বছৰৰে আগষ্ট মাহত ভবানীপুৰীয়া গোপাল আতাৰ তিথিৰ লগত সঙ্গতি ৰাখি আতাগৰাকীৰ জীৱন দৰ্শন, মহাপুৰুষীয়া ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰত তাৰাৰ অৱদান, সংহতি সাধনত তাৰাৰ ভূমিকা শীৰ্ষক এটি গুৰুত্বপূৰ্ণ আলোচনাচক্ৰ অনুষ্ঠিত কৰি অসমৰ জনজীৱনত সংহতি সাধনৰ অৰ্থে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা হৈছে। অতিকৈ গুৰুত্বপূৰ্ণ আৰু তাৎপৰ্যপূৰ্ণ বিষয় হ'ল এই বছৰতে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ডেৰশ বছৰীয়া জন্মজয়ন্তীৰ লগত সংহতি ৰাখি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ শঙ্কৰদেৱ চৰ্চাৰ সম্পৰ্কত অক্টোবৰ আৰু ডিচেম্বৰ মাহত অতি উচ্চ মানৰ দুখন আলোচনা চক্ৰ অনুষ্ঠিত কৰা হৈছে। প্ৰথমখন ১৮ অক্টোবৰ তাৰিখে কটন মহাবিদ্যালয়ৰ ছুদমাৰ্চন হলত আৰু দ্বিতীয়খন বেজবৰুৱাই নিজৰ ডাঙৰ-দীঘল হোৱা নগৰ শিৱসাগৰৰ নাট্যমন্দিৰত ২২ ডিচেম্বৰ তাৰিখে অনুষ্ঠিত কৰা হৈছে। দুয়োখন আলোচনা চক্ৰতেই বেজবৰুৱা ডাঙৰীয়াই মহাপুৰুষজনাক মণিকূটৰ পৰা উলিয়াই আনি কিৰূপে সমাজৰ মাজত প্ৰতিষ্ঠা কৰি অসমীয়া জাতীয় জীৱনৰ বাবে অৰিহণা আগবঢ়াই গ'ল তাক অসমৰ সাহিত্য জগতৰ বিদ্বৎ সমাজৰ মুখেৰে প্ৰকট কৰা হৈছে।

আমি ২০১৩ক বিদায় জনাব খুজিছো দুৰ্ভগীয়া তেৰৰে নহয়, এই তেৰই আমাৰ অনুষ্ঠানৰ ইতিহাসলৈ কঢ়িয়াই আনিছে সৌভাগ্যৰ সুবাস। জাতীয় জীৱন কৰি তুলিছে প্ৰাণবন্ত। ধন্য ২০১৩। এই সৌভাগ্যৰ অচিলাৰে আমি যাত্ৰাৰম্ভ কৰিম ২০১৪ৰ সোণসেৰীয়া সম্ভাৱনাৰ বৰ্ণময় ভৱিষ্যতলৈ। আহ্বান জনাম মহাপুৰুষীয়া মহিমাৰে উজলি উঠা এখন বিচিত্ৰ সাংস্কৃতিক সমাজ।❑❑

## শঙ্কৰী সংগীত বিদ্যালয় স্থাপন

**লখিমপুৰ ঃ** যোৱা ৯ অক্টোবৰ, ২০১৩ লালুকৰ কাচজুলী মিৰি গাঁৱত এখন শঙ্কৰী সংগীত বিদ্যালয় স্থাপন কৰা হয়। বৰ্তমান লখিমপুৰ জিলাৰ একমাত্ৰ শঙ্কৰী সংগীত বিদ্যালয়খন মাধৱজ্যোতি আঞ্চলিক শাখাৰ অন্তৰ্গত বামুণদলনী গাঁৱৰ চিন্তামণি প্ৰাথমিক শাখাত অৱস্থিত। শঙ্কৰী সঙ্গীত বিদ্যালয়ৰ পৰিচালনা সমিতিয়ে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ লখিমপুৰ জিলা শাখাৰ প্ৰশিক্ষক ক্ৰমে শ্ৰীলক্ষীৰাম শইকীয়া আৰু শ্ৰীদিপালী শইকীয়াক প্ৰশিক্ষণ আগবঢ়াবৰ বাবে নিয়োগ কৰে।❑

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৱেবচাইটত মহাপুৰুষ দুজনাৰ ৰচনাৱলী, অন্যান্য গ্ৰন্থ, আলোচনী আদি

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখা সমিতিৰ ফালৰ পৰা মণিকাঞ্চন বাৰ্তালোচনীৰ সহৃদয় পাঠকবৃন্দক জনাবলৈ পাই আমি নথৈ আনন্দিত হৈছোঁ যে সমিতিৰ উদ্যোগত এইবেলি www.srimantasankaradevasangha.net নামৰ এটি ইণ্টাৰনেট তথ্যকোষ (Website) আৰম্ভ কৰা হৈছে। মহাপুৰুষ মাধৱদেৱৰ সমগ্ৰ ৰচনাৱলী, শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দ্বাৰা প্ৰকাশিত গুৰুজনাৰ বিষয়ক সকলো গ্ৰন্থ এই তথ্যকোষত উপলব্ধ কৰাৰ উপৰি সঙ্ঘৰ দ্বাৰা প্ৰকাশিত আলোচনী, জাৰ্ণেল, বাৰ্তালোচনী আদিৰ প্ৰতিটো সংখ্যা উপলব্ধ কৰাই এই তথ্যকোষৰ মূল উদ্দেশ্য যদিও সঙ্ঘৰ অন্যান্য গুৰুত্বপূৰ্ণ তথ্যসমূহো ইয়াত উপলব্ধ কৰা হ'ব। সঙ্ঘৰ গুৰুত্বপূৰ্ণ সভা সমিতি, অধিৱেশন আদি সম্পৰ্কীয় বা-বাতৰিসমূহ এই তথ্যকোষৰ প্ৰথম পৃষ্ঠাতে দৰ্শকসকলে পঢ়িবলৈ পাব। সদাশয় বাপ-আই সমস্তৰ হাতত তথ্যকোষটোত উপলব্ধ কৰিবলগীয়া তথা, বা-বাতৰি, গ্ৰন্থ, আলোচনী আদি থাকিলে তলৰ ঠিকনাত যোগাযোগ কৰিবলৈ অথবা তাত থকা ইমেইল ঠিকনাত মেইল যোগে পঠিয়াবলৈ সেৱা ধৰা হৈছে।




ইতিমধ্যে মহাপুৰুষ দুজনাৰ তিনিখন গ্ৰন্থ বাদ দি সমস্ত ৰচনাৱলী তথ্যকোষটোত উপলব্ধ হোৱাৰ উপৰি কেইবাখনো সঙ্ঘ প্ৰকাশিত গ্ৰন্থ আৰু আলোচনীসমূহৰ ভালেমান সংখ্যা উপলব্ধ হৈছে। আগ্ৰহী দৰ্শকসকলে তথ্যকোষটো খুলি publications শীৰ্ষকত ক্লিক কৰিলেই গ্ৰন্থ, আলোচনীসমূহৰ নামবোৰ দেখিবলৈ পাব আৰু সেই নামত ক্লিক কৰিলেই গ্ৰন্থবোৰ পঢ়িবলৈ পাব অথবা download কৰিবও পাৰিব। তথ্যকোষটোৰ প্ৰথম পৃষ্ঠাৰ ফটো এটা ইয়াত সংলগ্ন কৰি দিয়া হ'ল।

**যোগাযোগৰ ঠিকনা ঃ**
**ড° জগত চন্দ্ৰ কলিতা**
মোবাইল- ৯৪৩৫৬-৩০০৯৫, Email : Jagat_kalita@sify.com

# শ্ৰীমন্ত শঙ্কৰদেৱ নগৰ প্ৰাথমিক শাখাৰ ৰূপালী জয়ন্তী

**মৰিগাঁও ঃ** শতবৰ্ষৰ উদ্‌যাপন, মহাৰজত জয়ন্তী, হীৰক জয়ন্তী, সোণালী জয়ন্তী, ৰূপালী জয়ন্তী আদি সমাজৰ আনন্দ-উছাহৰ অনুষ্ঠান। এনে আনন্দমুখৰ উৎসৱৰ যোগেদি প্ৰকাশ পায় সংগঠনৰ সাংগঠিক দক্ষতা, সঞ্চিত স্মৃতিৰ সুবাস আৰু জীৱনৰ বহু অভিজ্ঞতা। তেনে এটি উৎসৱ উদ্‌যাপন কৰিলে সঙ্ঘৰ এখনি প্ৰাথমিক মৰিগাঁও নগৰ এলেকাৰ অন্তৰ্ভুক্ত শ্ৰীমন্ত শঙ্কৰদেৱ নগৰ প্ৰাথমিকে যোৱা ২৪ আৰু ২৫ ডিচেম্বৰ তাৰিখে। শ্ৰীপ্ৰদীপ কুমাৰ শইকীয়া সভাপতি আৰু শ্ৰীহৰেন্দ্ৰ বৰা সম্পাদকৰে ৯খন উপসমিতিৰে গঠিত আদৰণী সমিতিখনে প্ৰাথমিক শাখাৰ নৱনিৰ্মিত নামঘৰ প্ৰাঙ্গনত অতি সুন্দৰ আৰু শৃঙ্খলাবদ্ধভাৱে কাৰ্যসূচী ৰূপায়িত কৰে। প্ৰাক্তন সভাপতি শ্ৰীশিৱপ্ৰসাদ ঠাকুৰীয়াৰ পৰিচালনাত প্ৰাতঃ প্ৰসঙ্গ আৰু সভাপতি ডাঃ নকুল বৰুৱাৰ দ্বাৰা ধৰ্মধ্বজা উত্তোলনেৰে নাম-প্ৰসঙ্গ, দিহানাম প্ৰতিযোগিতা আদিৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰে। দ্বিতীয় দিনাৰ কাৰ্যসূচীত ভিতৰত এটি মনোৰম কাৰ্যসূচী সম্পাদিত হয়— প্ৰাথমিক শাখাৰ শিশু আৰু আই-মাতৃ শিল্পীসকলৰ দ্বাৰা শঙ্কৰী গীত-নৃত্যৰ প্ৰদৰ্শন। ১ বজাৰ পৰা অনুষ্ঠিত মুকলি সভাত সভাপতি ডাঃ নকুল বৰুৱা বাপৰ সভাপতিত্ব অনুষ্ঠিত হোৱা সভাত কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভা উদ্বোধন কৰে মৰিগাঁও জিলা শাখাৰ সভাপতি শ্ৰীগণেশ বৰা বাপে। শ্ৰীজীৱকান্ত নাথ বাপে সম্পাদনা কৰা 'ভকতি-মালা' নামৰ স্মৃতিগ্ৰন্থখনি উন্মোচন কৰে মৰিগাঁও বিধান সভা সমষ্টিৰ বিধায়িকা তথা সংসদীয় সচিব শ্ৰীজোনজোনালী বৰুৱাই। সন্মানীয় অতিথিৰূপে সভাত উপস্থিত থকা তিৱা স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য শ্ৰীৰমাকান্ত দেউৰীদেৱে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই জাত-পাত নিৰ্বিশেষ সমাজৰ সকলো শ্ৰেণীৰ লোকক একত্ৰিত কৰি গুৰুজনৰ আদৰ্শৰে এখনি শৃঙ্খলাবদ্ধ সমাজ গঠন কৰাৰ বাবে সঙ্ঘক প্ৰশংসা কৰি এটি সাৰুৱা ভাষণ প্ৰদান কৰে। জিলা শাখাৰ প্ৰাক্তন সভাপতি ডাঃ পুনিৰাম পাতৰ বাপে বিশিষ্ট অতিথিৰ আসনৰ পৰা তত্ত্বকথা সম্পৰ্কত চমু বক্তব্য আগবঢ়ায়। ধৰ্মধ্বজা অৱতৰণেৰে ৰূপালী জয়ন্তীৰ কাৰ্যসূচীৰ সামৰণি পৰে।◆




# গোহাৰি

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ৮৩ সংখ্যক বাৰ্ষিক অধিৱেশনভাগি অহা ৬, ৭, ৮ আৰু ৯ ফেব্ৰুৱাৰী, ২০১৪ তাৰিখে তিনিচুকীয়া জি শাখা, অনিৰুদ্ধ ক্ষেত্ৰ (মাকুম)ত অনুষ্ঠিত হ'ব। উক্ত চাৰি ৰাতি সাংস্কৃতিক সন্ধিয়া মহাপুৰুষ দুজনাক অপূৰ্ব সৃষ্টি শঙ্কৰী সঙ্গীত আৰু লোককৃষ্টি বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হৈছে। সংশ্লষ্টি জিলা শাখাৰ পৰা সাংস্কৃতিক সন্ধিয়া কাৰ্যসূচীৰ বাবে অহা ২৫ জানুৱাৰী, ২০১৪ তাৰিখ ভিতৰত মূলসঙ্ঘৰ সংস্কৃতি শাখাৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনালো। নিৰ্দিষ্ট তাৰিখৰ পিছত কাৰ্যসূচীত নাম অন্তৰ্ভুক্ত কৰা নহ'ব। সেয়ে সংশ্লিষ্ট জিলা শাখাৰ বাচনি কৰি দিয়া কাৰ্যসূচীহে সুধিবা দিয়া হ'ব। সংশ্লিষ্ট জিলা শাখাৰ পৰা নিৰ্দিষ্ট তাৰিখ পাৰ হ'লে সেই জিলাৰ কোনো অনুষ্ঠান-প্ৰতিষ্ঠানে আৱেদন কৰিলে সুবিধা দিয়া হ'ব। কাৰ্যসূচী নীতি-নিৰ্দেশাৱলী তলত উল্লেখ কৰা হ'ল। ইতি

সেৱাৰে—
পৰিত্ৰপ্ৰাণ বৰা
সম্পাদক, সংস্কৃতি শাখা

**নিৰ্দেশাৱলী ঃ**

১. প্ৰদৰ্শন কৰিব খোজা বিষয়টো মহাপুৰুষীয়া মাৰ্গৰ হ'ব লাগিব। ২. শিল্পীসকলৰ যাতায়তী দিয়া নহয়। ৩. শিল্পী দলৰ বাদ্যযন্ত্ৰ, সাজপাৰ আদি সামগ্ৰী নিজে আনিব লাগিব। ৪. ক্ৰমিক নং অনুসৰি প্ৰদৰ্শন কৰিব লাগিব। ৫. কাৰ্যসূচী নিৰ্দিষ্ট কৰি দিয়া সময় ৰক্ষা কৰিব। ৬.কাৰ্যসূচী আগ-পিছ কৰিব পৰা নাযাব।

# 'পাৰিজাত হৰণ' নাট প্ৰদৰ্শন

**লখিমপুৰ ঃ** যোৱা ১৬ অক্টোবৰ বুধবাৰে দিনযোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, মাধৱজ্যোতি আঞ্চলিক শাখাৰ গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱভাগি কুঁহিয়াৰবাৰী ১১ মাইলৰ দিব্যজ্যোতি প্ৰাথমিক শাখাৰ নামঘৰত অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুযায়ী পুৱা ৫ বজাত প্ৰাতঃপ্ৰসঙ্গ, ৬ বজাত পৰিৱেশ উন্নয়নৰ পিছতেই পুৱা ৭ বজাত বৃক্ষৰোপণ কৰে মলুৱাল শান্তিপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীভৱকান্ত বৰুৱা বাপজনাই। পুৱা ৮.৩০ বজাত ধৰ্মধ্বজা উত্তোলন কৰে আঞ্চলিক শাখাৰ সভাপতি শ্ৰীব্ৰজেন্দ্ৰনাথ দাস বাপজনাই। পুৱা ৯ বজাত ভাগৱত ভ্ৰমণৰ শোভাৰম্ভ কৰে আঞ্চলিক শাখাৰ সংস্কৃতি শাখাৰ সভাপতি শ্ৰীপ্ৰদীপ কলিতা বাপজনাই। আঞ্চলিক শাখাৰ সংস্কৃতি শাখাৰ সম্পাদক শ্ৰীইন্দ্ৰ টায়েগামে আঁতধৰা ভাগৱত ভ্ৰমণত আঞ্চলিক শাখাৰ ২০খন প্ৰাথমিক শাখাৰ ভকতৰ লগতে কুঁহিয়াৰবাৰী স্থানীয় ৰাইজৰ সহায়-সহযোগিতাই ভাগৱত ভ্ৰমণক এক সফল ৰূপ দিয়ে। ভাগৱত ভ্ৰমণৰ শেষত দিব্যজ্যোতি প্ৰাথমিক শাখাৰ সভাপতি-সম্পাদক ক্ৰমে শ্ৰীপ্ৰকাশ দত্ত আৰু শ্ৰীমাধৱ শইকীয়া বাপ দুজনাই স্থানীয় ৰাইজৰ সহায়-সহযোগিতাক শলাগ লয়। বিয়লি ১ বজাৰ পৰা আৰম্ভ হোৱা মুকলি সভাখনিৰ শুভ উদ্বোধন কৰে আঞ্চলিক শাখাৰ সম্পাদক শ্ৰীবিপুল দত্ত বাপজনাই আৰু সভাপতিত্ব কৰে শ্ৰীব্ৰজেন্দ্ৰনাথ দাস বাপে। বিশিষ্ট অতিথিৰ আসন অলঙ্কৃত কৰে স্থানীয় বিধায়ক শ্ৰীউৎপল দত্তই। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে ক্ৰমে ডায়েট, উত্তৰ লখিমপুৰৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীনবীন দত্ত আৰু লখিমপুৰ জিলা শাখাৰ শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ সভানেত্ৰী শ্ৰীবীণা বৰা হাজৰিকা আই। বৰগীত পৰিৱেশন কৰে শ্ৰীদিপালী শইকীয়া, বৰগীতৰ কোৰাছ পৰিৱেশন কৰে শ্ৰীবন্দনা গগৈ আৰু শ্ৰীপৰী শইকীয়াই। দিহানাম পৰিৱেশ দিব্যজ্যোতি প্ৰাথমিক শাখাৰ আইসকলে, বিষ্ণুপুৰ প্ৰাথমিক শাখাৰ কণ কণ শিশুসকলে। ৬ বজাত বন্তি প্ৰজ্বলন কৰে আদৰণী সমিতিৰ সভাপতি শ্ৰীপ্ৰফুল্ল শইকীয়া বাপজনাই। সন্ধ্যা ৮ বজাত মুলৰ প্ৰশিক্ষক শ্ৰীবালিৰাম নাথৰ পৰিচালনাত শঙ্কৰী সংগীত বিদ্যালয়ৰ অধ্যক্ষ তথা সম্পাদক শ্ৰীভূপেন টায়েৰ সহযোগত লখিমপুৰ জিলাৰ শঙ্কৰী সঙ্গীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পাৰিজাত হৰণ নাট প্ৰদৰ্শন কৰে। শেষত গুৰু বন্দনাৰে মহোৎসৱভাগিৰ সফল সামৰণি পৰে।◆

# 'বৃন্দাৱনী বস্ত্ৰ' তথ্যচিত্ৰৰ শুভ উন্মোচন

**গুৱাহাটী ঃ** মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ গুৰুজনাৰ ৫৬৫ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অন্যতম জিলা শাখা গুৱাহাটী মহানগৰী জিলা শাখাৰ অন্তৰ্গত শ্ৰীৰামআতা আঞ্চলিক শাখাৰ এটি অংগ নৱগ্ৰহ প্ৰাথমিক শাখাৰ নামঘৰ প্ৰাঙ্গনত যোৱা ২৩ অক্টোবৰ, ২০১৩ তাৰিখ বুধবাৰে অসমৰ সুযোগ্য সন্তান পদ্মশ্ৰী সূৰ্য হাজৰিকাৰ পৰিচালনাত তথ্যচিত্ৰ 'বৃন্দাবনী বস্ত্ৰ'ৰ শুভ উন্মোচন কৰা হয়।

এই উন্মোচনী সভা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পৰম শ্ৰদ্ধাৰ পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্তবাপে, মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদক শ্ৰদ্ধাৰ শ্ৰীবাবুল বৰাবাপে। বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে স্বনামধন্য চলচিত্ৰ, তথ্যচিত্ৰ পৰিচালনাক পৰম শ্ৰদ্ধাৰ পদ্মশ্ৰী সূৰ্য হাজৰিকাদেৱৰ প্ৰয়োজনা পৰিচালনাত কৰা বোলছবি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ জীৱনভিত্তিত নিৰ্মিত 'শ্ৰীমন্ত শঙ্কৰদেৱ' খনিও প্ৰদৰ্শন কৰা হয়। প্ৰাথমিক শাখাৰ স্থায়ী সভানেত্ৰী শ্ৰীবিন্দুপ্ৰভা হাজৰিকা আয়ে সভাখনি পৰিচালনা কৰে।◆

বাৰ্তালোচনী প্ৰকাশন শাখা সমিতি ঃ উপদেষ্টা— ভবেন্দ্ৰনাথ ডেকা, হৰিপ্ৰসাদ হাজৰিকা, কেশৱমোহন কলিতা ঃ সভাপতি— গোলাপ বৰুৱা ঃ পৰিচালন সম্পাদক— খগেন্দ্ৰ মহেলা (ফোন নং- ৯৪৩৫০৬৩২৫০) ঃ প্ৰকাশক— বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ঃ সদস্যসকল— শোধন গগৈ, বাবুল বৰা, বীৰেশ হাজৰিকা, জ্যোতিপ্ৰসাদ চুতীয়া, ড° যতীন চুতীয়া, প্ৰ াদ শইকীয়া, প্ৰদীপ কুমাৰ বৰা, ৰামকৃষ্ণ পাটগিৰি ঃ সম্পাদক —ভবেন দুৱৰী (ফোন নং— ৯৪৩৫৪০৩০১১), সহযোগী সম্পাদক— দীপজ্যোতি চহৰীয়া (ফোন নং- ৯৭০৬৮৫৩১২৯)

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হৈ প্ৰধান সম্পাদক বাবুল বৰাৰ দ্বাৰা প্ৰকাশিত। গুৱাহাটীৰ শৰাইঘাট ফটো টাইপছ প্ৰাঃ লিঃ, ইণ্ডাষ্ট্ৰিয়েল ইষ্টেট, বামুণীমৈদাম, গুৱাহাটী ৭৮১০২১ত মুদ্ৰিত। সম্পাদক ঃ ভবেন দুৱৰী, শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী ৭৮১০৩২ ফোন ঃ ৯৪৩৫৪-০৩০১১